

# কেঁচা পাতৰ কঁপনি

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

STATE CENTRAL LIBRARY
Call No.
★ ASSAM ★

বীণা লাইব্ৰেৰী
গুৱাহাটী • অসম

KENCHA PATAR KANPANI • AN ASSAMESE NOVEL • WRITTEN BY • SREE PROFULLA DUTTA GOSWAMI • PRICE RUPEES 6'50 ONLY

---

প্ৰকাশক • মনোৰঞ্জন দে • বীণা লাইব্ৰেৰী কোকৰাঝাৰ • অসম • মুদ্ৰক • শ্ৰীঅৰুণকুমাৰ চক্ৰবৰ্ত্তী • চক্ৰবৰ্ত্তী প্ৰিণ্টাৰ্ছ • ১/৩ সীতাৰাম ঘোষ ষ্ট্ৰীট, • কলিকতা-৭০০০০৯ • প্ৰথম ছপা ১৯৫২ • দ্বিতীয় সংস্কৰণ ১৯৫৫। • তৃতীয় সংস্কৰণ ১৯৬০ • চতুৰ্থ সংস্কৰণ ১৯৭৭ • লিখকৰ দ্বাৰা সকলো স্বত্ব সংৰক্ষিত। •

---

দাম : ৬'৫০ টকা।

# ভূমিকা

কিতাপখন লিখা হৈছিল ১৯৫০ চনত, ছপা হৈ ওলাইছিল দুবছৰ পিচত। উপন্যাসকাৰ হিচাবে মই যদি কিবা নতুনত্ব দাবী কৰিছিলোঁ এই দহ-বাৰ বছৰৰ ভিতৰত সেই দাবী নিশ্চয় কিছু পাতল হ'ল। এই কেইবছৰৰ ভিতৰত কেইবাখনো উল্লেখযোগ্য উপন্যাস ওলাল, আৰু সম্ভৱ সেই গোঁহাইবৰুৱা—ৰজনীকান্ত বৰদলৈৰ যুগৰ কথা নুতুলিলে অসমীয়া ভাষাত উপন্যাসৰ যুগ এতিয়াহে উপস্থিত হৈছে।

এই কিতাপখনত চৰিত্ৰৰ ওপৰত অলপ জোৰ দিয়া হৈছিল। চৰিত্ৰৰ ওপৰত সমাজৰ প্ৰভাৱ আৰু যুগৰ মানসিক পৰিৱেশ অনুসৰি সেই চৰিত্ৰৰ দ্বিধা-সংশয়ৰ বিশ্লেষণ কিতাপখনে আগ বঢ়াবলৈ চেষ্টা কৰিছিল। উৎপল আধুনিক শিক্ষিত মধ্যবিত্তৰ প্ৰতীক —এওঁৰ সাধাৰণ অৰ্থত 'নায়কতা' গুণ সমূলি নাই। নায়ক নহয় কাৰণে এওঁ কোনো চকুত লগা নাইবা মন উদ্বেল কৰা কাৰ্য্যও নকৰে; এক হিচাবে এওঁৰ কাহিনীত আগ নাই, গুৰিও নাই—এওঁ চলিহে থাকে। এনে কিতাপত সাধাৰণ অৰ্থৰ প্লট ওলায় ক'ৰ পৰা? কিতাপখনিৰ পটভূমিত যি এটি ঐক্য আছে সি ভাব-চিন্তাৰ ঐক্য, কাহিনীৰ সঙ্গতি নহয়।

ইংৰাজ ঔপন্যাসিক ভি. এছ. প্ৰিচ্চেটে এবেলি মন্তব্য কৰিছিল যে আধুনিক উপন্যাস প্লটবিহীন আৰু জীৱন সোঁৱৰণ বা আত্মজীৱনীৰ আহিত গঢ়ি উঠা। লোকৰ মন জুখি চাবলৈ গলে নিজৰ মনৰ জোলোঙাত আগতে হাত ভৰাই লব লাগে, এই কাৰণেই আধুনিক উপন্যাস আত্মজীৱনী নহৈয়ো আঙ্গিকৰ ফালৰ পৰা আত্মজীৱনীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। 'সংজ্ঞাৰ প্ৰৱাহ' টেকনিক অনুসৰণ কৰিলেতো কথাই নাই।

বৰ্ত্তমান সময়ত সাহিত্যৰ বিবিধ শ্ৰেণীৰ ভিতৰত উপন্যাসৰ কলেবৰে আটাইতকৈ পুষ্ট। এই যুগৰ সকলো চিন্তা, সকলো সমস্যা যেন উপন্যাসতে সোমাই পৰিছে। এইবোৰে যাখোন লিখকৰ সংজ্ঞাত পৰিপুষ্টি লাভ কৰি পিচত ৰচনাত সোমাই পৰে।

উপন্যাস আৰু এতিয়া গতানুগতিক অৰ্থৰ কাহিনী নহয়। সেই অনুসৰি ইয়াৰ ৰচনাৰ ঠাঁচো সলনি হৈ গৈছে। কেতিয়াবা অকণমান অভিজ্ঞতা এটিৰে ধৈৰ্য্যশীল বিশ্লেষণ, কেতিয়াবা বহুতো ঘটনাৰ সংক্ষিপ্ত বৰ্ণনা যাখোন। ভাষাও সাংকেতিক, প্ৰতীকবাদী, অথবা যুক্তি বাস্তিক। মাৰ্চেল প্ৰুষ্টৰ পৰা টমাছ মানলৈ. জোছেফ কনৰাডৰ পৰা কাফ্কালৈ আধুনিক উপন্যাসৰ যি বিকাশ, তাৰ মৰ্ম গ্ৰহণ কৰিবলৈ গলে নয়নাত দূৰ দৌৰা খায়। আমাৰ অসমীয়া উপন্যাসেও নিশ্চয় এদিন এই বাটেদিয়ে খোজ লোলাব।

মোৰ উপন্যাসখনৰ ত্ৰুটি কিমান সেই কথা অনুভৱ নকৰাকৈ থকা নাই। তথাপি কিতাপখনে বহুত সময়ত জোখতকৈ সৰহ প্ৰশংসা লাভ কৰিছে। ব্যক্তিগত দীঘলীয়া চিঠিৰ পৰা কিতাপখন পঢ়ি উঠি লিখা কবিতালৈ বহুতো উছাহ উদগনি লিখকৰ হাতত পৰিছে। তাৰ হৈছে অসমীয়া লিখকৰ শনিৰ দশা পাৰ হ'ল! কিতাপ লিখিলে এতিয়া মানুহে পঢ়ে, লিখকৰ শলাগো লয়। পাঠকৰ ফালৰ পৰা এনে সঁহাৰি পালে অৱশ্যে লিখকৰ দায়িত্ব বাঢ়ে, কি ধৰণে লিখা যুগুত সেই সম্বন্ধেও চিন্তা কৰিবলগীয়া হয়।

মনৰ জিভা বোলে কলম, মুখেৰে প্ৰকাশ নকৰিবলগীয়া কথাও লিখকৰ কলমৰ আগত ওলায়! এই কাৰণেই হৱপায় ইমানবোৰ লিখিলোঁ। অৱশেহত এক আমেৰিকান কবিৰ ভাষাত কিতাপখন মেলি দিলোঁ বাইজৰ মাজত—

Go forth, my book, and take whatever pounding
The heavy-fisted destinies prepare.
I know you are not anything astounding.
And, to be quite sincere. I don't much care.

—*Leonard Bacon*

গুৱাহাটী

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

॥ ১ ॥

গৌৰীপুৰৰ পৰা উভতি ঘৰ পায়ে অলপ অপ্ৰিয় কামত হাত দিব-লগীয়া হ'ল। মাটি-বাৰী অলপ আছিল, ৰায়তবিলাক কছাৰী। তাহাঁতে খাজানা দিব নোখোজে, নতুন যুগৰ প্ৰভাৱত। চাৰিওপিনে মানুহৰ মনত অস্থিৰতা। দিনে দিনে যেনেকৈ বাইজৰ অৱস্থা বেয়া হৈ আহিছে সেইদৰে গাৱঁৰ সোৰোপা কোনো কথালৈ কাণ নকৰা কছাৰী মিকিৰবো অন্তৰত কিছুবাৰ জুই উমাই উমাই জ্বলিব খোজে। তাহাঁতক দেখি বেজাৰো লাগে, অথচ মাটিখিনিৰ মায়া এৰিব নোৱাৰি।

বহাৰ আমাৰ ঘৰৰ পৰা তিনি মাইলমান আঁতৰত পাহাৰ এখনৰ নামনিত ফুলবাৰী গাওঁ, ৰায়তবিলাকৰ বস্তি। বাটত অলপ হাবি, অলপ বোকা, অলপ মুকলি পথাৰৰ ফিৰ্‌ফিৰীয়া বতাহ। ঘৰ পোৱাৰ দুদিনমান পিছত সেইফালে যাত্ৰা কৰিলোঁ। মোৰ নিজৰ যাবলৈ সিমান মন নাছিল, কিন্তু দেউতাৰ কথা নুশুনিলে নচলে।

মণিৰাম গাওঁবুঢ়াৰ ঘৰলৈ পোনথুলাই গৈ খবৰ লৈ জানিলোঁ বুঢ়া মৰিল, পুতেকেহে তাৰ খেতি-বাতি চলাইছে। সিও পথাৰত। আন এঘৰলৈ গৈ পালোঁ এজনী গাভৰু। বহাগীয়ে বুকুত মেখেলা এখন পিন্ধি পদুলি মুখত থিয় হৈ আছিল। মোক দেখি মিচিক্‌কৈ হাঁহি ঘৰ সোমাল। তাইক আগৰ পৰা চিনি পাওঁ। মাতিলোঁ, "বহাগী, লৰ মাৰিলি কিয়? মাৰ আছেনে নাই?"

"পথাৰলৈ গৈছে আৰো" তাই মাত দিলে আৰু তামোলৰ বটাখন লৈ ওলাই আহিল।

"তহঁতে খাজানা দিয়া নাই কিয়?" মই সহজভাৱে হাঁহি প্ৰশ্ন কৰিলোঁ।

"কি জানো, বাইজে দিব হাক দিছে আৰো।"

অলপ সময় নামাতিলোঁ। মনতে ভাব হ'ল এই গাভৰুজনীয়ে নিজ

নাচিলে কেনে দেখা হব। চিফুং বাঁহীৰ লয়ে লয়ে যেতিয়া তাই বাহু ভাঙি কঁকাল হলাই হলাই মনৰ উলাহত নিজক এৰি দিব তেতিয়া তাই খাজানা দিয়াৰ কথা নাভাবে, ঘৰত ভাত খাবলৈ আছেনে নাই চিন্তা নকৰে।

অকস্মাৎ তাই কৈ উঠিল, "গাৱঁৰ ভিতৰত নাযাবি।"

"কিয় ?"

"নাযাবি আৰো, মানুহমখা কিবা বকমৰ হৈছে।"

বুজিলোঁ তাহাঁতৰ মাজতো বিক্ষোভৰ বীজ গজিছে, আৰু বাহিৰৰ মানুহ গলে তাহাঁতে সন্দেহ আৰু ঘিণৰ চকুৰে চায়। অৱশ্যে ৰায়তৰ লগত মোৰ সম্বন্ধ বৰ বেয়া নহয়। দেউতা আগৰদিনীয়া মানুহ, তেওঁহে তাহাঁতৰ মইমতালি সহ্য কৰিবলৈ টান পাইছিল। তাৰ উপৰি খাজানাখিনি উলিয়াব নোৱাৰিলে নিজৰে টনাটনি অৱস্থা। সমস্যা জটিলেই। সি যি নহওক, এই অপ্ৰিয় কথাবিলাক আঁতৰাই থবলৈ মন কৰি বহাগীক অকস্মাৎ সুধিলোঁ, "তোৰ বিয়া হোৱা বুলি শুনিছিলোঁ দেখোন, গিৰিয়েৰ ক'ত ?"

তাই অকণমান চকিত ভাবে মোলৈ চালে। তাইৰ ঠেক দীঘল চকুহালিত যেন একনিমিষৰ কাৰণে বিজুলী জিলিকিল, তাৰ পাছত অলপ বিৰক্তিত কৈ উঠিল, "ধৰি লৈ গৈছে আৰো। পুলিচে ধৰি লৈ গৈছে।"

"কিয় ?"

তাই সন্দেহৰ চকুৰে মোৰ মুখলৈ চায়। মই কওঁ, "তই মোক অবিশ্বাস নকৰিবি, বহাগী। মইতো তহঁতৰ অন্যায় চিন্তা কৰা নাই।"

"তিনিমাহমান হ'ল, দাৰকা বাবুক মাৰিব ধৰিছিল, সেই কাৰণে ধৰি লৈ গৈছে। ইহঁতক কাটিব লাগে! আমাৰ খাবৰ ভাত নাই, তাৰ উপৰত্ত ইমান জুলুম—"

ভাব হ'ল এই আঁকৰীজনীও একে বিৰিখৰে গুটি, তাইৰ বুকুতো জুই জ্বলিছে। বেলি লহিয়াব ধৰা দেখি মই উঠিলোঁ। খাজানাৰ কথা আৰু তুলিয়ালোঁ। আনৰ ঘৰলৈকেও যাবৰ মন নগ'ল। সময়ৰ সোঁত, তাক ভেটা দিয়াও টান। তাই তামোল এখন দিলে। তাইৰ পাতল আঁটিল শৰীৰটো

লক্ষ্য কৰি তাৰ হ'ল এনেকুৱা এজনী বিয়া কৰাব নোৱাৰিনে? শিখা-পঢ়া শিকাব পাৰিলে ইহঁতৰ মনবিলাকতো সুফুলা ফুল ফুলিব, ইহঁতেওতো নতুন যুগৰ নৰনাৰী তৈয়াৰ কৰিব পাৰিব। নীলিমাৰ কথা মনত পৰিল। খুবুৰী এৰিবৰ দুসপ্তাহ হ'ল, মনটো উকণ্ডা উকণ্ডা লাগে।

দেউতাই ৰায়তবিলাকৰ কথা উলিয়ালে। তেওঁ খঙত গৰগৰাই আছে, "ইহঁতক চিপাহী লগাই গুলিয়ালেহে হব। দেশখনত যে কি জুই লাগিল!"

মই নামাতিলোঁ। তেওঁ আকৌ ক'লে, "মনে মনে থাকিলে নহব, কিবা এটা সোনকালে কৰিব লাগে। আজি দুবছৰৰ খাজানা—সেইবেলি আহাৰত ময়ে কিবা এটা কাৰণত পুলিচ পঠিয়াইছিলোঁ। তাতে সেই লপাং কছাৰীয়ে মোক কি গালি! দাৰোগাজনেও কথমপিহে প্ৰাণ লৈ পলাব পাৰিলে।"

"কোন লপাং?" মই চিনিব নোৱাৰিলোঁ।

"সেই ধেপেচী বুঢ়ীৰ জীয়েক বহাগীক যে বিয়া কৰাইছে—"

মই বুজিলোঁ আৰু বুজিলোঁ সেই ঘটনাৰ পিছত বহাগীৰ আমাৰ ওপৰত বিৰক্তি কিমান হব পাৰে। মুঠৰ ওপৰত মই মানেমানেই সাৰি আহিছোঁ। বোধকৰোঁ ঘটনাটোত মই নথকা বুলি জানি তাই মোক সিমান জগৰ দিয়া নাই। এৰা, মোকনো তাহাঁতে কিমান বেয়া পাব পাৰে? মই জানো তাহাঁতক পছ চিকাৰ কৰি খুউৱা নাই?

"দেউতা, পৰহিমানে মই যাব খোজোঁ।" মই লাহেকৈ কলোঁ।

"তই আহিলিহে মাথোন, যাবৰ হলেইনে? মাটিখিনিৰ কিবা এটা দিহা কৰিব নালাগিলনে?"

দিহা মানে মোৰ জীৱটো কছাৰীৰ দাব আগত উছৰ্গা কৰিলেহে হব—মনতে ভাবিলোঁ। মুখেৰে একো নকলোঁ। প্ৰকৃততে মোৰ মন আছিল কৰবাত। মোৰ মনৰ পাখি উৰা মাৰিছিল গৌৰীপুৰলৈ। কোনো ছোৱালীয়ে আগেয়ে মোক ইমান বলিয়া কৰা নাই। চিঠি এখন পোৱাহেঁতেনো! কি যে ভাববোৰ আছে! তাই কি বুলিয়ে বা লিখিব? এদিন নে দুদিনহে চিনাকি। তথাপি সিদিনাৰ প্ৰথম চিনাকিৰ ছবিটো বাৰে বাৰে মনত পৰিল।

হেমন্তকালৰ এক আবেলি পৰত কি ধোঁৱাবৰণীয়া ভাৱে কুঁৱলী মেলিছিল তাৰ কথা। মৰাপাটৰ ব্যৱসায় কৰিবলৈ গৈছিলোঁ ধুবুৰীলৈ। মাৰোৱাৰী বন্ধু এজনৰ সৌজন্যত তাৰ পৰা গলোঁ গৌৰীপুৰলৈ। সৰু চহৰ এখন, ৰজাৰ বংশত ওপজা জমিদাৰে পুৰণি গৌৰৱৰ আলম লৈ নিষ্প্ৰাণ দিন কটায় ; আগৰ দিনো নাই, পুৰণি দিনৰ প্ৰতিপত্তিৰো অভাৱ। পুৰণি ঘৰবাৰীবোৰৰ ওপৰত ৰ'দ বৰষুণে মেলি দিয়া ভেকুৰা আৱৰণ। মানুহ-দুনুহৰ সমাগম নাই। চাৰিওপিনে জাহ যোৱা সমাজ এখনৰ সেমেকা পৰিবেশ।

গৌৰীপুৰৰ পৰা ডেৰমাইলমান আঁতৰত পুৰণি প্ৰাসাদ এটি। মৰা নৈ এখনৰ পাৰৰ্ত চাপৰ পাহাৰ। তাৰ দুকালে মুকলি পথাৰবোৰ বাগৰি দূৰৈত মিলি গৈছে। মাজে মাজে দুই এজোপা অকলশৰীয়া গছ। তেতিয়া বেলি প্ৰায় মাৰ গৈছে, প্ৰাসাদৰ পূবফালে ছাঁ। প্ৰকাণ্ড ঘৰটোৰ ঘাই দুৱাৰত প্ৰায় আন্ধাৰেই। ভিতৰৰ পৰা আন্ধাৰে যেন সমুখত পোহৰ আঁতৰি যাবলৈ বাট চাই আছে। ঘৰটোত কোনো নাই, মাথোন আন্ধাৰ আৰু পোহৰৰ দোমোজাত দুৱাৰদলিত বহি আছে এজন বুঢ়া চকীদাৰ। তাৰ ৰহস্যময় শৰীৰটো আন্দাজহে কৰিব পাৰি। ঘৰটোত মানুহ নাথাকে। সেই মুকলি পথাৰৰ মাজত পাহাৰখনৰ ওপৰত গহীনকৈ থিয় হৈ আছে পুৰণি কাৰেং ঘৰ। তাত নাই এতিয়া বিজুলি চাকিৰ তিৰবিৰণি, নাই তাত দৌৰী ফুৰা গাভৰুৰ ৰূপালী হাঁহিৰ লহৰ। জোনাক নিশা তাত এসময়ত ৰং ধেমালি কৰা মানুহবিলাকৰ প্ৰেতাত্মাবোৰে হাঁহি নাচি "মুনলাইট চোনাটা" বজায়নে নবজায় কব নোৱাৰোঁ। আৰু সেই আন্ধাৰ পোহৰৰ মাজত নীৰৱে বহি থকা বুঢ়া চকীদাৰে কি ভাবিছিল তাকো কব নোৱাৰোঁ। কিন্তু সেই সময়ত সেই দিনা গধূলি মনৰ ওপৰত বিষাদে কি ৰূপ এটা পেলাইছিল ভাবিলে আচৰিত লাগে। মাৰোৱাৰী বন্ধুৱে ঘৰটোৰ মূল্য কিমান হব পাৰে তাৰ আভাস এটা দি মন্তব্য কৰিলে, "কিহে সমাধিস্থ হ'লা দেখোন।" গিৰিধাৰীলালৰ বয়স মোৰে সমান, সি মোক তুমি-তামা কৰি মাতে।

উত্তৰ দিবলৈ নৌপাওঁতেই অকস্মাৎ মোৰ কাণ থিয় হ'ল, কিয়নো পাহাৰৰ

নাৰ্মনিৰ পৰা উঠি আহিল ৰবীন্দ্ৰ-সঙ্গীতৰ এটিৰ সুৰ। মই এমেয়ে গান শুনিলে বলিয়া, তাতে সেই ৰহস্যময় সন্ধিয়া সুকোমল নাৰীকণ্ঠৰ সুৰত আহিল ঠাকুৰৰ অপূৰ্ব ৰচনাৰ কলি এটা—

দিনেৰ শেষে ঘুমেৰ দেশে ঘোমটা পৰা ঐ ছায়া
ভুলালো ৰে ভুলালো মোৰ প্ৰাণ ··

ছোৱালীজনীয়ে গাইছিল আন্ধাৰত গা লুকুৱাই অথচ সুৰত নিজক উবুৰিয়াই দি। গহীন ভৈৰবীৰ কঁপনিয়ে কঁপনিয়ে কল্পনাত ভাহি উঠিল সিপাৰৰ ধাননিৰ সোণালী আভা জঁই পেলাই নামি অহা মৰণ-ছাঁ, তাৰ আঁৰতে যেন নিজকে বিলাই দিম। গিৰিধাৰীলালেও সুৰৰ সম্মোহনত নিজক ক্ষন্তেকলৈ পাহৰা যেন লাগিল। দুয়ো গান অনুসৰণ কৰি নামি গলোঁ, দেখিলোঁ পথাৰত মানুহ এজন আৰু কাষতে ছোৱালী এজনী। আমাক দেখি ছোৱালীজনীয়ে গাবলৈ এৰিলে। মানুহজনে বঙালীতে মাত দিলে, "কে ?" বুঢ়া মানুহৰ মাত।

গিৰিধাৰীলালে তেওঁক চিনি পায়। তেওঁ পেন্সন লোৱা মাষ্টৰ। গৌৰীপুৰত ঘৰ। মোৰ চিনাকি দিয়া হ'ল—এখেত উৎপল বৰুৱা, ঘৰ নগাওঁত, ব্যৱসায়ী ডেকা, ইত্যাদি। মই কলোঁ, "আপোনাৰ ছোৱালীৰ অপূৰ্ব্ব প্ৰতিভা ; এই পৰিবেশত অন্য গান গোৱাহেঁতেন মোৰ ইমান ভাল নালাগিলহেঁতেন।"

বুঢ়াই অলপ হাঁহিলে—"বুঢ়া কাল, কোন দিনা যাওঁ ঠিকনা নাই ; সেই কাৰণেই তাইক দিনেৰ শেষে ঘুমেৰ দেশে গাবলৈ কৈছোঁ।"

"ইচ্ পিতাই কি কয় !" নীলিমাই মন্তব্য কৰিলে।

বুঢ়াই আমাক ক'লে, "আহা, আমাৰ ঘৰত অলপ বহি যোৱাহি।" ওচৰতে ঘৰ, আমি যাবলৈ আপত্তি নকৰিলোঁ। লেম্পৰ পোহৰত নীলিমাক দেখিলোঁ, দেখি মোৰ বিষাদৰ ভাপ ভেদ কৰি বিৰিঙি পৰা আশাৰ ৰেঙনি যেন অনুভৱ কৰিলোঁ। অকস্মাৎ দেখা ছোৱালী, আকৌ যে লগ পাম তেনে ভাবো নাই, তথাপি অন্তৰত সাঁচ নবহা সময়ত নীলিমাৰ মুখৰ ছবিৰ সাঁচ

পৰিল, মাথোন পাহৰিব নোৱাৰিলোঁ। নীলিমা বামুণৰ ছোৱালী, আৰু মই শূদিৰ—মাজত কিমান ব্যৱধান!

ৰাতি গৌৰীপুৰত থাকিবৰ কথা নাছিল, নীলিমাৰ কাৰণেই থাকিলোঁ। গিৰিধাৰীলালে মাথোন অলপ ধেমেলীয়া মন্তব্য কৰিলে। সি আৰু ক'লে, "বঢ়িয়া ছোৱালী—এইবেলি মেট্ৰিক দিছে, বয়স ওঠৰ-উনৈশ হ'ব, বাপেকৰ অৱস্থা ভাল নহয়···"

ৰাতিপুৱা বুঢ়া মাষ্টৰৰ তালৈ আকৌ গলোঁ। তেওঁ দেখি আদৰ-সাদৰ কৰিলে, শিক্ষিত ডেকা ব্যৱসায়ত লগা দেখি আনন্দ প্ৰকাশ কৰিলে। নীলিমাই দিলে এটি কোমল হাঁহি আৰু সুধিলে, "আৰু কেতিয়া আহিব?"

ছোৱালীজনীয়ে হয়তো ভদ্ৰতা অনুসৰিয়ে সেইদৰে সুধিছিল, কিন্তু তাৰ উত্তৰ মোৰ মনত নিৰিচাৰি বিচাৰিলোঁ। তাইৰ ক'লা চকুজুৰিত। তাই তলমূৰ কৰিলে। আহিবৰ সময়ত হাঁহিৰ চলেৰে বুঢ়াৰ আগতে নীলিমাক দি আহিলোঁ মোৰ নাম ঠিকনা থকা কাৰ্ডখন। মন্তব্য কৰিলোঁ, "এয়ে মোৰ ঠিকনা, অৰ্থাৎ মোৰ গোলাৰ ঠিকনা; কেতিয়াবা যদি মৰাপাটৰ দৰকাৰ হয়—" আটায়ে হাঁহিলোঁ।

গধুৰ মনেৰে গৌৰীপুৰ এৰিছিলোঁ।

## ॥ ২ ॥

ঘৰত থাকোঁতেই চিঠি এখন পালোঁ ; মনৰ তলিৰ পৰা নীলিমাৰ চিঠিলৈ কামনা থাকিলেও চিঠিখন আহিছিল বাইদেউৰ পৰাহে। ভিনদেউৰ টাইফইড, অতি টান, ঘৰৰ পৰা কোনোবা এজন যাব লাগে। ভিনদেৱে খিলঙৰ চেক্ৰেটেৰিয়েট অফিছত কাম কৰে, আধবয়সীয়া মানুহ। ল'ৰা-ছোৱালীকেইটি সৰু সৰু।

খিলঙলৈ লৰ মাৰিলোঁ। ভিনদেউৰ অৱস্থা ভাল নেদেখিলোঁ, ছসপ্তাহ জ্বৰত লালকাল দিছে। আৰু এসপ্তাহ ভুগিলে। তাৰ পাছতো এসপ্তাহমান আটাইৰে মুখত চিন্তা। মূৰৰ ওপৰত এমাহ ডেৰমাহমান ঘৰৰ মানুহ আটাইৰে আলপৈচান ধৰি ডাক্তৰৰ ওচৰলৈ দৌৰি ভাগৰ লগা যেন হ'ল। বাইদেউৰ চকুৰ চাৰিওকাষে ক'লা দাগ পৰিল। গিৰিয়েকৰ বেমাৰৰ উপৰিও তেওঁৰ টকা-পইচাৰ চিন্তা। এই বিষয়ত তেওঁক যিমান পাৰোঁ আশ্বাস দিলোঁ, কিন্তু মোৰো মনৰ অৱস্থা ভাল নহয়। সামান্য মূলধন লৈ ব্যৱসায় কৰিছিলোঁ, যদিও তাৰ পৰা সদায় জীৱিকা উলিয়াবলৈ টান। ব্যৱসায়ো একাণপতীয়াকৈ কৰিব নোৱাৰি, কিয়নো দেউতাই মাত দিলেই ঘৰ বুলি লৰ দিব লাগে। তেঁৱো বুঢ়া হৈ আহিছে। সৰু ভনী এজনী বিয়া দিবলৈ আছে। চাকৰি-বাকৰি কৰিবলৈকেও মন নাযায়, কৰিলেও নিজৰ পেট পোহাহে হব, তাৰ পৰা আৰু আনক পুহিব নোৱাৰি। বাইদেউৰ ঘৰখনৰ সাময়িক নিৰানন্দই মোৰ মনৰ অৱস্থা আৰু বেয়া কৰিলে। তাৰ উপৰিও বাইদেউৰ খেচখেচনি—মোৰ হেনো বিয়া কৰাবৰ বয়স হ'ল।

খিলঙতে দুমাহ হ'ল। বহাত বন্ধু এজনৰ লগত গোলা এখন পাতিছিলোঁ। তাৰ চিন্তাত মই বাওঁ বাওঁ লগালোঁ। অলপ মৰাপাটৰ গুদাম আৰু আন আন বস্তুৰ অলপ-অচৰপ যোগান। কিন্তু বন্ধুজনবো সাতোটা লেঠা, গোলা চলাবলৈকে সুকঠিন হ'ল। বাইদেৱে কয়, "তই এবি পেলা কাৰবাৰ-চাৰবাৰ। সদায় তলো তলৌকে ঘূৰি ফুৰিলেনো কি হ'ব, ইয়াতে কাম কাজ এটা চা।"

মই পুতৌৰ চকুৰে বাইদেউলৈ চাওঁ। ভাল কাম এটা পোৱা জানো সহজ আজিৰ দিনত! তাৰ কাৰণে লাগে কিমান মাল-মছলা। বাস্তৱৰ পৰা কালৰি কাটিবলৈ মন মেলি ভাৱৰ পাখি উকৱাওঁ, মনটো যায় গৌৰীপুৰলৈ উৰি, খেমালিৰ চলতে বাইদেউক সোধোঁ, "বাইদেউ, আধা-বঙালী ছোৱালী এজনী বিয়া কৰালে কেনে হয়়ো ?"

"কি আধা-বঙালী ?"

"অৰ্থাৎ অসমীয়াই, বঙালীৰ লগত থাকি থাকি বঙলুৱা হৈ পৰিছে।"

"সেইখন নকৰিবি বোপাই, দেউতাই এই বুঢ়া কালত কষ্ট পাব লাগিলে—"

মই আমন-জিমনকৈ ওলাই যাওঁ। বাটতে পিয়নটোৱে চিঠি এখন দিলে। লেফাফাৰ ওপৰৰ আখৰ অচিনাকি, চিঠিখন বহাৰ পৰা ঘূৰি আহিছে। কৰ নোৱাৰাকৈয়ে বুকুখন অলপ কঁপিল। বাওনাই চন্দ্ৰলৈ হাত মেলাৰ দৰে মই হয়তো এদিন নহয় এদিন নীলিমাৰ পৰা খবৰ পাম বুলি ভাব এটি পুহি ৰাখিছিলোঁ ; নীলিমাৰ চিঠি নোহোৱাটোৱে সম্ভৱ। চিঠিখন জেপত সুমুৱাই কৰবাত জুৰিব পাৰৰ নিৰ্জন ঠাইলৈ যাওঁ বুলি খোজ পেলালোঁ।

বাটতে আগচি ধৰিলে শিল্পী বন্ধু ৰবীনকুমাৰে। সি আহিছিল চৰকাৰৰ দুৱাৰত আৰ্টৰ পৰিপোষণৰ বাবে কিঞ্চিৎ ধন সংগ্ৰহৰ কাৰণে। চমুকৈ তাৰ খবৰটো দি ক'লে, "ব'লা, অলপ নিজান ঠাইলৈ যাওঁ, বহুতো কথা আছে।"

ৰবীনকুমাৰ মোৰ বিশেষ বন্ধু, তথাপি মোৰ মনৰ তেনে অৱস্থাত তাৰ সঙ্গ এৰিব পাৰিলেই ভাল লাগিলহেঁতেন। বাটত বিশেষ কথা নোহোৱাকৈ বেগাবেগিকৈ গৈ পালোঁগৈ—বৰবজাৰৰ শ্বিলং ৰেষ্টোৰাঁ। তাত আমাক চিনি পোৱা মানুহ নোলাব আৰু অকলশৰে বহিবলৈ সুবিধাও পাম।

আমি গৈ পাওঁমানে বৰষুণ পৰিবলৈ ধৰিলে। যথেষ্ট জাৰ। সোমাব খোজোঁতেই খাটাৱা এটাই থলংপলংকৈ আহি মোৰ গাত পুলা মাৰি দিলে। কাফিয়াদ পি আহিছিল হৰপাৰ। ঠাণ্ডা বতৰ। প্ৰায়বিলাক মেজতে মানুহ বহি আছে। অলপ পৰৰ পাছত খাটাৱা পৰিচাৰিকা এজনীয়ে খালি মেজ এটাত আমাক সুমুৱাই দিলে।

বহি লোৱাৰ লগে লগে ৰবীনকুমাৰে আৰম্ভ কৰিলে, "বুজিছা উৎপল, গাৱঁত এনে বঢ়িয়া দুজনীমান ছোৱালী পাইছোঁ—কি তাহাঁতৰ গাৰ বান্ধ, কি নাচোনৰ ভঙ্গী! মই তাহাঁতক শিকাবলৈ ধৰিছোঁ। এই দুজনী ছোৱালী উলিয়াব পাৰিলে অসমীয়া নৃত্যৰ সম্মান বাঢ়িব ধুৰুপ।"

"টকা?"

"সেয়েতো সমস্যা এতিয়া। ভাবিলো শিলঙতে চেষ্টা কৰি চাওঁ, পিচে চৰকাৰেনো আৰু ছোৱালী নচুৱাবলৈ টকা দিবনে? অথচ আন হাতে দেশৰ আৰ্ট-কালচাৰ সকলো ৰসাতললৈ গ'ল!"

তাৰ খোলা মুখখনত বিৰক্তিৰ আভাস। মই কলোঁ, "ময়ো ছোৱালী এজনী পাইছোঁ। অপূৰ্ব কণ্ঠস্বৰ, কিযে গাব পাৰে!"

"তেনে বঢ়িয়া কথা। লোৱানা সেইজনীকো। কি ছোৱালী? ক'ৰ ছোৱালী?"

"বঙালী ছোৱালী, গৌৰীপুৰৰ।"

"বঙালী ছোৱালী, তেনে আৰু কি লাগে? বঙালী ছোৱালী বেচ বসাল হয়।"

তাৰ মন্তব্যটো ভাল নালাগিল যদিও হাঁহি কলোঁ, "পিছে ছোৱালীজনী এবেলি মাথোন লগ পাইছিলোঁ। সিও তিনিমাহমান আগেয়ে, সামান্য চিনাকি—" মই কি কম ভাবোঁ। ক'বলৈনো কি আছে।

"পিছে আনিব পাৰিবা নে নোৱাৰিবা?" তাৰ চকুত আগ্ৰহ। মুখৰ দীঘল চুলিবোৰ মেল খাইছে।

অকস্মাৎ জেপত থকা চিঠিখনৰ কথা মনত পৰে। তাৰ উত্তৰ নিদি চিঠিখন উলিয়াওঁ। নীলিমাৰ চিঠি! মোৰ মুখত জিলিকি থকা আনন্দৰ ভাব দেখি সি হাত মেলে, "চাওঁ কাৰ চিঠি।"

"ৰ'বা!" মই পঢ়োঁ, পঢ়ি গোটেই শৰীৰটোতে এটি শিহৰণ অনুভৱ কৰোঁ। এইখনতো সামান্য চিনাকি মানুহলৈ লিখাৰ দৰে লিখা চিঠি নহয়, যেন বহুদিনৰ সংগীয়া মানুহ এজনলৈ বিশ্বাসৰ লৈতে অন্তৰৰ বাৰ্তা জনাই পঠিওৱা দূত। সংযত ৰচনা, অথচ তাৰ ভিতৰেদি প্ৰকাশ পাইছে আন্তৰিকতা আৰু

সৌহাৰ্দ্যৰ ভাৱ। নীলিমাই মেট্ৰিক পাছ কৰি গুৱাহাটীলৈ পঢ়িবলৈ আহিছে, ভিনদেৱেকে সকলো খৰছ বহন কৰিছে। মোলৈ বোলে হঠাৎ মনত পৰিল। কি জানি গুৱাহাটীত লগ পায়েই। মোক হেনো পাহৰিব পৰা নাই। মোক লগ পাবনে ?

চিঠিখন ৰবীনকুমাৰক আগবঢ়াই দিলোঁ; কলোঁ, "চোৱা, জীৱনত এনে চিঠি এয়ে প্ৰথম ; এতিয়াই যে কৈছিলোঁ, সেই ছোৱালীজনীৰ পৰা।"

সি মিচিক্‌কৈ হাঁহি সোধে, "খুব ভাল লাগিছে, নহয় ? কাকিয়াদ খাবা ?"

"খাম", মই জোৰেৰে কলোঁ : "আজি ইমান ভাল লাগিছে যে মদ মুখত দিবলৈ অমান্তি নহওঁ।"

পৰিচাৰিকা এজনীয়ে কাকিয়াদ দি গ'ল। ৰবীনকুমাৰে গিলাচটোত ওঁঠ লগাই অকণমান ভিতৰলৈ নিলে। মই একেঢোকাই গোটেইখিনি পি পেলালোঁ।

"হেই কি কৰিছা ? তেনেকৈ খালে মৰিবা।"

"কিয় ?"

"বুকু চম্‌চমাই যাব, গা বেয়া লাগিব—"

"আজি মোৰ গা ইমান ভাল লাগিছে, অকমান বেয়া লাগিলেই বা ?"

আকৌ কাকিয়াদ আহে। দি যোৱা খাচীয়াজনীয়ে মৃদু হাঁহি আঁতৰি যায়। তাইৰ চাপে খেমালি কৰিবৰ মন। "ইহঁতৰ কঁকালবোৰ কেনে শকত," ৰবীনে মন্তব্য কৰে।

কাকিয়াদে মূৰত ধৰে, কথা কবলৈ মন যায়। বাহিৰৰ পৰা যিমানেই বৰষুণৰ জিপ জিপ শব্দ আহিছে, তিমানেই চিঞৰিবৰ মন যায়। ৰবীনে থিৰ চকুৰে মোলৈ চাই থাকে। "মোক এতিয়াও ধৰা নাই," মই কওঁ।

সি হাঁহে, কয়, "তুমি এতিয়াও ল'ৰা মানুহৰ নিচিনা।"

"ল'ৰা ? চিৰকাল ল'ৰা হৈ থাকিবা, তেন্তে জীয়াই থকা সাৰ্থক হব। শিল্পীৰ কি ডেকা-বুঢ়া, শিল্পী চিৰকাল ল'ৰাৰ দৰে সজীৱ, হাঁহি মুখৰ—"

সি খেক্‌খেক্‌কৈ হাঁহি কয়, "খাছীয়া কান্‌খেই বিচাৰি যাবানে কি ? এবে অন্ধকাৰত বেচ ভাল লাগিব।"

"তাৰ কাৰণেওতো পইচা লাগে। ৰবা। তুমি যদি টকাৰ কাৰণে শিলঘাটৰ বালিত পিয়াজৰ খেতি কৰিব পাৰা—টকাৰ কাৰণে, মোক হাঁহিবা কিয় ? টকা লাগে ; টকা নহলে আৰ্ট নচলে সঁচা ; কিন্তু যি দেশত খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, সেই দেশত কোনে ৰবগুনি দি ছোৱালী নচুৱাব, কোনে গান গোৱাব ? প্ৰেৰণা আহিব লাগিব তলৰ পৰা, বাইজৰ মাজৰ পৰা, বুজিছা ? তোমাৰ আমাৰ দৰে ভাত ত্ৰমুঠি খাই থাকিব পৰা ডেকাৰ আৰ্ট চৰ্চা এক বিলাস, পাপ !"

সি মোৰ মুখলৈ আচৰিত ভাবে চায়। কয়, "তোমাক ৰবকৈ ধৰিছে হৰপায়, উৎপল ?"

"নাই ধৰা," মই জোৰেৰে কওঁ। "নাই ধৰা। শুনা, মভৰা-নিচিন্তাকৈ একোকে নকওঁ। যৌৱনৰ দুৱাৰদলিত থিয় দি থকা নাই—তাৰ মাৰলত সোমাই লৈছোঁ। সেই কাৰণে কৈশোৰৰ সীমা পাৰ হওঁ হওঁ অৱস্থাত যি শিহৰণ অনুভৱ কৰিছিলোঁ, মোৰ অৱস্থিতিৰ বিষয়ে যি দৰে সজাগ হৈছিলোঁ, পৃথিৱীৰ ৰূপ-স্পৰ্শৰ যি অভিনৱ উপলব্ধি হৈছিল—বিৰাট সংসাৰখন চকুৰ আগত লৈ সেই সংসাৰত মোৰ সত্তা বিলীন কৰিবলৈ—সেই সংসাৰ ভাঙি মোহাৰি মোৰ তেজৰ সৈতে মিহলাই ধমনীয়ে ধমনীয়ে বোৱাবলৈ—এবা, সেই কৈশোৰ আৰু যৌৱনৰ দোমোজাত যি তীব্ৰ ভাৱে, সজাগ ভাৱে, শহাকণীয়া হৈ, জীয়াই থাকিবলৈ, নিজস্ব ভাৱে সকলো কথাৰ ভু লবলৈ, যি এটা ধাউতি হৈছিল সেই অৱস্থা পাৰ হৈ অহা যেন লাগে। সংসাৰৰ প্ৰতি মোৰ যি দৃষ্টি তাত এতিয়া অনভিজ্ঞ আবিষ্কাৰকৰ বিস্ময় নিজিলিকে ; তাত এতিয়া যি পোহৰ· সেই পোহৰত অকস্মাৎ জ্বলি উঠা চাকিৰ দৰে চাঞ্চল্য নাই, আছে স্থিৰতা, ভৱিষ্যতৰ আঁৰকাপোৰ ভেদিবলৈ এটি স্থিৰ প্ৰয়াস। সপোনৰ আৱেগ !—"

"হেৰা, তুমি কিতাপ নিলিখা কিয় ? তোমাৰ দৰে—"

মোৰ খং উঠে। "শুনি যোৱাচোন, কেনেই মাত লামি কৰিছা ? হাঁহিছা কিয় ? আৱেগ হয়তো আছে, কিন্তু সি অলীক মোহজালৰ আৱেগ নহয়,

পৰিচিত আৰু দিনে দিনে সলনি হ'ব ধৰা সংসাৰে যি এটা বোধ দিছে তাৰহে কল্পনা ; সেই কাৰণেই কৈছোঁ, বৰঙনিৰ ওপৰত তোমাৰ আৰ্ট নচলিব ; গোটেই সমাজে—গোটেইখন গাওঁ বা চহৰে যেতিয়ালৈকে একেলগে নাচোঁ বা গাওঁ বুলি উঠিব, তেতিয়ালৈকে তুমি যোৱা শিলঘাটৰ বালিলৈ আৰু মই বিচাৰি ফুৰোঁ চাকৰি !”

মই একেবাৰেহে কৈ গৈ অলপ থৰ লাগোঁ। চকুৰে ধোঁৱা ধোঁৱা দেখিছোঁ। তথাপি কওঁ, “বুজিছা ভাই, তুমি খং নাখাবা ; বৰ্তমান সময়ত আৰ্ট অচল, লিখা-পঢ়া অচল—”

“ৰাজনীতিত ধৰিলেই লাভ যেন পাইছোঁ,” সি লাহেকৈ কয়। মই মনে মনে থাকোঁ। মোৰ চকুৰ ধোঁৱা-ধোঁৱা ভাব আঁতৰিব ধৰিছে, গাটোও বেচ ভাল লাগিছিল।

তাৰপৰা ওলাওঁতে ৰাতি যথেষ্ট হ'ল। ৰবীনকুমাৰক পুলিচবজাৰৰ হোটেল এটাত থৈ মই অকলে লাবানলৈ খোজ ললোঁ। নীলিমাৰ কথা মনত পৰিল। চিঠিখন আকৌ এবেলি পঢ়ি ললোঁ বাটৰ চাকিৰ পোহৰত। বাটত মানুহ-দুনুহ নাই। ডুই এটোপাল বৰষুণ পৰিয়ে আছে। মনত অপাৰ আনন্দ। আন্ধাৰ বাটেদি যেতিয়া যাবলৈ ধৰিলোঁ, তেতিয়া মোৰ খোজ আপোনা-আপুনি ক্ষিপ্ৰ হ'ল। ভবি দুখনেই যে আগ নাবাঢ়িল এনে নহয়, শৰীৰৰ প্ৰতি ধমনীয়েদি তেজৰ সোঁত বেগেৰে বলে ; মাংসপেশীবিলাক সজাগ হ'ল ; শৰীৰত দুৰ্বাৰ শক্তি সঞ্চাৰিল, আৰু দৃষ্টি ধীৰ স্থিৰ হৈ সমুখৰ আন্ধাৰ ভেদ কৰি দূৰলৈ গ'ল ; সেই দৃষ্টিৰ সমুখৰ আন্ধাৰ দুফাল হৈ কাষত থিয় হৈ থকা—যেন কাৰোবাৰ প্ৰতীক্ষাত উৎকৰ্ণ হৈ থিয় হৈ থকা—ক'লা সৰল গছবিলাকৰ গুৰিত থুপ খালেগৈ। মোৰ তেতিয়া বং ধেমালিত যি উলাহ পোৱা যায় সেই উলাহ নাছিল, শৰীৰটো যেন খহি পৰিছিল আৰু ভিতৰত থকা আত্মাটোহে যেন সতেজ হৈ ওলাই আহিছিল।...

যেতিয়া ঘৰ পালোঁগৈ দেখিলোঁ চ'ৰা ঘৰত এজন ভদ্ৰলোক, আলহী। জোৰহাটৰ পৰা আহিছে। তেওঁক শিষ্টাচাৰ দেখুৱাই কথোপকথনৰ অৱতাৰণা

ভেই নিজৰ খোটালী পাওঁগে মানে মোৰ মনৰ আনন্দ বহুত তললৈ নামিল। ইলেকট্ৰিক লাইটৰ গৰম নিলাজ পোহৰে বাহিৰৰ সংসাৰখনহে উজলাব পাৰে, ভিতৰখন ঢাকি থৈ। ভাবিছিলোঁ। তপতে তপতে গৈ নীলিমালৈ চিঠি এখন লিখিম, মোৰ অন্তৰৰ ভাববিলাক উবুৰিয়াই দিম, কিন্তু বাইদেউৰ লগত দিনটোৰ বজাৰৰ হিচাব চৰ্চা কৰোঁতে আৰু চেঁচা ভাত গিলোঁতে যি ভাগৰ তাৰ হেঁচাতে কলম লোৱা আৰু নহ'ল। বিছনাত পৰিলত ক'লা ডাৱৰৰ দৰে মনৰ আকাশত নৈৰাশ্যপূৰ্ণ ভাৱবোৰে আমনি লগাব ধৰিলে।

॥ ৩ ॥

বাইদেউ মোৰ বিয়াৰ কাৰণে ৰৰকৈ উচপিচাই আছে। নবেশ্বৰ শইকীয়া গুৰ্থ খাপৰ বিষয়া, তেওঁৰ ছোৱালী এজনী দিবৰ হৈছে, বাউদেউৰ আগত হেনো ছোৱালীজনীৰ মাকে মোৰ কথা উন্নুকিয়াইছেও। মই যিমান দূৰ জানো শইকীয়াই অৱশ্যে পাৰোঁতে মোক ছোৱালী নিদিয়ে। ববশীত ডাঙৰ মাছ নপৰিলে শেহত মোৰ নিচিনা সৰু মাছকে তুলিব, কিন্তু তাৰ আগতে চাই লবতো লাগে। সাংসাৰিক বেপাৰৰ লাভ লোকচান বুজা মধ্যবিত্ত শ্ৰেণীৰ পিতৃ, এনেস্থলত ৰমলা আইদেউক মোৰ হাতত দিয়াৰ আগতে দুবাৰ ভাবি চাব লাগিব। শইকীয়া আৰু ঘৈণীয়েকৰ ৰমলাক লৈ বাক-বিতণ্ডা হৈয়ে থাকে। তাৰ ৰিপোৰ্ট মই ভালকৈয়ে পাওঁ, যদিও বাইদেউৰ আগত একো মুলিয়াওঁ। ৰমলাৰ ককায়েক প্ৰবীণ মোৰ ভাল বন্ধু, সি তাৰ ঘৰৰ কথা প্ৰায়বোৰেই মোক কয়। তাৰ কাম-কাজ একো নাই কাৰণে বন্ধু-বান্ধৱৰ ঘৰত আড্ডা দিয়াটোকেই সি ঘাই কাম কৰি লৈছিল।

প্ৰবীণৰ ৰিপোৰ্ট মতে এদিনৰ ঘটনা এনে।

মাকে ৰমলাক সূতা লব দিছিল হৰপায়, পিছে ছোৱালীৰ মুখত গানৰ সুৰ শুনি সন্দেহ কৰি মাত দিলে, "ৰমলা, সূতা লৈছনে কি কৰিছ?"

"সূতা লৈছোঁ মা, আৰু অলপ আছে।" ভিতৰত পৰা তাই সমিধাৰ দিয়ে।

'এনেতে শইকীয়া হুৰমুৰাই সোমাই আহে। ঘৈণীয়েকে উচাপ খাই কৈ উঠে, "অলপ লাহে-ধীৰে সোমাবচোন, এনেকৈনো পচোৱা বতাহ অহা দি—"

"উঃ তোমাৰ যে মুখখন! এই ৰ'দে ৰবমুণে তোমাৰ ছোৱালীৰ কাৰণে দৰা বিচাৰি ফুৰিছোঁ—মাথোন দৰা, মাথোন দৰা; তাই দুদিন ঘৰত থাকিলেই বা, তাতেনো কি হ'ল? সেই বুলি এইদৰে হাবাথুৰি খাই ফুৰিব পাৰিনে?"

বেচেৰাই বঙা খোপোকা মুখখন কমালেৰে মচি ললে। সেই জাৰৰ দিনতো তেওঁৰ ঘাম ওলাইছে।

শইকীয়ানীয়ে চকু মুখ বোপা কৰি সমিধান দিলে, "নিজৰ ছোৱালীক বিয়া দিব নোৱাৰে, মোৰ কি হ'ল? মতা মানুহতো একো নাভাবেই, ডাঙৰ ছোৱালী ঘৰত থাকিলে কিমানে কিমান কি কয়।"

"তোমালোকৰ কাৰণেই আমাৰ দুৰ্গতিৰ সীমা নাইকিয়া হ'ল।"

"বাৰু বাৰু, অলপ জিৰাই লওক।" ভিতৰলৈ মুখ কৰি, "ৰমলা, চাহ একাপ কৰি আনচোন।" তাৰ পাছত মাত অলপ কোমল কৰি সোধে, "পিছে বৰুৱাহঁতৰ ঘৰলৈ গৈছিল নে নাই? কি ক'লেনো বাৰু?"

"কিনো যাবাহে, ল'ৰাজনে মৰাপাট নে কিহবাৰ কাৰবাৰ অলপ কৰিছিল। এতিয়া টিঘিল্‌ঘিলাই আছে, চাকৰি-বাকৰিও কৰিব নোখোজে।"

"সেইবুলি শুৱনি ল'ৰা। ঘৰৰ অৱস্থাও তেনেই বেয়া নহয়। গ্ৰেজুৱেট ল'ৰা, চাকৰি পাওঁতেনো কিমান বেলি। তাহাঁতৰ মনো চাগে মিলিগৈছেঁতেন। ৰমলা তেওঁলোকৰ তালৈ গৈয়ে থাকে।"

"কি কৈছা? মন মিলিলহেঁতেন?" তেওঁৰ মুৰ গৰম হ'লেই। "মোৰ ছোৱালী, তাইক মোৰ যতে ইচ্ছা ত'তে দিম, তাইৰ আকৌ মনটো ক'ৰপৰা আহিল? আমি তাইৰ কিবা অহিত চিন্তিমনে?"

"নহয়, অকল টকাৰেইতো নহয়, মনৰ কথাও জানো চাব নালাগে?" তেওঁৰ সুশ্ৰী মুখখনত অলপ চিন্তাৰ ডাৱৰ।

"সেইবোৰ খোৱা, তোমালোকে লিখা-পঢ়া শিকি গছত গৰু উঠা কথাবোৰ চিন্তা কৰিবলৈ শিকিলা—মই তোমাক বিয়া কৰাওঁতে তোমাৰ মনটোৰ কোনোবাই খবৰ কৰিছিলনে?"

শইকীয়ানীয়ে তলমুৰকৈ ভৰিৰ আঙুলিৰে মজিয়াত আঁক দিবলৈ ধৰে। তেওঁৰ মনত খেলালে—তেওঁৰোতো মন এটা আছে, তাৰ খবৰ যে কোনোবাই ৰখাকৈ ৰাখে এনে ভৰসা তেওঁৰ নাই। দিনবোৰতো গ'লেই, আৰু নো কিমান দিন জীয়াই থাকিব।

গিৰিয়েকে তেওঁৰ মুখলৈ কন্তেক চাই মাত দিলে, "হেৰা—"

"কি ?"

"মই আৰু এজনৰ কথা ভাবিছোঁ।"

"কাৰ মুৰনো ভাবিছে ?" তেওঁৰ মনত অসন্তোষৰ ভাব।

"কিয়, আমাৰ জনাৰ্দন ঠিকাদাৰৰ ল'ৰা কিৰণচন্দ্ৰ—" তেওঁৰ চকুত অলপ আশাৰ বেঙনি।

"কিৰণে দেখোন আই-এটোকে পাছ কৰিব নোৱাৰিলে, আমাৰ ছোৱালী আকৌ আই-এ পাছ।"

"তাতেনো কি হ'ল ? মই-জানো আই-এ পাছ কৰিছোঁ ? বুজিছা—বুজিছা, টকাহে পৰম বস্তু। টকা নহলে ঘৰ-সংসাৰ সকলো মিছা। দেখা নাইনে আজিকালি কিমান ডিবোতাই মিলিটেৰিৰ লগ লৈছেগৈ ?"

"বাক, বাক, সেইবোৰ অনাচাৰী কথা উলিয়াব নালাগে। যি ভাল বুজে কৰক।"

শইকীয়াই হাঁহি কয়, "ঠিকাদাৰৰ ল'ৰা নালাগে যদি ব্লেকমাৰ্কেটিং কৰা মানুহ লাগেনে ? সৌ ৰবীন উকীল যে, তেওঁ হেনো কাছাৰীৰ ব্যৱসায় অচল দেখি চোৰাং বজাৰত ধৰিছে ; বেচ দুপইচা কৰিছেও, মটৰ দুখন অনবৰত দৌৰিছেই।"

"এৰা, লোকৰ হৈছে, হবই লাগিছে, আমাৰহে—" শইকীয়ানীয়ে হুমুনিয়াহ এটি এৰে। "যি একেটি ল'ৰা সিও হ'ল ধুৰন্ধৰ, টকা-পইচা যে আৰ্জিব লাগে এনে জ্ঞান নাই।"

"কেলেই, নিজৰ মটৰগাড়ীখন নহ'ল দেখি বেজাৰ পাইছা-নে কি ? ৰবা—চোৱা, সৌ সাগৰৰ সিপাৰৰ পৰা কমিউনিজম আহিব লাগিছে, ঘৰে ঘৰে গাড়ী একোখন হব।"

"চুপাতিখন এৰক এতিয়া। অ' আপোনাক বৰঠাকুৰে মাতি পঠিয়াইছিল।"

"এহ, কোৱা নাই কিয় ?"

"কিয়নো মাতিছে, তাৰা খেলিবলৈকেহে। এই বুঢ়া-কেইটাৰ আৰু কাম কাজ নাই।"

শইকীয়া ওলাই যায় আৰু হোৱালীৰ পিতৃ-মাতৃৰ খবিয়ালৰ তিতানতে সামৰণি পৰে। প্ৰবীণে মাক-দেউতাকৰ এনেবোৰ খবিয়াল বৰ্ণনা কৰাত বেচ আগ্ৰহ দেখুৱায়। সি উদাৰ প্ৰকৃতিৰ মানুহ, আপোন-পৰ আটাইবে কথা সমানভাৱে কৈ যাব পাৰে, মাথোন নিজৰ কীৰ্ত্তিবোৰৰ বৰ্ণনা কৰোঁতে সি আৰু অলপ মুকলিভাবে কব পাৰে। সি মোক খোলাখুলিকৈয়ে কয়, "তই ভাই, ৰমলাক বিয়া নকৰাবি।"

মই মৃদু বিস্ময়ত সোধোঁ, "কিয়! তই নিজৰ ভনীয়েৰৰ বিষয়ে তেনেকৈ কৰনে?"

"নহয় চা, ভাইৰনো বয়স কিমান? বিয়াৰ বয়স বৰং মোৰ হৈছে। মাইঁতে মোক দেখিব নোৱাৰে। মোৰ কথা তেওঁলোকে ভাবিব নাজানে। কোনোবাদিনা খাচীয়ানী এজনী ঘৰ সুমুৱাম, বাপেকে পাব মজা তেতিয়া।" তাৰ চকুত দুষ্টামিৰ হাঁহি, দুষ্টামিৰ ভাবত তাৰ খোপোকা নাকটোও জিলিকিছে।

মই তাক কওঁ, "আচ্ছা তইঁতৰ দেখোন ৰবঠাকুৰৰ লগত বৰ ভাব, তই এটা চাকৰি-তাকৰি যোগাৰ কৰি লব পৰা নাইনে? ৰবঠাকুৰ দেশৰ ধৰণী, তেওঁ কৰিব নোৱাৰা কি আছে?"

"কিনো কৰি ভাই, ৰবঠাকুৰে মোক তেওঁৰ জীয়েকৰ টিউচনীটো দিব পাৰে, তেতিয়াও মাহৰ মূৰত বানচকেৰা দিয়ে নে নিদিয়ে সন্দেহ, যিহে চিকটা। দেশৰ কাৰণে ত্যাগ কৰি কৰি এতিয়া তাৰ ক্ষতিপূৰণত লাগিছে যেতিয়া তোৰ-মোৰ দৰে মানুহৰ মুখলৈ চাবলৈ তেওঁৰ আহৰি ক'ত?"

মই মনে মনে থাকোঁ। প্ৰবীণ অকামিলা যদিও তাৰ কথাবিলাক দলিয়াই পেলাবলগীয়া নহয়। তাৰ কথা ভাবি চালে অলপ বেয়াও লাগে। মোৰোতো প্ৰায় একে অৱস্থা। মনত ভাব হয় শেহত চাকৰিকে কৰিব লাগিবনে কি!

চাকৰিৰ চেষ্টা কৰাৰ আগেয়ে অন্ততঃ গুৱাহাটীৰ পৰা আহিব লাগিব— নীলিমাক চাই। হোৱালীজনীৰ ছবিটো মনত ভাহে।

প্ৰবীণে সোধে, "আচ্ছা ভাই, তই কেতিয়াবা প্ৰেমত পৰিছনে?"

মই একো নকওঁ, মাথোন হাঁহোঁ। সেই দিনা মাথোন নীলিমাৰ চিঠি



কৈঃ পাঃ কঃ—২

পাইছোঁ, মোক মাতি পঠিয়াইছে। মনত এনে সজীৱ বিষয় এটা লৈ তাৰ ওপৰত জানো যাৰে-তাৰে লগত আলোচনা চলাব পাৰি? নীলিমাৰ চিন্তা মই অকলেই কৰিম, তাৰ ভাগ আনক নিদিওঁ।

প্ৰবীণে আকৌ ৰবঠাকুৰৰ কথা উলিয়ায়। সি এদিন দুপৰীয়া গৈছিল নিমন্ত্ৰণ ৰাখিবলৈ। কিবা এটা কাৰণত তাহাঁতক ভাত খাব মাতিছিল। সি পালেগৈ, কিন্তু তেতিয়াও খাবলৈ পলম আছে। সি চ'ৰা ঘৰতে ছবি থকা কাগজ এখনৰ পাত লুটিয়াই আছে। ৰবঠাকুৰে তেওঁৰ সৰু অফিচ কমটোত বহি বাতৰি কাকত পঢ়িছে। দূৰৈৰ পৰা ৰতাহৰ চালত সংকীৰ্তনৰ সুৰ ভাঁহি আহিছে। ৰাস্তাত খাটীয়া ল'ৰা-ছোৱালী কেইটামানে চিঞৰ-বাখৰ কৰি খেলি আছে। ঘড়ীত ঢং ঢং কৰি বাৰ বাজিল। তাৰ ভোক লাগিছে আৰু অকলে অকলে বহি আমনিও লাগিছে। সংকীৰ্তনৰ সুৰ ওচৰ চাপিছে। সি মাজে মাজে খিৰিকী এখনেৰে ৰবঠাকুৰে কি কৰিছে চায়। এনেতে বাহিৰত পদুলি-মুখত মগনীয়াৰ এটিয়ে কাতৰ কণ্ঠে চিঞৰিলে—"দেউতা! ভিক্ষা দিয়ক। দুপৰীয়া আহিছোঁ, চাউল এমুঠি—"

তেনে সময়তে কেইজনমান গেৰুৱা বসনধাৰী বঙালী ডেকাৰ হাৰমনিয়াম আৰু গানৰ সুৰে দুপৰীয়াৰ ভিখাৰীৰ ক্ষীণ মিনতি বুৰাই পেলালে।

ৰবঠাকুৰ ব্যগ্ৰভাৱে চোতাললৈ নামি আহিল। 'নাৰীত্ৰাণ সমিতি' বুলি ডাঙৰ ডাঙৰকৈ লিখা আখৰেৰে কাঠৰ কলা এটুকুৰা বাঁহৰ আগত নচুৱাই নচুৱাই ডেকাকেইজনে আশ্ৰয়হীনা, লাঞ্ছিতা নাৰীৰ সহায়ৰ অৰ্থে ধনগুনি বিচাৰি আহিছে। এজনে এটা বহী আগ বঢ়াই দিলে। আনকেইজনে মা-মা কৰি মাতৃজাতিৰ দুৰ্দশা বৰ্ণনা কৰি সুৰজালৰ সৃষ্টি কৰিলে। মুমূৰ্ষু মানুহৰ ভিতিভ টেপা মাৰি বাকবোধ কৰাৰ দৰে নাৰীত্ৰাণ সমিতিৰ চিঞৰে নিছলা ভিখাৰীৰ—দেউতা—দেউতা—কাকুতি তল পেলালে।

ৰবঠাকুৰ তন্ময়চিত্তে ডেকাইজৰ হৃদয় জ্বালনী এখন লৈ পঢ়িবলৈ ধৰিলে। তেওঁৰ মনত চাগৈ মাতৃসকলৰ দুৰ্দশাৰ ছবি—দুৰ্বৃত্তৰ অত্যাচাৰ, ধৰ্ষণ, বিধৱাৰ যাতনা, ইত্যাদি ইত্যাদি। তাহাঁতে টকা দহটা লৈ বিদায় ললে।

"দেউতা, বাতিপুৱাৰে পৰা পেটত ভাত এমুঠি পৰা নাই। দেউতা ঈশ্বৰৰ জয়-জয় ময়-ময় হ'ক। চাউল এমুঠি—" তাৰ লোতোৰা মুখখনত প্ৰাৰ্থনাৰ ছাঁ।

ৰবঠাকুৰ ভাবত বিভোৰ। দেশৰ দুৰ্গতিৰ ছবিয়ে তেওঁৰ মন শাওনৰ আকাশৰ দৰে ভাৰবীয়া কৰি তুলিলে।

ভিখাৰীটোৰে চিঞৰিলে, "আই, এবেলা বহিলোঁ—"

ৰবঠাকুৰৰ চিন্তাৰ আঁতডাল ছিগিল। গভীৰ বিৰক্তিত কৈ উঠিল, "এই মগনীয়াবোৰ যে—কটা জুৱাচোৰহঁত! সময় নাই, অসময় নাই, খালি ভিক্ষা ভিক্ষা কৰি ফুৰিব। দেউতা আইহঁতৰ যে সময়ৰ মূল্য আছে কি বুজিব ভিকছু-হঁতে! এই খাব নোপোৱা মগনীয়াৰ একোটাইনো কেনেকৈ শ্বিলং পায়হি?"

তেওঁ তাক ডবিয়াই চুকিয়াই আঁতৰ হবলৈ ক'লে।

সি কাকুতি কৰিলে, "দেউতা কালিৰে পৰা পেটত একো পৰা নাই, পুৱাৰ পৰা ঘূৰি ফুৰিছোঁ—"

"নাই নাই, যা!"

সি আকৌ কাবৌ কৰে, ৰবঠাকুৰে বিৰক্তিত চিঞৰে, "হেৰ মনবাহাদুৰ! মনবাহাদুৰ! ইয়াক বাহিৰ কৰি দে—"

সি বেচেৰাই কথা বিষম দেখি ফটা জোলোঙাখন কোঁচাই লৈ এখুজি দুখুজিকৈ আঁতৰ হবৰ চেষ্টা কৰে। তাৰ ওঠত লাগিয়ে থাকে—"দেউতা, চাউল এমুঠি—"

প্ৰবীণে কিবাকিবি ভাবি সি ওলাই যোৱা চাই থাকে। ক'ৰ কলিকতীয়া নাৰীত্ৰাণ সমিতি আৰু অনাথ আশ্ৰম···আৰু পদূলিমুখৰ—দেউতা, এমুঠি চাউল। মনটো কেনেবা লাগিল।

ৰবঠাকুৰে গহীনাই প্ৰবীণ বহা খোটালীটোলৈ আহি মন্তব্য কৰিলে, "প্ৰবীণ বাপা, দেশৰ সমস্যা দিনে দিনে বাঢ়িছে যাব লাগিছে। চাৰিওফালে ধৰ্মঘট, নাৰীধৰ্ষণ, দুৰ্ভিক্ষ—কি যে দিন হ'ল। মাইকী মানুহবোৰৰ অৱস্থা ভাবিলে যে বেজাৰেই লাগে—"

প্ৰবীণ আৰু বৰ নোৱাৰিলে, তাৰ মুখৰ পৰা ওলাই প'ল, "অৰ, লাহেলে,

মাইকী মানুহৰ দুৰৱস্থা—মাতৃজাতিৰ দুৰ্গতি·· আঃ! পিছে এটা কথা নহয়, আপোনালোকে দেখোন আজিকালি সমস্যা সমাধানৰ কাৰণে একোজনকৈ বিশেষ বিষয়া নিযুক্ত কৰে, মাতৃজাতিৰ দুৰ্গতিৰ বিষয়ে বিশেষ অনুসন্ধান কৰিবলৈ তেনে এজন বিষয়া নলয় কিয়?"

তেওঁ তাৰ মুখলৈ অলপ আচৰিত হৈ চায়। সি কৈ যায়, "হয়, এজন স্পেচিয়েল অফিচাৰ নিযুক্ত কৰক। মোকে নিযুক্ত কৰিব পাৰে। মই গ্ৰেজুৱেট আৰু তাৰ উপৰি মাইকী মানুহ সম্পৰ্কে মোৰ বিশেষ অভিজ্ঞতাও আছে। দৰমহা মোক পাঁচশ মানকৈ দিলেই হব—"

বৰঠাকুৰে তাৰ ফালে উৎকট ধৰণৰ দৃষ্টি এটা নিক্ষেপ কৰি ওলাই গ'ল।

তাৰ পাছত প্ৰবীণে তিনিমাহমানলৈ বৰঠাকুৰক দেখা দিয়া নাই। সি মোক হাঁহি কয়, "দেখিছ ভাই, বৰঠাকুৰেনো আৰু মোক চাকৰি দিবনে?"

বাইদেউক কলোঁ, "গুৱাহাটীত মোৰ কাম আছে, দুদিনমানৰ কাৰণে যাওঁ।"

তেওঁ প্ৰশ্ন কৰিলে, "তই চাকৰিৰ কাৰণে দৰ্খাস্ত কৰিলিনে—চেক্ৰেটেৰিয়েট অফিচত বোলে খালি আছে?"

"নাই, আহি কৰিম।"

"গুৱাহাটীলৈ যাৱনো কিয়? ঘৰত থাকিবলৈ ভাল নাপাৱ; মাটি-বাৰী চলাই দেউতাক সহায় কৰিব নোৱাৰিলি; ব্যৱসায় কৰিও যিটো কৰিলি গম পাইছোঁ, মাথোন ঘৰৰ টকা অলপ খাস্তাং কৰিলি। এনেকৈ ঘূৰি ফুৰিলে হয়নে?"

মোৰ খং উঠে—এই মাইকী মানুহবিলাক যে আৰু! আমি য'লৈকেই নাযাওঁ, যিয়েই নকৰোঁ, এওঁবিলাকৰ কি?

তেওঁ আকৌ উলিয়ায়, "তোৰ বিয়াখনো পাতিব লাগিছিল, মায়ে ঘৰৰ পৰা লিখি পঠিয়াইছে—"

মই তেওঁৰ মুখখন জপাবলৈ জোৰেৰেই কৈ পেলাওঁ, "বিয়া কৰাওঁ নকৰাওঁ পিচৰ কথা, অন্ততঃ ৰমলাক কৰাব নোৱাৰোঁ!" কথাষাৰ কৈয়ে মই ওলাই যাওঁ। খিলং এৰিলোঁ।

॥ ৪ ॥

ছাত্ৰীৰ বোৰ্ডিং পালোঁগৈ আবেলি। চুপাৰিণ্টেণ্ডেণ্টৰ খবৰ কৰিলত সৰু ল'ৰা এটি ওলাই আহিল। আঠ-নবছৰীয়া ল'ৰা, অতিপাত শেঁতা, চকু এটা জাপ খোৱা, মুখটো এফালে অলপ হলা। তাৰ গাটোত থিৰতা নাই, হাত ভুখন যেন ক'ব নোৱাৰাকৈয়ে গাৰ পৰা এৰি যাব খোজে। মোলৈ থোপাকৈ চাই সুধিলে, "কাক লাগে? কি লাগে?"

মই উত্তৰ নিদিয়াকৈ তাক লক্ষ্য কৰিলোঁ। সি চকী এখন বগৰাই দিলে। হুৰমূৰকৈ শব্দ হ'ল আৰু ভিতৰৰ পৰা তিৰোতা এগৰাকী ওলাই আহিল। তেওঁ ল'ৰাটিক ধমকি দি উঠিল, "মালা ভিতৰলৈ যা! চকীখন দিলে বগৰাই, ইয়াৰ পৰাযে আৰু!"

চকীখন তুলি থৈ তেওঁ মালাক ঠেলি ভিতৰলৈ পঠিয়াবলৈ যত্ন কৰিলে। মালাই তেওঁক এক থাপৰ মাৰি মুখ সিঞাৰি লৰ মাৰিলে।

"ইয়ে মোক বলিয়া কৰিব যেন পাইছোঁ," তেওঁ বিষাদমনে মোক ক'লে। "সৰুতে বেমাৰ হৈ তাৰ চকু এটা জাপ খালে আৰু স্নায়ুমণ্ডলীবো অলপ বিকাৰ হ'ল। তাৰ পাছত আৰু সি লগৰ ল'ৰা-ছোৱালীৰ লগ নালাগে, কাৰো লগত ভালকৈ মিলিব নোৱাৰে—"

"স্কুললৈ যায়নে?"

"স্কুললৈ জোৰ কৰিয়ে পঠিয়াইছোঁ। কিন্তু তাতো তাৰ তৰপি নাই, ইটো ভাঙিব সিটো ভাঙিব, আৰু মাৰিব তাক মাৰিব। কি যে কৰোঁ—" অলপ বৈ, "অ' আপোনাক চিনি পোৱা নাই, আপুনি কাবোবাক বিচাৰি আহিছেনে-কি?"

"হয়, মই বিচাৰিছিলোঁ নীলিমা চক্ৰবৰ্তীক, প্ৰথম বাৰ্ষিকৰ ছাত্ৰী।" তাই আছে বা নাই মোৰ বুকুত অলপ কঁপনি।

"নীলিমা—নীলিমা চক্ৰবৰ্তী, অ' হয়, পিছে ছোৱালীজনী নাই হৰপায়—"

"কিয়, ইয়াতে পঢ়ে নহয় ?"

"নহয়, দেউতাকৰ বেমাৰনে কি, কালি কোনোবাই লৈ গ'ল।"

মোৰ নৈৰাশ্যৰ ভাব মুখত ফুটি ওলাল চাগে। তেওঁ মোৰ মুখলৈ চাই সুধিলে, "আপুনি কি হয় তেওঁৰ ?"

"পিতৃবন্ধু," চমুকৈ কলোঁ। "ভাল, নমস্কাৰ।" মই ওলাই আহিলোঁ।

বাটত ভাবিলোঁ কি কৰা যায়। বেচেৰীক চাবলৈ ইমান হেঁপাহ কৰি আহিলোঁ, শেহত হ'লগৈ এই। ভবা-চিন্তা কৰি পেহীৰ ঘৰ পালোঁহি। সম্পৰ্কীয় পেহী এগৰাকীৰ ঘৰতে উঠিছিলোঁ।

ৰাতি ভাত খাবৰ সময়ত পেহীয়ে সুধিলে, "বোপাই, কিবা কামত আহিলি হ'বপায়। তোৰনো কাৰবাৰ এতিয়া কেনে চলিছে ?"

চমুকৈ মোৰ কাৰবাৰৰ আভাস এটা দিলোঁ। আভাসটো তেওঁৰ পচন্দৰ নহল যেন লাগিল। মই হাঁহি পাতলাই কলোঁ, "পেহী, জীৱনটোৱেই যে কাৰবাৰ, লাভ-লোকচানৰ হিচাব মৰিবৰ দিনাহে থিৰ কৰিব পাৰি।"

"পিচে মৰাৰ দিনলৈকে জানো ভাতৰ সংস্থান কৰিব নালাগে ? নিজৰ লগতে আনৰ মুখততো তুটি তুলি দিবৰ দৰ্কাৰ হয় ?"

"হয়, লেঠা সেইখিনিতহে। চাওঁচোন কি কৰিব পাৰোঁ! বাইদেৱেতো মোক চাকৰিতে ধৰিবৰ দিহা দিছে। মইহে গুণা-গাঁথা কৰি আছোঁ। আকৌ এবেলি ধুবুৰীৰ ফালে যাওঁনে কি—"

গৌৰীপুৰলৈ যাওঁ বুলি তেতিয়াও থিৰ কৰা নাছিলোঁ, কিন্তু মনৰ তলিৰ পৰা ভাবটো আহিল যেতিয়া সেইটোকে কৰা ভাল হব যেন লাগিল।

ধুবুৰীলৈ যাওঁতে বাটত পাণ্ডুত লগ পালো মাষ্টৰণী এগৰাকী—মিনতি চৌধুৰী। মিনতি মোৰ সহপাঠিনী আছিল আৰু বহুদিনৰ মূৰত লগ পাই মোক যেতিয়া অকস্মাৎ "ককাইদেউ, কলৈ ওলালে ?" বুলি সম্ভাষণ জনালে, মই আচৰিতেই হলোঁ। কিয়নো লগত পঢ়া ছোৱালীয়ে কাবোবাক ককাইদেউ বুলি মতা কথাটো অলপ একধৰণৰ লাগে।

"অ' ধুবুৰীলৈ যাওঁ। পিছে আপুনি ?"

"মোকনো আপুনি বুলিছে কিয় ?" তেওঁ বেঁকাকৈ হাঁহি অনুযোগ কৰিলে। লক্ষ্যটো ভাল নেদেখিলোঁ।

মিনতি দেখিবলৈ অশুৱনী নাছিল, এতিয়া বয়সৰ ভৰত আগ বয়সৰ প্ৰভা কমিল। অৱশ্যে তাৰ ক্ষতিপূৰণ প্ৰসাধনে কৰিবলৈ চেষ্টা কৰিছে। সম্ভৱ এতিয়াও বিয়াৰ জালত সোমাবলৈ সুযোগ পোৱা নাই।

মাইকী মানুহৰ—বিশেষকৈ অকণো সম্পৰ্ক নোহোৱা মাইকী মানুহৰ লগত বেলে জাহাজে যাব লাগিলে, অলপ অসুবিধা ভোগ কৰিব লাগে। এবেলি তেজপুৰলৈ বাচেৰে যাওঁতে দলংবোৰ পাৰ হওঁতে আগেয়ে নেদেখা মুগুনা তিবোতা এজনীৰ কাৰণে ছুপইচা-চাৰিপইচাৰ শুকবোৰো ভৰিবলগীয়া হৈছিলোঁ। সেই কাৰণে মিনতিয়ে মোক লক্ষিলত ভাল নাপালেও আপত্তি কৰিবৰ উপায় নাপাই মনে মনে থাকিলোঁ।

"আপুনি কি কৰিছে এতিয়া ?" বেলত মিনতিয়ে প্ৰশ্ন কৰিলে।

"কি কৰিব পাৰি তাৰ চেষ্টাতে আছোঁ," মই মিচিকিয়াই কওঁ।

"তাৰ মানে আপোনাৰ ঘৰৰ অৱস্থা ভাল, নহয় নে ?" মিনতিয়ে অলপ নিৰাশভাৱে মন্তব্য কৰে। হয়তো তাই নিজৰ জীৱনটো মোৰ লগত বিজাই চালে।

"নহয় নহয়, ঘৰৰ অৱস্থা অকণো ভাল নহয়। ধৰি লোৱা ময়ে অকামিলা, সেই কাৰণেই একো ইমান দিনে কৰিব পৰা নাই।"

"আপোনাৰ কথা মই এবেলি শ্বিলঙলৈ যাওঁতে প্ৰবীণ ককাইদেৱে কৈছিল। প্ৰবীণ ককাইদেৱে আপোনাক খুব শ্ৰদ্ধা কৰে।"

"কেতিয়া গৈছিলা শ্বিলঙলৈ ? অ' মই আপোনাক তুমি বুলিছোঁ।" মোৰ লাজ লাগে।

"ধেৎ কি কথা কয়। তুমি নুবুলি আৰু কি বুলিব! আপুনিও প্ৰবীণ ককাইদেউৰ দৰেহে।"

মই "বাৰু বাৰু" বুলি শলাগাৰ পিছত মিনতিয়ে ঘৰুৱা কথা আৰম্ভ কৰে, "দেউতাই পেঞ্চন পালে, আশী টকা মাথোন পায়। তাই জুতীও কৰ।

সিহঁতৰো পঢ়া-শুনাত মন নাই, সংঘ-সমিতি কৰি ঘূৰি ফুৰে। মইনো আৰু কি কৰোঁ। মাই ভাবিছিল সোনকালে বিয়া হৈ যাব। পিচে আজিকালি ইমান বয়সীয়া ছোৱালীৰ বিয়ানো সতকাই হয়নে? দেখিবলৈকেও জাকত জিলিকা হব নোৱাৰিলোঁ। শেহত যোৰহাটতে স্কুলত কাম পালোঁ। এবছৰ চাকৰি কৰিলোঁৱে। এতিয়া বদলি হৈ ধুবুৰীলৈ যাত্ৰা কৰিছোঁ। তালৈ গৈয়ো আৰু ক'ত থাকিম কি কৰিম কবই পৰা নাই—"

মোৰ শুনি অলপ বেজাৰ লাগিল। যুদ্ধৰ দিনৰ বজাৰ। মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন নিৰ্বাহ সঁচাকৈয়ে দুৰ্বহ। এই অৱস্থাত জীয়াই থাকিবলৈ যি সংগ্ৰাম চলে তাত সাহ আৰু ধৈৰ্য্যৰ চানেকি কম নোলায়। সুধিলোঁ, "তোমাৰ ঘৰলৈয়ো পইচা দিব লাগে নহয়?"

"নকব আৰু। মাইকী মানুহ হৈ মতা মানুহৰ কাম কৰিছোঁ। আপোনা-লোকৰ দৰে স্বাধীনচিতীয়া হৈ ফুৰিব পৰাহেঁতেন—"

"মোক ঠাট্টা কৰিছানে কি?"

তাই হাঁহে। হাঁহিটোত স্বাভাৱিকতা নাই যেন লাগিল। ভাবিলোঁ কথা কওঁতে সাৱধানে কব লাগিব, মিছাতে ছোৱালীজনীৰ মনত আঘাত দিওঁ কিয়।

"প্ৰবীণ তোমালোকৰ কিবা হয়নে কি?"

"অ' প্ৰবীণ ককাইদেউ মামীহঁতৰ ফালৰ পৰা অলপ সম্বন্ধীয়া হয়। প্ৰবীণ ককাইদেউ—" তাই অকস্মাৎ ৰৈ যায়। অলপ লাজকুৰীয়াকৈ হাঁহে, মই কিবা যেন বুজি উঠোঁ, কিন্তু একো নকওঁ।

অলপ হাঁহিবৰ চেষ্টা কৰি তাই আৰম্ভ কৰে, "মোৰ লগত এবেলি বিয়াৰেই কথা উঠিছিল, পিছে যেনিবা—"

ভাবিলোঁ সেই অকৰ্মণ্যটোক মাক-দেউতাকে পৰাপক্ষত বিয়া কৰোৱাই নিদিয়ে। সেই কাৰণেই চাগৈ বিয়াখন ভাগিল। "প্ৰবীণে কিবা এটা কাম-কাজ কৰাহেঁতেন," মই মাজতে কই থওঁ।

মিনতিয়ে ভ্ৰূক দাঙি অলপ সন্দেহৰ চকুৰে চাই সোধে, "আপুনি এই বিষয়ে কিবা জানেনে কি?"

"কি বিষয়ে ?"

"অৰ্থাৎ যে আমাৰ বিয়াৰ কথা চলিছিল আৰু বিয়াখন ভাগিল ?"

"ওঁহোঃ, একোকে নাজানো, সমূলি নাজানো" মই সঁচাকৈয়ে একো নাজানিছিলোঁ।

ধুবুৰী পালত তাই সোধে, "আপুনি ক'ত থাকিব, উৎপল ককাইদেউ ?"

"মই ইয়াত নাথাকোঁ, চিধা গৌৰীপুৰলৈ যাম, তাত মাৰোৱাৰী বন্ধু এজন আছে।"

আঙুলি কেইটা মোটোকাই মোটোকাই তাই ক'লে, "আপুনি গলে মোৰ বৰ মস্কিল হব, মোৰ ইয়াত চিনাকি মানুহ কোনো নাই।"

মোৰ পেটে পেটে খং উঠে। মইতো তেওঁৰ চেক্রেটেৰি হৈ অহা নাছিলোঁ। মোক নীৰৱ দেখি মিনতিয়ে করুণভাৱে আকৌ কয়, "আজি বৰ নোৱাৰে জানো, ককাইদেউ ? আজি ৰাতিটো কৰবাত থাকি কাইলৈ বাঁতিপুৰাই হেড্ মিচ্ ট্রেছক লগ ধৰি থকাৰ এটা দিহা কৰি লম। আজি হোটেল-টোটেল এটাতে—" মিনতিক লৈ মানুহৰ ঘৰত উঠিবলৈয়ো টান, কি-বা ভাৱে। অগত্যা উপায় নাপাই হোটেল এটালৈ যাত্রা কৰিলোঁ। কি নিৰুপায় এই মাইকী মানুহবোৰৰ পৰা।

ধুবুৰীত ভাল হোটেল আৰু ক'ত পাম। মা কামাখ্যাৰ দুৱাৰ মুখত গাৰীৰ পৰা নামিলোঁ। মেনেজাৰে দুয়োকে এবেলি ভালকৈ নিৰীক্ষণ কৰি মন্তব্য কৰিলে, "আপনাদেৰ চাই একটা কামৰা।"

মিনতিয়ে তলমূৰকৈ মিচিকিয়ালে, মই নিবোকাৰ দৰে ৰ' লাগি ৰলোঁ, মুখৰ পৰা মাত নোলাল। কম হেনো এটাতকৈ বেচি নাছিল। কিবা বেবেৰিবাং অৱস্থাত পৰিলোঁ।

সি যি নহওক ৰাতিটো পাৰ হ'ল, পিচদিনা ৰাতিপুৱা মিনতিক হেড্ মিচ্ ট্রেছক চমজাই দিলোঁ। মই যাবৰ সময়ত মিনতিয়ে চকু চলচলীয়া কৰি কাবৌ কৰিলে, "ককাইদেউ, উভতিবৰ সময়ত মোক মাত নলগোৱাকৈ নাযাবা। বৰ অকলশৰীয়া জীৱনত—" তাই মোক তুমি বুলি মাতিবলৈ আৰম্ভ কৰিলে।

গৌৰীপুৰত গিৰিধাৰীলালে মোক দেখি আচৰিতেই হ'ল, কিয়নো সি ভাবিছিল বিজনেছ আৰু মই নকৰোঁ। "মিঃ বৰুৱা, বেচ সুযোগ এটা পাইছোঁ, আকৌ একখুন্দা মাৰি চাবানে কি? কাঠৰ কাৰবাৰ—"

"ৰবা ভাই, আগে এটা খুন্দা আছে, সেইটো পাৰ হৈ লওঁ, তাৰ পিছতে কাঠৰ কাৰবাৰ।"

মই কিয় আহিছোঁ তাৰ আভাস সি পালে। সি কি ভাবিলে কব নোৱাৰোঁ। অৱশ্যে কাঠৰ কাৰবাৰত মোৰ ইচ্ছা আছে বুলি কবলৈ হেলা নকৰিলোঁ।

নীলিমাহঁতৰ ঘৰলৈ গৈ ভৰি দুখন কিবা সঙ্কোচত বৈ গ'ল। ঘৰখন অলপ নিজম হৈ থকা যেন লাগিল। বাহিৰত আন্ধাৰ। লাহেকৈ মাত দিলোঁ— "নীলিমা—" কোনেও শুশুনিলে হবপায়। অলপ পৰ গুণাগঁথা কৰি আকৌ মাত দিলোঁ, "ঘৰত কোন আছে?" এক মিনিটমানৰ পাছত হাতত লেম লৈ কোনোবা ওলাই আহিল। নীলিমাক চিনি পাই মাত লগালোঁ, "নীলিমা—"

"কোন? অ' আপুনি—কেতিয়া আহিল?" তাই অলপ হতভম্ব হলেও আনন্দৰ ভাব এটা মুখত বিৰিঙি উঠিল।

সুধিলোঁ, "পিতাৰাৰ বোলে অসুখ, কেনে পাইছে এতিয়া?"

মোৰ কথাৰ উত্তৰ নিদি ছোৱালীজনীয়ে মাথোন মোৰ মুখলৈ চাই থাকিল। তাইৰ মুখখনত অলপ শ্ৰান্তিৰ ভাব, কিন্তু ক'লা বহল চকুজুৰিত জেউতি, বেণীডাল ডিঙিত মেৰিওৱা, গাৰ কাপোৰ অলপ অসংযত।

"আহক ভিতৰলৈ, পিতাৰ অলপ ভাল এতিয়া।" তাই বাট দেখুৱাই লৈ গ'ল।

সাধাৰণ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ঘৰ। বস্তু-বাহানি মাথোন পৰিপাটিকৈ সজোৱা। পিতাক শুই আছিল বিছনাত, কাষত ত্ৰিশ-পঁইত্ৰিশ বছৰ বয়সীয়া তিৰোতা এজনী। মোক দেখি তেওঁ উঠিল। নীলিমাই পিতাকৰ ওচৰলৈ গৈ লাহেকৈ ক'লে, "পিতা, এখেত উৎপল বৰুৱা, সিবেলি যে আহিছিল।"

"কোন উৎপল বৰুৱা—অ' মনত পৰিছে। বহা বাপা, বহা।"

"কেনে পাইছে আপুনি ?" নীলিমাই চকী এখন আনে।

"এমাহ ভুগিলোঁ, জ্বৰ কাহ, বুঢ়া হলোঁ। পিচে যেনিবা বাচিলোঁ। এইজনী মোৰ বৰ ছোৱালী, তাইয়ে আলপৈচান ধৰিলে। ইহঁতৰ মাকো নাই নহয়।" বুঢ়াই কাহিবলৈ ধৰিলে।

"আপুনি বিশ্ৰাম কৰক, কথা নকৰ।"

"মাজতে জোঁৱাইজনো আহি গৈছিল। ঘৰত আৰু সৰু ল'ৰাটোহে আছে, সি ক'ৰবাত পঢ়ি আছে হবপায়। অ' পিচে তুমি ক'ত আছাহি ?"

"মই নামিছোঁহি গিৰিধাৰীলালৰ ঘৰত। মই দুদিনমান আছোঁ, আপোনাৰ খবৰ কৰি থাকিম।"

"মা অ', নীলিমা, এওঁক কিবা খাবৰ—চাহ-তাহ—"

"নাই নাই, নালাগে একো, আপুনি শুই থাকক।"

"তুমি ইয়াতে মোৰ ঘৰতে উঠিব পাৰিলাহেঁতেন ?"

কি অদ্ভুত মানুহজন, মই ভাবোঁ। এদিনৰ সামান্য চিনাকি, তাৰ ওপৰতে ইমানখিনি মৰম আগ্ৰহ। মানুহজনৰ প্ৰতি শ্ৰদ্ধা হয়।

"হয়, আমাৰ ইয়াতো থাকিব পাৰে আপুনি," নীলিমায়ো বুঢ়াৰ কথা শলাগিলে।

"থাকিব পাৰেতো, কিয়নো মাৰোৱাৰী এজনৰ ঘৰত থাকিব লাগে," নীলিমাৰ বাইদেৱেকেও যোগ দিলে।

"বাৰু বাৰু, সেইটো পিছতো হব," হাঁহি সমিধান দিওঁ। "আপোনালোকৰ ঘৰতে ইমান বিপত্তি, তাৰ ওপৰত আলহী—"

"নহয় বাপা, ঘৰখন ইমান দিনে নিৰানন্দ হৈ আছিল, এনেহুলত এজন ভাল মানুহৰ লগ পালে আমিও ভাল পাওঁ, কি কৱ নীলিমা ?" বুঢ়াই মাত দিয়ে।

নীলিমাই মোলৈ চাই আনে নেদেখাকৈ মিচিকিয়ায়। তাই বাইদেৱেকক কয়, "বাইদেউ তই ইয়াতে বহ, মই এওঁক বাহিৰলৈ লৈ গৈ চাহ-তাহ অলপ দিবৰ চেষ্টা কৰোঁ।"

বাহিৰৰ খোটালী এটাত বহি লৈ মই তাইৰ মুখলৈ চালোঁ। মোৰ কথা সহজভাৱে ওলাব খুজিছিল। নীলিমাই তলমূৰকৈ সুধিলে, "পিতাৰ অসুখ বুলি কেনেকৈ জানিলে ?"

অলপ হাঁহি কলোঁ, "কল্পনা কৰিব পাৰানে ?"

"ওঁহোঃ নোৱাৰোঁ, মইতো লিখাও নাছিলোঁ।"

মই মিচিকিয়াই হাঁহোঁ, কৈ নিদিওঁ।

"কওকচোন।"

"তোমালোকৰ চুপাৰিন্‌টেণ্ডেণ্টে ক'লে।"

"অ' আপুনি আমাৰ বোৰ্ডিঙলৈ গৈছিল! ইমান ভাল মানুহ আপুনি, মোক চাবলৈকেই গৈছিল ?"

মই মূৰ দুপিয়াওঁ।

"সঁচা ?" তাইৰ গাল দুখন যেন ৰঙা পৰে। মোৰ লোভ লাগে।

অলপ পৰ আমাৰ কথা নহয়।

মই সোধোঁ, "ভাত-পানী বন্ধা হ'ল ?"

"চব ঠিকঠাক, অলপ পাচত খালেই হব। ভাইটিয়ে খাই শুলেই। সি ৰব সোনকালে শোৱে। আপুনিও খাবনে কি ইয়াতে ?"

"মই শূদিৰ মানুহ, খালে জাত যাব।" মই ধেমালি কৰোঁ, কিন্তু মোৰ কথাষাৰে তাইৰ মুখখন মোলান পেলায়। মই তাৰ কাৰণ বুজোঁ। মোৰো বেয়া লাগে। তাই কৰুণভাৱে মোলৈ চায়।

মই অপ্রিয় ভাববোৰ জোকাৰি পেলাবলৈ মন কৰি সোধোঁ, "আচ্ছা নীলিমা, তোমাৰ এই কেইদিন ৰব কষ্ট গ'ল নহয় নে ? ওচৰৰ মানুহ-দুনুহে সহায় কৰিছিল ?"

"আপুনি বাৰু গৌৰীপুৰলৈ কি বুলি আহিল ?"

তাই মোৰ প্ৰশ্নটো আওকাণ কৰিলে, মই কি বুলি কম বুলি ভবা-চিন্তা কৰোঁতেই তাই আকৌ কৈ উঠিল, "সঁচাকৈয়ে মোৰ কাৰণেই আহিছে ?"

মই তাইৰ চকুলৈ চালোঁ। মুখেৰে নামাতিলোঁ। তাই হুমুনিয়াহ এটি

কাঢ়িলে আৰু ক'লে, "আপুনি কালিলৈ বস্ত্র-বেহানি লৈ ইয়ালৈ আহিব। আহিবনে নাহে কওক—"

আদেশৰ সুৰ। কলোঁ, "আহিম"। আকৌ কলোঁ, "মই মৰিবৰ দিনা যদি তোমাৰ মুখৰ পৰা 'দিনেৰ শেষে ঘুমেৰ দেশে' শুনিম বুলি আশ্বাস পালোঁ-হেঁতেন তেতিয়া কিজানি চিৰকাল ইয়াতেই থাকিবলৈ চেষ্টা কৰিলোঁহেঁতেন।"

"আপোনাৰ মৰিবৰ দিন সোনকালে চমু চপা নাই, মোৰেই চাগে চাপিছে। আপুনি যাওক এতিয়া, ৰাতি বেছি হ'ল, গিৰিধাৰীলালৰ ঘৰলৈ ইয়াৰ পৰা বহুদূৰ।"

মই ওলাই যাওঁ। আকাশত তৰাৰ মেলা। চাৰিওফালে ঝিলিৰ ঝিঙ্‌ঝিঙীয়া শব্দ। ওচৰৰ ঘৰ এটাত হাৰমোনিয়ামৰ বেসুৰীয়া আৱাজ। মাজে মাজে শীতল বতাহ একোছাটি। মনত ভাব হয় তাতে আলিবাটৰ কাষত অকলে অকলে বহি নিজৰ কথা ভাবিম। কলৈ আহিছোঁ, কিয় আহিছোঁ, তাৰ পাছত কি হব—এইবিলাক ভাৱ। যি আওবাটে চলিছোঁ তাৰ ফলতো কষ্টদায়ক হবই। জীৱনটোৰো থিত নালাগিল এতিয়াও। ওপৰত তৰাবিলাকে তিৰ্‌বিৰাই চাই থাকে। নীলিমাৰ মনতো চাগে মোৰে দৰে ভাৱৰ ক্রিয়া। তাই কেনেকৈ কথাবিলাক কয়। মৰিবৰ দিন চাগৈ মোৰে চমু চাপিছে!— অনুভূতিশীল ছোৱালী।

গিৰিধাৰীলালৰ ঘৰ পাওঁতে অলপ ৰাতিয়েই হয়। সি কয়, "তুমি কি কৰিব খুজিছা মই বুজিবলৈ টান পাইছোঁ। তুমি—"

মই ঘূৰাই প্রশ্ন কৰোঁ, "তুমি কাঠৰ কাৰবাৰৰ কথা কি উলিয়াইছিলা, কোৱাচোন ৰেলৰ কনট্রেক্টনে কি?"

"হয় ভাই, বহুতো স্লিপাৰ দিব লাগে, তুমি যদি এছ-ডি-ও ৰবাক এবেলি হাত কৰিব পাৰা আমাৰ কাম হৈ যায়। টকা মোৰ, তুমি তদাৰক কৰিব লাগিব আৰু লাভৰ আধা ভাগ তোমাৰ—"

"পৰা যাব জানো?" মই অলপ ভাবি কওঁ।

"আৰে নোৱাৰিবা কিয়? তুমি আগত থিয় হ'লে—আৰু তুমি লিখা-পঢ়া

জনা লোক, অন্ততঃ কথাটো খাজ খুৱাই কব পাৰিবা, আৰু মইনো কলৈ গৈছোঁ ? মোৰ মাবোৱাৰী বুদ্ধিখিনি অথলে যাবনে ?"

"তোমাৰ মাবোৱাৰী বুদ্ধিখিনি যদি নাখাটে ?" মই হাঁহি সমিধান দিওঁ।

"আঃ কি কোৱা, স্বয়ং ভগবানকো হাত কৰি থৈছোঁ, আৰু এজন অফিচাৰৰ কথা !"

"ভগবানক হাত কৰা কেনেকৈ ?" মই অবিশ্বাসৰ সুৰত সোধোঁ।

"শতকৰা পঁচিশ ভাগ লাভৰ অংশ—" সি কথাটো ভাঙি নকয়।

"অৰ্থাৎ ?"

"অৰ্থাৎ ধৰি লোৱা ব্লেকমাৰ্কেটিং কৰি ধৰা পৰিলোঁ, তাৰ পৰা সাৰিবৰ উপায় হৈছে ভেঁটী। সেইদৰে বিপদ আপদত পৰিলে, পূজা-সেৱা দান-দক্ষিণা আমাৰ ইমান বেছি হয় যে ভগবানে আৰু উপায় নোপোৱাত পৰে। আনকি সেই কেইদিন পোহনীয়া পাৰইও খাবলৈ দিয়া বস্তু খাই অন্ত কৰিব নোৱাৰে—" সি আত্মতৃপ্তিৰ ভাবত মুখখন ওফন্দাই দিয়ে।

"হোঁ, ভগবানকো ভেঁটী দিয়া—"

"কিয় তোমালোকে নকৰা জানো ?"

"কব নোৱাৰোঁ ভাই, ভগবানৰ খবৰ যে মই ৰাখোঁ, এনে আশ্বাস নাই, আৰু অফিচাৰকো-তফিচাৰকো যে বৰ পূজাপাতল দিওঁ তেনে প্ৰবৃত্তিও নাই।"

"আৰে তুমি হৈছা ভদ্ৰঘৰৰ সন্তান, লিখা-পঢ়া শিকিছা, আমাৰ কথা বেলেগ—আমি বেপাৰী মানুহ, আমাক লাগে টকা—"

"বাৰু, মিঃ বৰাৰ দৰ্শন লাভ কৰা হব আৰু যি পাৰোঁময়ো টকা অলপ আনিবলৈ চেষ্টা কৰোঁ। দেউতাই যে টকা দিব এনে বিশ্বাস নাই, সিবেলি মৰাপাটৰ কাৰবাৰত দেবছেজাৰ পানীত পৰিল—"

"আঃ সেইবিলাক কথা এৰি পেলোৱা, কাৰবাৰ কাৰবাৰেই।"

গিৰিধাৰীলালৰ উত্তম আৰু আত্মবিশ্বাস শলাগিবলগীয়া। তাহাঁতৰ চিৰকাল ব্যৱসায় কৰি কৰি ন্যায়-অন্যায় সকলোবে বিনিময়ত লাভটোহে যে শ্ৰেয় এনে ভাব তেজৰ লগত মিহলি হৈ আছে। হিন্দু ধৰ্মৰ শিলৰ খুঁটাও মাবোৱাৰীসকলেই।

॥ ৬ ॥

পিছদিনা ৰাতিপুৱাই মিনতিৰ পৰা চিঠি এখন পালোঁ। দুদিনমানৰ পাছতে পূজাৰ বন্ধ, তাই হেনো আহি মোৰ লগ লাগিব। যি উৎকট প্ৰকৃতিৰ ছোৱালী তাই—আহি আৰু বা কি নকৰে। মই নীলিমাহঁতৰ ঘৰত নথকাটোকেই থিৰ কৰিলোঁ, এৰা, নথকাটোহে ভাল। মিনতি আহিলেওবা ক'ত ৰাখিম। গিৰিধাৰীলালক কলোঁ মোৰ ভনী এজনী আহিবৰ কথা। সি ক'লে, ভাল কথা, থাকিবৰতো অসুবিধা নহব।

মই গৈ নীলিমাহঁতক কৈ আহিলোঁ। নীলিমাই মুখ ওফন্দালে। ক'লে, "বাৰু, আবেলি কাম এটা কৰিব পাৰিবনে ?"

"কিনো ?"

"ভাইটিহঁতৰ ক্লাব এটা আছে। ক্লাবলৈ ইয়াৰে ঠিকাদাৰ এজনে টকা পাঁচশ দিছে। সেই কাৰণে এটা সকম্বৰা পাৰ্টি হব, তালৈ যাব লাগিব আপুনি। ময়ো যাম—সবাইতক অলপ উৎসাহ দিব লাগে, আহিব দেই—"

"যুদ্ধৰ বজাৰৰ ঠিকাদাৰনে কি ?"

"কি কৰি টকা কৰিলে সেইবিলাক আৰু সুসুধিব। আগেয়ে পি-ডব্লিউ-ডিৰ তিনশটকীয়া ঠিকাদাৰ আছিল, এতিয়া ভব্য-গব্য মানুহ—" তাই হাঁহে। তাইক আজি বেচি বঙিয়াল দেখিছোঁ। বেণীডাল ডিঙিত মেৰিয়াই থৈছে আজিও, মুখৰ পৰা গালৈ মোৰ চকু নমা দেখি তাই বেঙুনীয়া শাৰীখন অলপ টানি লয়। "আহিব দেই, চাৰি বজাত। ইয়ালৈ আহিলেই হব। নিচেই ওচৰতে ক্লাবটো।"

মই আবেলি যাওঁ। সৰু সভা এখন। দুজনমান স্থানীয় ভদ্ৰলোক। এজন স্থানীয় জমিদাৰ সভাপতি। ঠিকাদাৰজন মোহনৰাম সিং, ৰাজবংশী মানুহ। পোচাক-পৰিচ্ছদ সাধাৰণ যদিও তেওঁৰ মুখখন টুপটুপীয়া, চকুৰ পিৰিখি গধুৰ, মুখৰ পৰা হয়তো মদৰ গোন্ধ ওলাইছে। মানুহজনৰ ওচৰে-

কাষৰে দুই এজন বয়সীয়া ভদ্ৰলোক। তেওঁলোকে ঠিকাদাৰক যথেষ্ট সম্ভ্ৰম দেখুৱাইছে। ল'ৰা-ছোৱালী এজাকে সভাপতিৰ পিচফালে কিবা তৰ্কাতৰ্কি চলাইছে।

সভাপতিয়ে পাঁচশ টকা দান কৰা দেখি ঠিকাদাৰৰ বদান্যতাৰ নথৈ শলাগ ল'লে, ক'লে—এখেতৰ নিচিনা উদাৰমনা পুৰুষৰ পৰা সমাজে বহুতো কামৰ আশা কৰিব পাৰে, এখেতসকলেই সমাজৰ নেতা, ৰাইজৰ আশা-ভৰসাৰ স্থল, ইত্যাদি।

প্ৰতিপত্তিশীল বংশভেমত অভিমানী জমিদাৰৰ মুখত তেনে তোষামোদৰ বাণী শুনি ভাব হ'ল ঠিকাদাৰৰ জোনলোৱা নিশ্চয় এওঁৰ বেঙ্ক। এৰা, আজিৰ দিনত কোন জমিদাৰে টকা ধাৰ নকৰাকৈ থাকিব পাৰে?

ঠিকাদাৰে শলাগৰ সমিধান স্বৰূপে হাতজোৰকৈ বিশেষ বিনয় প্ৰকাশ কৰি এইদৰে ক'লে, "মোকনো তেনেকৈ কিয় কয়? মই আপোনালোকৰ ধনৰ ভঁৰালীহে মাথোন, মই ৰখীয়াহে মাথোন। মই যি পাৰোঁ আপোনালোকক সহায় কৰিবলৈ সদায় আগবঢ়া।" ইত্যাদি—ইত্যাদি।

আহিবৰ সময়ত মন্তব্য কৰিলোঁ, "ঠিকাদাৰে লাভৰ বিদ্যা আয়ত্ত কৰাৰ লগতে অন্ততঃ সামাজিক ভণ্ডামিখিনিও নিশিকাকৈ থকা নাই।"

নীলিমাই মোৰ কালে কেৰাহিকৈ চাই মিচিক্‌কৈ হাঁহিলে। দুখোজমান গৈ তাই ক'লে, "মোহনৰাম সিঙে সভাপতিৰ ছোৱালী বিয়া কৰাব হবপায়—"

"মই তেওঁলোকৰ মাজত কিবা এটা বাওঁহতীয়া সম্বন্ধ থকা বুলি কল্পনা কৰি নোলোৱা নহয়।"

নীলিমাই আকৌ হাঁহে। ঘৰৰ ওচৰ পাই তাই ভায়েক মুকুলক কয়, "মুকুল, তই পিতাৰ কাষত থাকিবি, আমি অলপ ফুৰি আহোঁগৈ। সদায় ঘৰত সোমাই থাকি ভাল লগা নাই।"

মুকুল গ'ল। আমি কাৰেংঘৰৰ ফাললৈ খোজ পোনালোঁ। বেলি মাৰ যাওঁ যাওঁ হৈছে। বতৰ বেচ স্নিগ্ধ। পূজাৰ বতৰৰ ভাব মনলৈ আহে।

আকাশৰ শুকুলা ডাৱৰৰ চপৰাবোৰে সন্ধিয়াৰ পাতল আন্ধাৰত গা লুকুৱাবৰ উপক্রম কৰিছে। কাবেংঘৰৰ ওচৰৰ পথাৰৰ গছবোৰত দুই-এটি চৰায়ে খৰ্‌মৰ্ কৰিছে। ওচৰত মানুহ-দুনুহ নাই।

"খুব ভাল লাগে, নহয় ?" নীলিমাই লাহেকৈ কয়।

"তুমি লগত থকা কাৰণে আৰু ভাল লাগে।" মই তাইৰ হাতখন ধৰিবলৈ চেষ্টা কৰোঁ, তাই আঁতৰাই নিয়ে।

পাহাৰৰ নামনিতে কোমল ঘাঁহনিত আমি বহোঁ।

"আমি এইদৰে অহা কাৰণে বাইদেৱে বা কি ভাবে !"

"কিয় পিতাৰাই ?"

"পিতাই একো নকয়, বাইদেউৰ মাইকী মানুহৰ মন, ফাঁকি দিব নোৱাৰিম।"

"মই তোমালোকৰ ঘৰত নাথাকি চাগৈ ভাল কৰিলোঁ, নহয় ? অ' কথা এটা—" মই ক'ব খুজি ৰৈ যাওঁ।

"কি ?"

"পিচত্তো কম বাৰু।"

"আপোনাৰ যাবৰ হ'লনে কি ?" তাই উদ্বেগ প্রকাশ কৰে।

"নাই-নাই, এই বেলি মোৰ নিৰুদ্দেশ যাত্রা ; ক'লৈ আহিছোঁ, কিমান দিন থাকিম সম্ভৱ দেউতাইতেও নাজানে।"

"কিন্তু এই যাত্রাৰ পৰিণতি ?"

"সেইবিলাক নাভাবিবা এতিয়া, নীলিমা। এই সুন্দৰ স্নিগ্ধ পৰিবেশত নিজৰ নিজৰ সমস্যাবিলাক পাহৰিবলৈ চেষ্টা কৰোঁচোন—"

"আপুনি তেতিয়া কি কথা ক'ব খুজিছিল ?"

মাইকী মানুহৰ এই যে বদভ্যাসটো—অসময়ত প্রশ্ন সোধা। মই ক'ব খুজিছিলোঁ মিনতিৰ কথা, কিন্তু কওঁ কি বুলি। মই মনে মনে থকা দেখি তাই আকৌ সোধে মোৰ হাতখন জোকাৰি দি, "কওকচোন—"

মই পাতলকৈ কওঁ, "অ', মিনতি আহিব, মিনতি অৰ্থাৎ মোৰ সম্পৰ্কীয়

ভনী এজনী, ধুবুৰীত মাষ্টৰণী কাম কৰে, মই ইয়াত থকা বুলি শুনি পৰহি আহিব খুজিছে।"

"আহি থাকিব ক'ত ?"

"তাকেতো চিন্তা কৰিছোঁ—বাৰু, সেইটো পিছৰ কথা। মোকেতো ৰাখিব খুজিছিলা, ধৰি লোৱা তাৰ ঠাইত মিনতিয়ে দুদিন থাকিল, আপত্তি আছেনে কি ?"

"ধেৎ, কিয় আপত্তি কৰিম ?"

তাৰ পিছত তাই মোৰ খবৰবোৰ লয়। ইমান দিনে কি কৰিছিলোঁ, তাইৰ প্ৰথম চিঠিখন পাই কি ভাবিছিলোঁ, ইত্যাদি।

তাই নিজৰ কথা কয় অলপ অসন্তোষমনে, "ভিনদেৱে পঢ়াইছে, পিচে তেওঁৰো অৱস্থা টনকিয়াল নহয়, পিতাই মোৰ বিয়াৰ কথাকে উলিয়াইছে—"

তাই তলমূৰ কৰে। তাই চকুপানী টোকা যেন সন্দেহ হয়। কি বুলি সান্ত্বনা দিম ভাবি বিমোৰ হওঁ। মই যে প্ৰকৃত সান্ত্বনা দিব নোৱাৰোঁ সেই বিষয়ে মোৰ ভ্ৰান্তি নাছিল। সমাজৰ নীতি নিয়ম, দুয়ো সাগৰৰ দুই পাৰে, আমাৰ নাও একেলগে কেনেকৈ যায়। মই তাইৰ হাত এখন লৈ মৰম কৰি কওঁ, "নাকান্দিবা নীলিমা, নাকান্দিব—" আৰু কি কম ভাবি নাপাওঁ।

অলপ পাছত তাই হাঁহিবলৈ চেষ্টা কৰি কয়, "পিতাই মোক গীতা পঢ়ায়, কয় আত্মাৰ মৰণ নাই, আত্মা অবিনাশী—অশোচ্যান্ অন্বশোচস্ত্বম, গতাসূন্ অগতাসূংশ্চ নানুশোচন্তি পণ্ডিতাঃ—যাৰ কাৰণে শোক কৰিব নালাগে তাৰ কাৰণে কিয় শোক কৰিবা ? জ্ঞানীলোকে জীয়া বা মৰা কাৰো কাৰণে শোক প্ৰকাশ নকৰে। পিতাই পঢ়ে আৰু মোক বুজায়। মনত বল পাওঁ। ভাল লাগে। নহলে আমাৰ জীৱনটো বৰ আনন্দৰ নহয়। দুবছৰ আগেয়ে দাদা ঢুকাইছে। দাদাৰ বয়স তেতিয়া বাইশ, বি-এ পাচ কৰি উঠিছেহে মাথোন। তেতিয়াৰ পৰা পিতাৰ মন মৰা। দাদা বেচ্ গুৱনি আছিল, অলপ আপোনাৰ দৰে। সেইহে চাগে পিতাই আপোনাক ইমান ভাল পায়। আমাৰ ঘৰ চলাবলৈ টান, বাইদেৱে মাজে মাজে সহায় কৰে। মুকুল ডাঙৰ

নোহোৱালৈকে ভাবিছিলোঁ মই ঘৰতে থাকিম, পিতাৰ আলপৈচান ধৰিম, পিচে—"

"বিয়াৰ কথা উঠিছে, নহয়নে ?" মই লাহেকৈ কওঁ।

"আৰুনো কি উপায় আমাৰ নিচিনা ছোৱালীৰ কাৰণে, কলেজত বি-এ লৈকে পঢ়াইছেন, কাম-কাজ এটা উলিয়াই লব পাৰিলোহেঁতেন। কিন্তু ভিনদেউৰ ওপৰত সদায় নিৰ্ভৰ কৰিবলৈ মন নাযায়। এইবিলাক কথা মনলৈ আহিলে বৰ বেজাৰ লাগে।"

মোৰ মনো গধুৰ হয়। এয়ে জীৱন। অভাৱ-অনাটন, অসুখ-অশান্তি। তাৰ পটভূমিত মোৰ প্ৰেমৰ বিলাস। নিজৰ ওপৰত ধিক্কাৰ ওপজিব খোজে।

"মোৰ কথাবোৰ শুনি আপোনাৰ বেয়া লাগিছে, নহয় ? কিবোৰ যে কৈছোঁ। আৰু নকওঁ। আজি আপুনি ওচৰত থকা কাৰণে মনত বল পাইছো, খুব ভাল লাগিছে, সদায় নাথাকে যদিও—"

"নীলিমা, গান এটা গাবা ? তোমাক চাগৈ এইদৰে অকলে আপোন-ভাৱে আৰু নাপাওঁ, গান এটা গোৱা—সেই সেইদিনাৰ—দিনেৰ শেষে ঘুমেৰ দেশে—"

"মোৰ গান খুব ভাল লাগে আপোনাৰ ? মোৰ হাতখন ধৰি থাকক, জোৰেৰে। আৰু একো নকৰিব।"

তাই ইমান সৰলভাৱে বিশ্বাসেৰে কথাখিনি কয়, মোৰ অন্তৰত বৰ বেজাৰ লাগে, তাইলৈ খুব পুতৌ হয়। ইমান বিশ্বাস কৰিছে তাই মোক। মই আৰু তাইৰ জীৱনটোত আউল লগাবলৈ চেষ্টা নকৰোঁ। তাইক মৰমেৰে কওঁ, "গোৱা নীলিমা—"

তাই গাব খোজে, গায়। প্ৰথমতে তাইৰ মাত ওলাব নোখোজে, তাৰ পাচত তাই আপোন পাহৰি সুৰৰ ধাৰত নিজক উটুৱাই দিয়ে। ৰাতিৰ নিজান আন্ধাৰৰ তৰপে তৰপে তাইৰ গানৰ সুৰ বিয়পি পৰে। মই নিজেই পাহৰোঁ যে মোৰ কাষত কোনোবা ছোৱালী এজনী আছে ; ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰচনা আৰু নীলিমাৰ আপোন পাহৰি গোৱা গানৰ সুৰৰ লহৰে মোক

কোনোবা এখন কল্পলোকলৈ লৈ যায়—নৈৰ পাৰত অকলে পাৰঘাটৰ যাত্ৰী, আন্ধাৰ নামি আহিছে, ঘৰলৈ যাব যাবৰ আছিল সি গ'ল ঘৰলৈ, পাৰলৈ যাব যাবৰ আছিল সি পাৰলৈ, কিন্তু—

ঘৰেও নহে পাৰেও নহে যে-জন আছে মাঝখানে
সন্ধ্যাবেলা কে ডেকে নেয় তাৰে।

অলপ সময়ৰ পাচত তাই ৰয়। আমি কথা নকওঁ। জুৰ বতাহে আমাক ছুই যায়। অলপ চাগৈ কুঁৱলী পৰে।

তাই মাত দিয়ে, "যাব লাগিল, নহয়নে ? ৰাতি বহুতো হ'ল।"

"তোমাক ঘৰত খং কৰিবনে কি ?"

"যাবইতো লাগিব তথাপি, নহয় জানো ?" তাই হাঁহিবলৈ বৃথা চেষ্টা কৰে।

"তুমি ইমান বঢ়িয়া গাব পাৰা," মই কওঁ। ৰবীনকুমাৰৰ কথা মনলৈ আহে। সি কৈছিল নীলিমাকো সংগ্ৰহ কৰিবলৈ তাৰ পাৰ্টিৰ কাৰণে। তাইক তাৰ প্ৰস্তাৱৰ কথা কমনে কি ? "বুজিছা নীলিমা, মোৰ শিল্পী বন্ধু এজন আছে, ৰবীন্দ্ৰকুমাৰ তেওঁৰ নাম। শুৱনিকৈ মানুহজন, নাকটো পোন, কপালখন বহল, মূৰত দীঘলকৈ, জপৰা চুলি, চকু দুটাত দীপ্তি, মনত তাৰ অদম্য উৎসাহ, কিন্তু তাৰ নাই এটা বস্তু—টকা, ধন নাই কাৰণেই তাৰ উদ্যম অথলে যাব লাগিছে —"

"কি কৰে তেওঁ, নাচেনে কি ?"

"ওঁ, নাচে আৰু ছবিও আঁকে। এইবেলি তাক শ্বিলঙত লগ পাইছিলোঁ। তাক কৈছিলোঁ তোমাৰ কথা। তোমাৰ কথা শুনিয়ে সি জাপ মাৰি উঠিল, ক'লে, লোৱাচোন ছোৱালীজনীকো।"

"সৰুতে মই পিচে অলপ নাচ শিকিছিলোঁ, এতিয়া অভ্যাস নোহোৱা হ'ল। ইচ্, সঁচাকৈয়ে—"

"ৰবাচোন। মই তাক কওঁ, নচুৱাব পাৰিবা, কিন্তু খুৱাবা কি ? টকা নালাগিব জানো ?"

"কিয়'নো দেখুৱালে টকা জানো নাপায় ?" তাইৰ মনত হেঁপাহ ফুটি ওলায়।

"খো পতাৰ আগখিনিতেওতো বহুতো টকা লাগে, আৰু প্ৰথম শ্ৰেণীৰ নৃত্যৰ কাৰণে আমাৰ সমাজ এতিয়াও তৈয়াৰ হোৱা নাই। সমূহীয়াকৈ সহায় নাপালে আৰ্ট-কৃষ্টিৰ কৰ্ষণ স্থায়ীভাৱে কৰিব নোৱাৰি, সাময়িক উচ্ছ্বাস মাথোন হয়। ব'লা বাৰু, ৰাতি হৈছে—"

দুয়ো ধীৰে ধীৰে উভতোঁ। হয়তো মোৰ দৰে নীলিমাৰো আহিবৰ মন নাযায়। কাৰেংঘৰৰ নিজান আন্ধাৰৰ আশ্ৰয় এৰিবলৈ মন নাযায়।

"আপোনাৰ কাঠৰ ঠিকা কি হ'ল?" নীলিমাই সোধে।

"কৰ পৰা নাই এতিয়াও।" ভাবোঁ মই আৰু তাত সৰহদিন তাইৰ ওচৰত থকাটো যুগুত নহব। কাঠৰ কাৰবাৰ আৰু নালাগে। উপায় নাপালে শ্বিলঙতে কিবা চাকৰি এটা লৈ সোমাই থাকিম।

ঘৰ পালত নীলিমাৰ বাইদেৱেকে ক'লে, "ভাত খাই যোৱা ইয়াতে।" তেওঁ মোক তুমি বুলিয়ে মাতিলে।

ৰাতি বিছনাত ইকাতি সিকাতি কৰোঁতেই গ'ল, ভালকৈ টোপনি নাহিল। একালে অন্তৰৰ পিয়াহ, আনফালে বিবেক আৰু ব্যৱহাৰিক জগতৰ লাভ লোকচানৰ হিচাব ; তাৰ মাজত কি কৰিম কি নকৰিম থিৰ কৰিবলৈ টান পালোঁ। বিবেচনাৰে কিবা এটা থিৰ কৰিলেও তাক বহুত সময়ত কামত দেখুৱাবলৈ টান। মই জানো মই ইয়াত থকা যুগুত হোৱা নাই, যিমান সোনকালে পৰা যায় সিমান সোনকালে আঁতৰিব লাগে, তথাপি পলম কৰিছোঁ কিয় ! মিনতি আহিব। মিনতিয়ে যিদৰে ফুৰাচকা কৰে আৰু তাই যিদৰে মোক গিলিবলৈ চেষ্টা কৰে, সেইবোৰ দেখি নীলিমাই বা কি ভাবিব। মোৰ ওপৰত তাইৰ যি আস্থা বা শ্ৰদ্ধা আছে সি জানো তেতিয়া থাকিব ? মানুহে ভুল বুজিলে বেয়া লাগে, কিন্তু এনে অৱস্থাত মোক কোনে ভুল নুবুজাকৈ থাকিব ?

মিনতি আহিল। মিনতিক দেখি ফিল্‌ফিলীয়া আদ্দিৰ পাঞ্জাবী আৰু কাণৰ লতিত ঝুকুতা পিন্ধা গিৰিধাৰীলালে বেচ তাৰিফ কৰিলে।

মই কলোঁ, "মিনতি, চিনাকি মানুহ এঘৰ আছে, তোমাক তাতে থওঁগৈ বলা।"

"আপুনি ক'ত থাকিব ?"

"কিয়, মই ইয়াতে থাকিম। তোমাক মাথোন—"

"ওঁহোঃ ময়ো ইয়াতে থাকিম। গিৰিধাৰীলালে কৈছে নহয় একো অসুবিধা নহয় বুলি। তাৰ উপৰি তেওঁৰ ঘৈনীয়েকো আছে।" তাই তালৈ চাই মিচিকিয়াই কটাক্ষ কৰিলে, তাৰ সুফল স্বৰূপে সি তিনিজাপ মাৰি আগ বাঢ়ি আহি তাইক অনুনয় জনালে, "মিনতি দেৱী, আপুনিও মোৰ ভনীৰ নিচিনাহে, আপুনি মোৰ ঘৰত নাথাকি আৰু ক'লৈ যাব ?"

মই মনে মনে থাকিলোঁ। ভাল আপদটোৱে পালে। মিনতিয়ে অলপ বিজয়ৰ ভাবেৰে মোলৈ চালে। মই আঁতৰি গ'লোঁ। ভাব হ'ল নীলিমাইতকৈ

ঘৰত নাথাকি চাগৈ ভালেই কৰিলোঁ, কিয়নো তাত কিবা এটা অদ্ভুত কাণ্ড কৰিলে মোৰে সন্মান নাথাকিলহেঁতেন।

নীলিমাহঁতক খবৰ দি আহিলোঁগৈ, মিনতি মোৰ লগতে থাকিল বুলি। নীলিমাৰ বাইদেৱেকে অলপ আচৰিত পালে। হাঁহি কলোঁ, "তাই তেনেকুৱাই, অলপ আঁকৰী ধৰণৰ, কথাবতৰা নুশুনে—"

"ইয়ালৈ লৈ আহিবা দেই।"

"কেলেই নানিম ?"

"ইয়াতে থকাহেঁতেন ভাল পালোঁহেঁতেন, ছোৱালী মানুহ", নীলিমাৰ পিতাকে মন্তব্য কৰিলে। তেওঁ গা বহুতো ভাল পাইছে, অলপ উঠা-বহা কৰিছে। "তুমিতো কিছুদিন আছাই, নহয়নে বাপা ?"

"ক'ব পৰা নাই, সোনকালেই যাব লাগেনে কি।"

"কিয় তোমাৰ ঠিকা—"

"হয়, কামটোত সোমাই লৈ মস্কিলত পৰিলোঁ, ঘৰৰ পৰা দেউতাই মাতি পঠিয়াইছে—" এইখিনি তেনেই মিছা কথা।

"বাক তুমি গ'লে কেতিয়ামানে যাবা ? যদি নীলিমাহঁতৰ খুলিবৰ হয়, তাইক তুমিয়ে লৈ যাব পাৰিবা, লগত পঠিয়াবলৈকেও কোনো নাই।"

আকৌ নীলিমাৰ কথা। সোনকালে আঁতৰাটোহে শ্ৰেয়ঃ। কওঁ, "হয়, মই থাকোঁ যদি নিশ্চয় নিম। নীলিমা ক'লৈ গ'ল ?" ছোৱালীজনী মই যোৱাৰ পৰা দেখা নাই।

"অ' তাই পাগঘৰত হবপায়," বাইদেৱেকে কয়।

"মাত নিদিয় কিয় ? তাই অলপ ফুৰি আহিবই পাৰে এওঁৰ লগত, ঘৰত সোমাই থাকিনো কি কৰে ?" বুঢ়াই কয়।

"ক'তনো ঘূৰি ফুৰিব, ঘৰত জানো কাম-কাজ নাই ?" বাইদেৱেকে মন্তব্য কৰে। কথাষাৰ যেন অৰ্থব্যঞ্জক। মোক অৰ্থ কৰি কোৱা যেন লাগে, মোৰ কেনেবা কেনেবা লাগে।

অকস্মাৎ নীলিমা ওলাই আহে ধুনীয়াকৈ পিন্ধি উৰি। তাই মোক দেখি

আচৰিত হোৱাৰ দৰে কৈ উঠে, "অ' আপুনি ! মই ওচৰবে মানুহ এঘৰৰ তালৈ যাম বুলি ওলাইছিলোঁ। ব'লক, আপুনিও ওলাওক, অলপ ফূৰ্ত্তি আহোঁগৈ।"

তাই কথাবোৰ এনেদৰে ক'লে যেন ওচৰত আৰু কোনো নায়েই, যেনিবা তাইৰ বাইদেয়েকো নাই।

দুয়ো ওলাই গ'লোঁ। তেতিয়া আবেলি চাৰিমান বাজিছে। বতৰ জুৰ। আমি কাৰেংঘৰৰ ওচৰ পালোঁ, তাতকৈ ভাল ঠাই আৰু নাই। ঘাঁহনিত ভালকৈ ভৰি মেলি বহি লৈ তাই মোলৈ চাই মৃদু হাঁহিলে।

"তোমাৰ বুদ্ধি আছে দেখিছোঁ।"

"হয়, বৰ ওলাব পাৰিলোঁ, বাইদেৱে আমাক সন্দেহ কৰিব ধৰিছেই—"

"সন্দেহৰ চেলু আৰু বেচি নিদিওঁ বাৰু," মই চমুকৈ মন্তব্য কৰোঁ।

তাই কৌতূহলী চকুৰে মোৰ ফালে চায়। মই একো সমিধান নিদিওঁ, মাথোন অলপ হাঁহোঁ।

"পিচে ৰ'ব, বাইদেউৰ কথা শুনক।" তাইৰ কথাত অলপ চোক উঠিল। "বাইদেৱে কি কৰিছিল জানে—"

"থোৱা থোৱা, লোকৰ চৰিত্ৰ চৰ্চা কৰা বেয়া অভ্যাস।"

"নহয়, বেয়া কথা ক'ব খোজা নাই, তথাপি শুনক বাৰু। বাইদেউৰ বিয়াৰ আগৰ কথা দেই। কেইবছৰমান আগৰ কথা। বাইদেৱে তেতিয়া নৱম শ্ৰেণীত পঢ়ে। এদিন দাদাৰ লগত আহিল তেওঁৰ বন্ধু এজন। দাদাতকৈ অলপ ডাঙৰ আৰু মানুহজনেও অলপ স্বাৰ্থ লৈহে আহিছিল—"

"স্বাৰ্থ মানে ?"

"তেওঁৰ ইনচিয়োৰেঞ্চৰ এজেণ্ট। সেই কাৰণে মানুহৰ লগত চিনাকি হৈ ফুৰাটো তেওঁৰ অভ্যাসেই। তেৱোঁ আমাৰ ঘৰলৈ আহিল, পিতাৰ লগত কথা পাতিলে। বাইদেৱৰ লগতো কথা পাতিলে। তাৰ পাছত কি হ'ল জানে ? বাইদেউৰ মুখত তেওঁৰ কথাহে ওলায়—এনে ভদ্ৰ, বজীয়া মানুহ, ইমানি বুধিয়ক ইত্যাদি। পিছত দেখিলোঁ, তেৱোঁ ঘনাই আমাৰ ঘৰলৈ আহিবলৈ ধৰিলে।

তেওঁ আহিয়ে বাইদেউক মাতিব—বীণা, দাদাৰ আছেনে নাই? বাইদেৱে মাৰিব লৰ চ'ৰা ঘৰলৈ বুলি। মোক নমতা দেখি মানুহজনলৈ আকৌ মোৰ অলপ বিতৃষ্ণাও হৈছিল, তেওঁ মোক দেখিলেও নেদেখা ভাও ধৰে—ইফালে বাইদেউলৈ হ'লে কেৰাহি কেৰাহিকৈ চায়—"

"ঈৰ্ষা?"

"হয় চাগে," তাই অলপ লাজৰ ভাবত মিচিকিয়ায়। তাই হাঁহিলে কজলা চকুজুৰিৰ তলৰ পৰা তিৰবিৰণি, বিৰিঙি পৰে।

"পিছত কি হ'লগৈ?"

"অ', বিয়াই হ'ল আৰু, কি হ'ব?" তাই খিল্‌খিলাই দিয়ে।

তাই সুৰ এফাকি গুণগুণায়। তাৰ পাছত নিজকে নিজে কয়, "বাইদেউ আৰু মোৰ সমস্যা অৱশ্যে বেলেগ।"

মই মনে মনে থাকোঁ। সন্ধিয়াৰ আবেশ চাৰিওফালে। জুৰ বতাহ ব'লে। বতাহৰ কঁপনিত ওচৰৰে গছ এজোপাৰ পাতবোৰ লৰে, চিৰ্ চিৰ্ শব্দ হয়, মোৰ চকু যায় কাষতে শান্ত-শিষ্ট ভাৱে দীঘলীয়াকৈ পৰি থকা ছোৱালীজনীলৈ। সহজ স্বাভাৱিক তাইৰ ব্যৱহাৰ, অথচ তাৰ মাজতে কেনে সংযত। তাইৰ অনুভূতিবোৰো সেইদৰে সতেজ অথচ বান্ধ ভাঙি যোৱা নহয়। ঘন কঁলা চুলিয়ে ঘেৰি থকা তাইৰ কপালখনত চিন্তাশীলতাৰ চাপ। অন্তৰৰ খোকিবা-খোবোৰ বুজি পায়ো তাই নিজক পাহৰি নাযায়, বৰং সেইবোৰ বহলভাৱে পাৰিপাৰ্শ্বিকতাৰ সৈতে মিলাই চাই তাৰ পৰা বেছি সাৰ্থকতা আহৰণ কৰিব পাৰে। অমঙ্গলীয়া সপোনৰ দৰে মিনতিৰ কথা মনলৈ আহে।

আগ বয়সত মিনতি দেখিবলৈ কুশ্ৰী নাছিল—কিন্তু বছৰবোৰ বাগৰি যোৱাৰ লগে লগে তাইৰ নাকৰ তলৰ নোমবোৰ বেচি স্পষ্ট হৈ পৰিছে; মুখত যৌৱনৰ প্ৰথম পুৱাৰ আভা ধৰি ৰাখিবলৈ প্ৰসাধনৰ সহায়ত যিমানেই চেষ্টা চলিছে আৰু সেই অনুৰূপ তাইৰ হাঁহিটো যিমানেই নাটকীয় হ'বলৈ ধৰিছে, তিমানেই তাইৰ চকুজুৰিৰ বাহিৰৰ কোণ দুটা ওপৰৰ ফালে উঠিবলৈ ধৰা যেন লগা হৈছে। তাৰ উপৰি তাইৰ মেকুৰীৰ দৰে থিৰ চকুহালিৰ কটাক্ষত

চাৰিওফালে জাল পেলাবলৈ চেষ্টা। হয়তো তাই জীৱনৰ দাবী অস্বীকাৰ কৰিব নোৱাৰি, অনুকূল পৰিবেশ নাপাই, নিজৰ বাসনাবোৰ আপদাল কৰিব নোৱাৰিয়ে সেইদৰে ফুৰে। তাইৰ গাত হয়তো জগৰ নাই। তথাপি তাই মোৰ পাচ নলগাহেঁতেনেই মঙ্গলজনক হ'লহেঁতেন। এইবেলি শ্বিলঙলৈ গ'লে প্ৰবীণক তাইৰ কথা কম, তাইৰ কথা কৈয়ে তাক অলপ বাস্তববাদী কৰিবলৈ চেষ্টা কৰিম।

"কি ভাবিছে আপুনি ?" নীলিমাই মোৰ চিন্তাৰ সোঁতত ভেঁটা দিয়ে। মোৰ মনলৈ আহে—মিনতি আৰু নীলিমাৰ প্ৰকৃতিত সাদৃশ্য আছে, কিয়নো দুয়ো মাইকী মানুহ, তথাপি দুয়ো বেলেগ। মিনতিক মোক নালাগে, নীলিমাক লাগে। মিনতিয়ে উজানৰ মাছৰ দৰে মোক খেদি আছে, নীলিমাই অকলশৰীয়াকৈ ফুলা ফুল এপাহৰ দৰে আকৰ্ষণ কৰে, অথচ ফুলপাহ মই ছিঙিব নোৱাৰোঁ, ছিঙিলেই সি মৰহিব।

"কিনো চিন্তা কৰিছে, গান নুশুনে আজি ?"

"অ', শুনিম শুনিম। গোৱা নীলিমা—" মই আকৌ তাইৰ কাষত থকা সজাগ জীৱ এটি।

"গোৱা নীলিমা—ক'ত আছিল ইমান পৰে ?" তাই ভেঙুচালি কৰে।

"পতিয়াবা জানো ?—যদি কওঁ তোমাৰ কথাকে ভাবি বিভোৰ হৈ আছিলোঁ ?"

"যদি কওঁ নপতিয়াওঁ বুলি ?"

"ময়ো নপতিয়াওঁ।"

তাই খিলখিলাই হাঁহে। "মই আপোনাক বিশ্বাস কৰোঁ বুলি আপুনি জানে, নহয় ? বাৰু কওক, কি ভাবিছিল।"

"মিনতিৰ কথা—"

"মিনতি দেখোন আপোনাৰ ভনী—"

"মুঠেও নহয়।"

"তেনে ?" তাইৰ মাতত সন্দেহৰ কঁপনি।

"অৱশ্যে মোৰ ভনীৰ দৰেই," অৱস্থাটো পাতল কৰিবলৈ চেষ্টা কৰি কওঁ। "মিনতি মোৰ ভনীৰ দৰেই, মাথোন তাইক দেখিলে মোৰ খং উঠে।"

"কিয় ?"

"মোক গিলিব খোজে কাৰণে।"

অলপ বৈ তাই কয়, "সেইটো চব মাইকী মানুহৰে লক্ষণ।"

"লক্ষণটো বেয়া বুলি নকওঁ, মাথোন মিনতিৰ গাত এই লক্ষণটো বিচাৰি নোপোৱাহেঁতেনেই বেচি নিৰাপদ অনুভৱ কৰিলোঁহেঁতেন।"

"কথাবোৰ কেনেকৈ কয় আপুনি। মোৰ ভয়ে লাগে।"

"কিয় নীলমা ?" মই মৰমসনা মাতেৰে আশ্বাস দিব খোজোঁ।

"কিজানি ময়ো গিলিয়ে পেলাওঁ ?"

"কি দুষ্ট ছোৱালী, তুমি আকৌ গিলিবা কিয় ? য'ত দুয়োফালৰে প্ৰেৰণাৰ ওপৰত সম্বন্ধ গঢ়ি উঠে তাত জানো গিলি পেলোৱাৰ কথা উঠে ?"

"নুঠে ?"

নিচেই আঁকৰীৰ দৰে তাই প্ৰশ্নটো কৰে। তাইক মুখেৰে সমিধান নিদি গাৰ পৰশেৰে, কোলাত তুলি লৈ চুলিবোৰ টানি টানি মৰম কৰি আশ্বাস দিবৰ মন যায়। নিজক সংযত কৰোঁ। গৰমকালি ভৰ দুপৰীয়া অকস্মাৎ অহা শীতল বতাহছাটিৰ ওপৰত যেনেকৈ কাৰো দাবী নাই—অথচ সি আটাইৰে গা-মন শাঁত কৰে, নীলিমাৰ সঙ্গও মই সেইদৰে মনত দাবীৰ ভাব নোতোলাকৈ মানি লবলৈ চেষ্টা কৰোঁ। বেচেৰীক মোৰ অমঙ্গলীয়া পৰিচয়ৰ বান্ধৰ পৰা মোকোলাই দি মইতো যামেই, এনেস্থলত তাইৰ জীৱনটোত কেলেই বেচিকৈ আউল লগাওঁ ?

"আমাৰ উঠিবৰ হ'ল, নীলিমা। গোৱা গান এতিয়া। গান সদায় শেষত শুনিব লাগে, তেতিয়াহে মনত সুৰৰ বেশ লৈ উভতি যাব পাৰি।"

"যি ফিৰ ফিৰীয়া বা বলিছে সি মোৰ সুৰৰ বেশ আপোনাৰ মনৰ পৰা উকৰাই লৈ নাযাব জানো ?"

"নাযাবও পাৰে। গোৱা বাৰু।"

মই তাইৰ হাত এখন ধৰি থাকোঁ। তাই গায়, আপোন পাহৰি গায়। অকস্মাৎ মাজতে বৈ তাই কৈ উঠে, "আপুনি সোনকালে গৌৰীপুৰ এৰিবৰ মতলব কৰিছেনে কি?"

মই অলপ আচৰিত হওঁ। কওঁ, "নাই নাই, তুমি গোৱা মাথোন।"

তাই আকৌ সুৰৰ সোঁতত নিজক উটুৱাই দিয়ে।

থিৰ কৰিছিলোঁ নীলিমাক মোৰ আকৰ্ষণৰ পৰা মুক্তি দি পলাম। মই গৌৰীপুৰ এৰিলেই চাগে হ'লহেঁতেন। কাঠৰ ঠিকাটোত সোমাই লৈ অলপ জঞ্জালত পৰিলোঁ, মাজতে এৰি থৈয়ো যাব নোৱাৰি। তাতকৈয়ো ডাঙৰ কথা —মই গ'লেই জানো নীলিমাক বান্ধি থোৱা শিকলিডাল ছিগিব? কোমল-মতীয়া ছোৱালীজনীৰ অন্তৰত যি এটা সাঁচ বহিল তাক আঁতৰাবলৈ হলে মই আঁতৰিলেই নহব। যাতে মোক একে বেলিয়ে পাহৰি যায়, যাতে মোৰ কথা ভালভাৱে আৰু মনত নেপেলায়। মোৰ সমস্যাটো সহজ কৰিলে মিনতিয়ে। প্ৰথমতে বেয়া পাইছিলোঁ যদিও মিনতিয়ে মোৰ হিতেই সাধিলে। মই কামৰ মাজতে গিৰিধাৰীলালৰ লগত এদিন ধুবুৰীলৈ গৈছিলোঁ। গিৰিধাৰীলালক কিবা কাৰণত এৰি থৈ মই আগতে ঘৰ পালোঁহি। হাতমুখ ধুই চাহ-জলপান অলপ খাই বহিছোঁহে, এনেতে মিনতিয়ে মোৰ ওপৰত আক্ৰমণ চলালে।

"তুমি এতিয়া চাগে নীলিমাহঁতৰ ঘৰলৈ যাবা, নহয়নে?"

মই ধীৰভাবে তাইৰ চকুলৈ চালোঁ। তাত যেন অলপ হিংসাৰ দীপ্তি। প্ৰশ্নটোৱে মোক বিৰক্তি দিলে যথেষ্ট, কিয়নো মই সঁচাকৈয়ে তালৈ যাবলৈ মন কৰিছিলোঁ। নিজক যিমান পাৰি সংযত কৰি কলোঁ, "হয়তো যাম।"

"কিয় যোৱা? আহি পাইছাহি মাথোন?"

মই দেখিলোঁ তাইৰ ভঙ্গী বৰ সন্তোষজনক নহয়। মিছাকৈয়ে এই বিষয়ে তৰ্কাতৰ্কি কৰাতকৈ তাইৰ মুখ জপাবলৈ মই তত্তালিকে কৈ উঠিলোঁ, "আঃ সেইখন দেখোন বঢ়িয়া কমাল! ক'ত পালা?"

কমালখন ৰঙিন চিল্কৰ। মই সেইখন ক'ৰ পৰা আহিছিল সন্দেহ কৰিলোঁ। তাই মোৰ কথাত কমালখন হাতৰ মুঠিত লুকুৱালে আৰু মোৰ মুখলৈ পোন্দোৱাকৈ চাই ৰ'ল।

"ক'ত পালা এনে বঢ়িয়া কমাল?" মই ব্যঙ্গৰ সুৰত আকৌ সুধিলোঁ।

"তুমি নীলিমাক যেনেকৈ দিয়া, সেইখন মোকো গিৰিধাৰীলালে সেইদৰে দিলে।"

মই হাঁহি দিলোঁ। তাই ইমান মুকলিকৈ কব বুলি ভবা নাছিলোঁ। কলোঁ, "মই যে নীলিমাক কমাল উপহাৰ দিছোঁ, ধৰি ল'লা কিয় ? নিদিবওতো পাৰোঁ ?"

মোৰ হাঁহিত তাইৰ মুখ গৰম হ'ল। খঙত তাই কমালখন চিৰাচিৰ কৰিলে। তাইৰ অস্থিৰতাত মোৰ আকৌ হাঁহি ওলাল। তাই বকিবলৈ ধৰিলে, "যোৱা যোৱা, নীলিমাৰ তালৈ যোৱা, মোক কেলৈ ? মইনো কোন ? বামুণৰ ছোৱালী এজনীৰ লগত—লাজ নালাগে, অনুশোচনা নহয় ? ছিঃ তুমি তেনে কিয় মোৰ লগত—মোৰ লগত—ধুবুৰীৰ হোটেলত—কিয়—কিয় ?—"

ৰাগত অভিমানত তাইৰ নাক-মুখ কোঁচ খালে, চুলি আউল-বাউল হল। চুকুৰে পানী ব'লে, নাকত ফোঁক ফোঁক শব্দ হ'ল। মোৰ ধৈৰ্য্য টুটি আহিছিল।

"ধুবুৰীত মই নিজে "

মোৰ মুখৰ কথা কাঢ়ি লৈ তাই আকৌ আৰম্ভ কৰিলে, "এৰা, ধুবুৰীত মই নিজে—এনে সচ্চৰিত্ৰৰ চানেকিটো! কথা কৈছে! মই যদি মিনতি হওঁ, মই যদি—মই—চাব তোমাক কি নকৰোঁ, মই—"

তাই হাত ভৰি জোকাৰি মোৰ ওপৰত পৰিব যেনেই লাগিল। ভাবিলোঁ কোনে চুপতি কৰে এইজনীৰ লগত।

"মুখৰ মাত নাই কিয় এতিয়া ?"

গাৰ জোকাৰণিত তাইৰ চাদৰখনো পিচলি পৰিছে। তাইলৈ মোৰ পুতৌ উপজিছিল। কলোঁ, "তোমাৰ বৰ খং উঠিছে, মিনতি। অলপ থিৰ হৈ লোৱাচোন। তুমিহে কৈ গৈছা, মোক ক'বলৈতো দিয়াই নাই—"

"খং ? কাৰ উঠিছে খং ? নুঠিবই বা কিয় ? ৰ'ব যদি মই তোমাৰ সোণৰ সপোন ভাঙি নিদিওঁ—এতিয়াই যাম মই—" তাই কাপোৰ-কানি চম্ভালি লৈ বাহিৰলৈ খোজ দিব খুজিলে।

"কলৈ গৈছা ?" মই ডাবি দি কলোঁ।

"কেলেই নাযাম ? এতিয়াই যাম—চব কম, চব কথা নীলিমাহঁতক কৈ দিম। আটাইৰে আগত কম।"

মই তাইৰ হাতখন ধৰিবলৈ চেষ্টা কৰিলোঁ। তাই উচাট্ মাৰি আতৰ হ'ল। কথা ভাল নেদেখিলোঁ, তাই যাব, গৈ নীলিমাহঁতৰ ঘৰত কি যে কাণ্ড নকৰিবগৈ।

থিয় হলোঁ, তাই লৰ মাৰিব খুজিছিল, থাপ মাৰি ধৰিলোঁ। ধৰি জোৰ কৰি তাইক তাইৰ খোটালীলৈ লৈ গ'লোঁ।

গালেমুখে হাত বুলাই কিছুপৰৰ পিছত তাইক অলপ শাঁত কৰিব পাৰিলোঁ।

ৰাতি গিৰীধাৰীলাল আহি মোক দেখি সুধিলে, "মিনতিৰ কি হৈছে ? তোমাকো দেখোন বৰ গহীন দেখিছোঁ।"

মোৰ কথা ক'বৰ মন যোৱা নাছিল।

"আৰে কি হ'ল, মুখৰ মাত নাই কিয় ?" তাৰ মুখত বিস্ময়ৰ ভাৱ।

"ভাই, মই আৰু ইয়াত থাকিব নোৱাৰিম যেন পাইছোঁ। তোমাক ক'বলগীয়া কথা বহুতো আছে ; তোমাৰ গাতো অলপ জগৰ আছে"—অলপ হাঁহি কলোঁ।

"মোৰ গাত কি জগৰ ?" সি যেন অলপ ভয় খালে।

"বাৰু বাৰু, সেইবোৰ পিছতো হ'ব। আজি বৰ ভাগৰো লাগিছে। তোমাক কাইলৈ কম।"

পিচদিনা ৰাতিপুৱাই গিৰিধাৰীলালৰ সৈতে ওলাই গ'লোঁ লৰী এখন লৈ। মিনতিৰ সৈতে মোৰ কি সম্বন্ধ তাৰ আভাস তাক দি থৈছিলোঁ। তাক কলোঁ, "মিনতিক ইয়াত ৰখাটো ঠিক হোৱা নাই। ভদ্ৰঘৰৰ ছোৱালী ইয়াত থাকিলে মোৰ কথা নকওঁ, তুমিয়ে তাইক নষ্ট কৰিবা।"

"মই কি কৰিলোঁ ?" সি মোৰ মন্তব্যটো পচন্দ নকৰিলে ; "মই মাথোন অলপ কিবাকিবি কাপোৰ উপহাৰ দিছিলোঁ, আৰু-তো—"

মই তাক আশ্বাস দি কওঁ, "বাৰু বাৰু। সেইবাবে তোমাক জগৰীয়া নকৰিলেও তাইক ইয়াত ৰখা উচিত হোৱা নাই। তোমাৰো বদনাম মোৰো বদনাম। তাৰ উপৰি মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ স্বভাৱৰ এটা লক্ষণ কি জানানে? এই শ্ৰেণীৰ মানুহে লুকুৱাই বহুতো কাম কৰে, কিন্তু বাহিৰত সমাজৰ আগত নিজৰ মুখ ৰক্ষা কৰিবলৈকেও কম যত্নপৰ নহয়। তুমি মন কৰিব পাৰা এই যুদ্ধৰ সুযোগ লৈ বহুতো মানুহে নানান অসৎ উপায়ে ধন উপাৰ্জন কৰিছে, অথচ এই লোকবিলাকেই সমাজসেৱাৰ নামত মুখত বচা-বচা নীতি উচ্চাৰণ কৰি ফুৰিছে। বুজিছা, বাহিৰৰ পৰ্দাৰ উজ্জ্বল ৰংটো চালেইতো নহয়। ভিতৰলৈকেও চাব লাগে—তাত দেখিবা ধোঁৱাবৰণীয়া আন্ধাৰ, নাকত লাগিব ভেকুৰা গোন্ধ!"

"তুমিওতো মধ্যবিত্ত শ্ৰেণীৰ লোক?" সি মন্তব্য কৰে। তাৰ বোধশক্তি বেয়া নহয়। লিখা-পঢ়াও কিছু নকৰা নহয়।

"ঠিক ধৰিছা, সেই কাৰণে এই শ্ৰেণীৰ সামাজিক ভণ্ডামি মোৰো কম নাই। মই হয়তো এইবোৰ বুজিবলৈ অলপ চেষ্টা কৰিছোঁ আৰু সেই কাৰণেই এইদৰে ক'ব পাৰিছোঁ।"

অলপ ৰৈ আকৌ কওঁ, "হয়, মিনতিয়ে ভিতৰত যিয়ে নকৰক বাহিৰত তাইক এখন সংসাৰ লাগে, এজন স্বামী লাগে, সন্তান এটি লাগে, ভদ্ৰমহিলা হিচাবে পৰিচয় দিবৰ সুযোগ লাগে। এই সুযোগতো মই দিব নোৱাৰোঁ, সেই কাৰণে কিয় মিছাকৈ বদনামৰ ভাগী হওঁ, এইবোৰ কথা মোৰ ঘৰত ওলালেও এখন হুলস্থুল লাগিব।"

"তাইক পঠিয়াই দিব নোৱাৰিনে? তাইৰ স্কুল খুলিবৰ হোৱা নাই জানো?"

"তাইক পঠিয়াবানে! কালি গধূলি তাইৰ যি ৰূপ দেখিলোঁ—"

মই তাক নীলিমাৰ কথাও কলোঁ। সকলো কথা মুকলিকৈয়ে কলোঁ।

সি মোৰ অৱস্থাটো বুজি সহানুভূতি জনালে। ছোৱালীজনীৰ কথা ভাবিও সি দুখ পালে। মোৰ সিদ্ধান্তটো সি অপচন্দ নকৰিলে, তাইৰ ওচৰৰ পৰা ওচি

বোজাটো কিমান যুক্ত সি বুজা নহয়। ঠিকাটোৰ প্ৰশ্ন তোলা হ'ল। মাজতে এবি গ'লে চলাবলৈ টান। সিও অকলে চাৰিওফালে নজৰ দিবলৈ টান পায়।

"তথাপি কিবা এটা কৰিব লাগিব," সি মন্তব্য কৰে।

"মই আৰু ভাই লাভৰ কথা নোভোৱোঁ। মোৰ টকা এহেজাৰ সোমাইছে সেইখিনি পালেই হব, তাৰ কাৰণে এতিয়া অৱশ্যে তোমাক আমনি নকৰোঁ।"

সি মোৰ মুখলৈ চাই অলপ হাঁহিলে। ক'লে, "এহ্, মইনো তোমাৰ টকাহেজাৰ খামনে? তোমাৰ কাৰণেই ঠিকাটো পালোঁ বুলিব লাগে, তোমাক লাভৰ অংশও—"

"থোৱাচোন সেইবোৰ এতিয়া, লাভ-লোকচানৰ হিচাব-নিকাচ পিচে-পৰেও হব। সম্প্ৰতি মোক পলাবলৈ দিয়া।"

"তুমি গ'লে মিনতিও যাব, নহয়নে?"

"নিশ্চয় যাব।"

ঠিকাৰ কাম আধাআধি সম্পূৰ্ণ হৈছিলেই। কচুগাওঁ বিজাৰ্ভত আমাৰ কাঠৰ মহল এটা লোৱা হৈছিল। তাত গছ কটা হয়, আৰু ফলোৱা হয় ওচৰৰ ছ-মিল এটাত। হাবিৰ মাজৰ পৰা কাঠ উলিয়াবলৈ হাতী ব্যৱহাৰ কৰা হয়। মাজে মাজে গৈ চাই আহিব লাগে। তাত আমাৰ বিশ্বাসী সহকাৰী এজন আছিল। আমি দুয়োজনে গৈ এবেলি চাইমিলি আহিলোঁ গৈ। মই অহা এক-প্ৰকাৰ নিশ্চয়ে হ'ল।

মিনতিৰ লগত কাজিয়া লগাৰ চাৰিদিনমান পিচৰ কথা। এইকেইদিন নীলিমাহঁতৰ ঘৰলৈ যাবলৈ আহৰি পোৱা নাছিলোঁ। মই আহিবৰ আগদিনা আবেলি খবৰ লবলৈ গলোঁ। নীলিমা বাহিৰতে ঘাঁহনিত বহি আছিল। মই দূৰৰ পৰা মুখ চিনি পালোঁ। তাই মৃদু হাঁহি সম্ভাষণ জনালে।

"মই দুদিনমানৰ কাৰণে ঘৰলৈ যাব লাগিল, নীলিমা।"

"মাত্ৰ লগাৰ আছিছে চাগে? মিনতিকো লৈ যাবনে কি?" তাইৰ কথাত যেন কন্দনৰ আভাস।

ভাত কথাৰ জোলোঙা মেলিবৰ মন গ'ল। সুধিলোঁ, "পিতাৰা আছে ?"

"মাত দি আহক গৈ, ভিতৰত আছে। ইতিমধ্যে মই গুলাওঁ কাপোৰ-কানি পিন্ধি।"

তাইৰ চাগৈ মোৰ লগত ফুৰিবলৈ যাবৰ মন। মোৰ ভাবি বেয়া নালাগিল। কথা-বতৰা তেও নিজানত হব পাৰিম।

বুঢ়াই কিতাপ পঢ়ি আছিল। মোক দেখি অকণমান হাঁহি ক'লে, "গান্ধীজীৰ আত্মজীৱনী পঢ়িছোঁ বাপা। পঢ়ি বেচ ভাল লাগিছে। কি নিৰ্ভীক লোক, নিজক অকণো ফাঁকি নিদিয়ে, দুখ-কষ্ট, সম্পদ-বিপদ সকলোকে সমান চকুৰে চাব পাৰে—তুমি পঢ়িছানে চাগৈ ?"

"কলেজত থাকোঁতে পঢ়িছিলোঁ। আগবয়সত কেতবিলাক পুৰুষৰ জীৱনীয়ে খুব প্ৰেৰণা যোগাইছিল, পিচে এতিয়া জীৱনৰ সৈতে সম্বন্ধ স্থাপন কৰিব খোজোঁতেহে জোঁট লাগে—"

"হাতৰ আগৰ কাম কৰি গ'লে কেতিয়াও জোঁট নালাগে, কেতিয়াও বিচলিত হব নালাগে। নীলিমাক তাকেই কওঁ। তাই আজি কিছুমান দিনৰ পৰা মাজে মাজে মন মাৰি থাকে। মই কওঁ—নিজৰ কাম কৰি যাবি, মন নিৰ্মল থাকিব, শান্তি পাবি।"

মই শুনি থাকোঁ। কথাষাৰ মোৰ গাতো লাগে। অলপ বৈ তেওঁ আকৌ কয়, "বাপা, কথা এটি সোধোঁ। মিনতি তোমাৰ কি হয় ?"

মই ভনী হয় বুলি কৈছিলোঁ, বুঢ়াই প্ৰশ্ন কৰিলে কিয় ? মিনতি এইকেইদিনৰ ভিতৰত নিশ্চয় আহিছিল ? মোৰ বৰ লাজ লাগে। মিছা কথা কবলৈয়ো মন নাযায়।

"মোৰ ভনীয়েই হয় এক হিচাবে।" উত্তৰটো বৰ ঢিলা হ'ল যেন লাগিল।

"হু !"

বুঢ়াৰ সমিধানটো সংক্ষিপ্ত হ'ল যদিও তাৰ অৰ্থ কিমান ব্যাপক হব পাৰে মোৰ বুজিবলৈ বাকী নাথাকিল। মাটিৰ লগত মিলি যাবলৈ মন গ'ল। এই মানুহজনক ইমান শ্ৰদ্ধা কৰিছিলোঁ, এতিয়া মোৰ বিষয়ে চাগৈ তেওঁ কি

যে ধাৰণা লৈছে। এই মিনতিজনীক পালে বৌত ধৰি তিনিপাক ঘূৰাম। এইজনীয়ে মোৰ সৰ্ব্বনাশ কৰিলে।

তাৰ পৰা কেনেকৈ উঠি আহিলোঁ কব নোৱাৰোঁ। সম্ভৱ আঁতৰৰ পৰা নীলিমাই মাত লগালে আৰু মই তাৰে চেলুলৈ উঠি আহিলোঁ। বুঢ়াই পিচফালৰ পৰা নীলিমাক উদ্দেশ্য কৰি মাথোন ক'লে, "নীলি, আহোঁতে পলম নকৰিবি।"

নীলিমাৰ লগত দুখোজমান আগবাঢ়ি গৈছোঁহে মাথোন, এনেতে তাই আচৰিত ধৰণৰ হাঁহি এটা মাৰি ক'লে, "অ' দাদা, মই মানুহ এঘৰৰ তালৈ যাব লাগে। আপোনাক অলপ আগ বঢ়াইহে দিলোঁ।"

তাই মোক ঠাইতে এৰি যাবলৈ ওলালেই। তাইৰ ধৰণ-কৰণ দেখি মোৰ কেনেবা কেনেবা লাগিল। প্ৰশ্নসূচক চকুৰে তাইলৈ চালোঁ, তাই মাথোন মিচিকিয়ালে।

"কেতিয়া আহিব আকৌ?"

"ব'বা, কলৈ যোৱা তুমি? ফুৰিবলৈ নোযোৱা মোৰ লগত?"

"আপুনি যাব আৰু দেই, মোৰ অলপ বিশেষ কাম আছে—আপোনাক গুৱাহাটীত লগ পাম নিশ্চয়।"

তাই উলটি ৰহস্যময় হাঁহি এটি মাথোন দলিয়াই গ'ল। মই তাতেই ৰৈ থাকিলোঁ। কি অদ্ভুত ছোৱালী। কিয় তাই সেইদৰে এৰি গ'ল? মিনতিয়ে কিবাকিবি ক'লে নিশ্চয়। কি ক'লে গম নাপালোঁ। মিনতিক সুধিবৰো মন নাই, এখুজি দুখুজিকৈ আঁতৰ হলোঁ। মিনতিয়ে চাগে সঁচাকৈয়ে আমাৰ দুয়োৰো মাজত বেৰ এখন তুলি দিলে। তাইৰ পৰা আঁতৰ হবই খুজিছিলোঁ, তথাপি এইদৰে, অকস্মাৎ, এনে, এইদৰে খৰামুৰাকৈ কিবা এটা হব বুলি ভৱা নাছিলোঁ।

বাটত মনত খেলালে নীলিমাই চাগে বহুত বিবেচনা কৰিয়ে এইদৰে আমাৰ সপোনৰ সামৰণি পেলাবলৈ মন কৰিলে। মিনতিৰ কথা তাই জানে, সেই কাৰণে মিনতিয়ে যিয়েই নকওক সি তাইৰ মন বিচলিত কৰিব নোৱাৰে। শান্ত সংযত ছোৱালী তাই, কি আউস নলগাকৈ আঁতৰি গ'ল। যাবৰ সময়তো মুখৰ হাঁহি লুপ্তছিল।

বহুদিনলৈ গৈ দেউতাৰ মুখৰ পৰা অলপ আশীৰ্বাদ হজম কৰি গোলাখনৰ অৱস্থা ট্ৰেনকিয়াল কৰিব পাৰিবনে তাৰ চেষ্টাত লাগিলোঁ। মোৰ মেনেজাৰ নিতাই ববাই অলপ গা এৰা দিয়া যেন পাই তেওঁক পোনাবলগীয়া হ'ল। নিতাই আমাৰে বায়ত এঘৰৰ ল'ৰা, আই-এ ফেল কৰি সি চাকৰি এটাতে সোমাবলৈ মন কৰিছিল। তাৰ গাত খদ্দৰ, কংগ্ৰেছৰ সভা-সমিতিৰো সি অলপ খবৰ ৰাখে। পিচে হুমাহমীন ঘূৰা-ঘূৰি কৰাৰ পাচত তাৰ মনৰ জোখাৰে চাকৰি নাপাই সি বৰ দুখ পালে। এইয়া তিনিবছৰ আগৰ কথা।

"ভাই, বিয়াল্লিশ চনৰ আন্দোলনত মিছাকৈয়ে স্কুলত জুই লগাই ফুৰিলোঁ, ফল হলে একো নহ'ল," বেজাৰ মনেৰে সি মন্তব্য কৰে।

"পাপতো অলপ হল," মই হাঁহি কওঁ।

"পেটৰ ভাতমুঠিৰ যোগাৰ হওক আগে, তাৰ পাচত পাপৰ হিচাব।" তাৰ তেজগোৰা চকলা মুখখন নৈৰাশ্যত শেঁতা পৰে।

"কিনো কৰিবা এতিয়া ?"

"বিয়াল্লিশ চনত কৰিলোঁ বিদেশীৰ বিৰুদ্ধে সংগ্ৰাম, এতিয়াও দেখিছোঁ, সংগ্ৰামৰ শেষেই নপৰিল।"

প্ৰশ্নৰ চকুৰে তালৈ চাওঁ।

"এবা সংগ্ৰাম চলাবই লাগিব।"

"কিনো সংগ্ৰাম কৰাহে, মোৰ লগ লাগা।"

"তোমাৰ আছে খাবলৈ ভাত, মোৰ নাই, এনে অৱস্থাত আমাৰ দুয়োৰে লগ হোৱা জানো সম্ভৱ ?"

"তুমি দেখোন কথাবোৰ কেনেকৈ কৈছা ?"

"গান্ধীজীয়ে কৈছিল—তুমি যেতিয়া কিবা এটা কাম কৰিবলৈ গৈ থিৰ কৰিব পৰা নাই তেতিয়া ভাবি চাবা তোমাৰ কামটোৱে মুখত ভাত নপৰা

কোনোবা এজনৰ কিবা হিত সাধিবনে। বুজিছা উৎপল, গান্ধীজী আছিল বিপ্লৱী। ময়ো গান্ধীজীৰে শিষ্য!" কথাষাৰ সি অলপ জোৰেৰে ক'লে।

"ৰ'বা ৰ'বা, গান্ধী হবলৈ গলে আশ্ৰমলৈ যাব লাগিব, আৰু তাত সোমাই থকাও নিৰাপদ নহব, কিয়নো মাহীয়েৰাই যেতিয়া তেওঁৰ জোঙা নাক আৰু পাতল ওঁঠ দুটা লৈ·তোমাক বিচাৰি যাব তুমি পলাবলৈ ভং নাপাবা।"

মাহীমাকৰ কথা ক'লে তাৰ মনৰ তাপ সদায় কমে। সি বেয়া পাব বুলি ভাবি মই পাতলাই কওঁ, "নাই,·এইবোৰ থোৱা, বহাৰ হাটত যে গোলাঘৰ লোৱাৰ কথা কৈছিলোঁ তাৰে কথা পতা যাওক।"

নিতাইক কোনোমতে ৰাজী কৰি গাদীত বহুৱাই থৈ মই অলপ সকাহ পাইছিলোঁ। মৰাপাট, বেত, ধান ইত্যাদি বস্তুৰ কাৰবাৰ; মনপুতি কৰিব পাৰিলে বেয়া নহয়, পিচে কাৰবাৰ যেয়ে সেয়ে কৰিব নোৱাৰে। নিতায়ে কৰিব নোৱাৰে তাৰ মূলধন নথকাৰ কাৰণে নহয়, মূল মনটোত কৈৰোণে ধৰিলে কাৰণে। খেতিৰ ভাত খাই পথাৰত দৌৰাদৌৰি কৰি ভাঙৰ হোৱা ল'ৰা, তাৰ হা ণ্ড-ভৰিৰ নোদোকা গঢ়ৰ লগতে মনটো যদি নোদোকা নহল তাৰ কাৰণ তাৰ মাহীমাক। সি কয়, "যিদিনাই মই মাহী আইক আৱিষ্কাৰ কৰিলোঁ সেইদিনাই—উৎপল, সেইদিনাই—মোৰ আমঠু আধা ইফিমাৰ শুকাল। আৰু ইমানদিনে যে কলিজাৰ কিবা বাকী থাকিল এনে আশ্বাস নাই—"

তাৰ মাহীমাকৰ বিষৰ কলহৰ ভাপ ময়ো অলপ নোপোৱা নহয়। এদিন সি মোক কিবা এটা উপলক্ষ্য কৰি নিমন্ত্ৰণ কৰিছিল। দেউতাইতে মই বঁটা ত'তে খাই ফুৰা পচন্দ নকৰে, পিচে মই এই বিষয়ত উদাৰ, বিশেষকৈ নিতাইকনো কেনেকৈ আওকাণ কৰোঁ? তাৰ মাহীমাকে মোক দেখি মধুৰ টেঙামিঠা হাঁহি এটাৰে সাদৰ জনালে।

"বাপা আহা, তোমাক দেখোন আজিকালি দেখিবলৈ টান হল।"

"নহয় মাহীদেউ, কামে কাজে ঘূৰি ফুৰিবলগীয়া হয় নহয়, আহিবলৈ আহৰিয়ে নাপাওঁ।" মই ভয় ভয়কৈ কওঁ, কিয়নো তেওঁ কেতিয়া ভৰ্ৎসনা আৰম্ভ কৰিবলৈ ধৰে।

"এহ্, বাপা, তোমালোকনো আমাৰ ঘৰলৈ আহিবা কিয় ? আমি কিবা তোমালোকৰ সমাননে ? পিচে তুমি হৈছা চহকী মানুহৰ ল'ৰা, তোমাৰ কথা সুকীয়া। সেইবুলি আমাৰ এই অলগৰ্দ্ধটোক নাকী লগাই ঘূৰাই ফুৰোৱাটোহে ঠিক হোৱা নাই।" তেওঁৰ হাঁহিত এইবেলি মিঠাৰ আঁচ অকণো নাই, তেনেই টেঙা।

মই ভাবিলোঁ জলপান নৌখাওঁতেই ইমানখিনি, আৰুতো আছেই। নিতাইৰ মুখলৈ চাওঁ, সি গোজোং মাৰি তলমূৰকৈ থিয় হৈ আছে, কপালখন খঙত অলপ কোঁচ খোৱা।

বুঢ়ীয়ে জীয়েক সাদৰীক জলপান-চলপান দিবলৈ সঙ্কেত দি আকৌ উলিয়ালে, "এবা আজিকালিৰ ল'ৰাবিলাক কি হ'ল—"

সাদৰীয়ে আমাৰ দুৰৱস্থা অনুভৱ কৰিয়ে হবপায মাত দিলে, "মা, এইফালে আহি যাচোন, সোনকালে আহ।"

সাদৰী বুঢ়ীৰ একেটি সন্তান। বুঢ়ীৰ বাহিৰে ঘৰত নিতাই আৰু সাদৰীহে।

খাবৰ সময়ত বুঢ়ীয়ে আৰম্ভ কৰিলে, "পৰহিয়ে কলোঁ, বোলো নিতাই, যাচোন জোঁৱাই ল'ৰাটোৰে এবেলি খবৰ কৰি আহগৈ। তাৰ ঘৰত ভায়েক-হঁতৰ লগত কাজিয়া। সিয়ে তাহাঁতক খুৱাব বুৱাব লাগে। কেলৈনো লাগে ? সিয়েনো তাহাঁতক সদায় টোপ দি থাকিবনে ? সিহঁতেওতো খুঁটি খাব জানিব লাগে।"

"ভায়েককেইজন সক, নহয় জানো মাহীদেউ ?"

"কিহৰনো সক ? আৰু সক হলেই বা সিনো সদায় তাহাঁতক—"

"তই মনে মনে থাকচোন মা—তেওঁ যি ভাল বুজে সেইমতে কৰিব, লোকৰ ঘৰ ভঙা বুধি তোক দিবলৈ কোনে মাতিছে ?" সাদৰীয়ে ভিতৰৰ পৰা মাত দিয়ে। তাই চাগৈ কথাবোৰ শুনি থাকিবলৈ টান পালে।

"অ' মোৰ গাতহে লাগিলনে ? মই চিন্তো তহঁতৰ ভাল, তহঁতে ভাব মই কাল। তই ভাত কষ্ট পাব বুলিয়ে তোক এই ছমাহ ঘৰতে ৰাখি থৈছোঁ,

নহলেনো মোৰ কিহৰ গৰজ ? নিজৰ ছোৱালীৰ মুখত এই ধৰণৰ কথা, কি-যে দিন-কাল হ'ল, হৰি হৰি! আজি তেখেত থকা হলে মোৰ এনে দুৰ্গতি হয়নে ?—"

বুঢ়ীক শান্ত কৰিবলৈ বুলি মই মাজতে মাত দিলোঁ, "মাহীদেউ, অলপ দৈ দিয়কচোন। দৈখিনি ভাল লাগিছে, নহয়নে নিতাই ? কেনে পাইছা তুমি ?"

"কেনেনো পাব আৰু ? সি কিবা এইবোৰ কথা কাণ কৰেনে ? মই কি খাওঁ কি পিন্ধো ?—নিজৰ ল'ৰা থকাহেঁতেন আজি—"

বুঢ়ীক সৈমান কৰিব নোৱাৰি যেন লাগিল। বেজাৰৰ হেঁচাত তেওঁ চকুপানী টুকিবলৈ ধৰিলে। লগেলগে ওঁঠৰ বাজনি। সাদৰীয়ে নিজেই দৈ দি গ'ল। অভিমান আৰু খঙত তাইৰ মুখখনো ওফন্দি পৰিছে। "মই মৰিলেহে চাগৈ তই শান্তি পাবি," মাকক উদ্দেশ্য কৰি তাই ভোৰভোৰাই গ'ল।

আহিবৰ সময়ত নিতায়ে কয়, "ভাই, মই আৰু এই ঘৰত থাকিব নোৱাৰোঁ। দেখিলাই নহয়, ভাতমুঠি খাবৰ সময়তো অলপ সকাহ নাই, সাদৰীৰ জীৱনটোও জ্বলাই মাৰিছে, জোঁৱায়েকেও দেখা দিবলৈকে ভয় কৰে, অলপ অসুবিধাত পৰিহে ছোৱালীজনীক এইদৰে এৰি থৈ গৈছে।"

"মোৰ লগ লাগা," চমুকৈ কওঁ।

"ভাল কথা কৈছা! তোমাক বুঢ়ীয়ে চকুৰ কুটা যেন দেখে অন্ততঃ মই তোমাৰ লগত ফুৰা কাৰণে।"

"মাইকী মানুহৰ কথা, তাকেনো ধৰি থাকানে ? আহা, গোলাখন কৰি লওঁ, তুমিয়ে বখীয়া হবা ; চলোৱা কাৰণে বানচ এটা ল'বা, তাৰ উপৰি লাভৰ অংশ—"

"হয়, সোনকালে কিবা এটা নকৰিলে নহব। দেউতাৰ বেমাৰত খৰচ হোৱা টকা তিনিশ ধাৰ এতিয়াও আছে। তাৰ উপৰি এমাহ আগেয়ে গৰু এটা কিনিছিলোঁ, তাৰ টকাও পূৰাকৈ দিব পৰা নাই। সাদৰীৰ বিয়াত কম টকা গ'লনে—"

তিনিবছৰৰ মূৰত যে গোলাখনৰ কিবা উন্নতি হৈছিল এনে ভাব নহয়। মাথোন মাজত যুদ্ধৰ দিনকেইটাৰ সুযোগ লৈ অলপ লাভ কৰিছিলোঁ। নিতায়ে তাৰ ধাৰথিনি মাৰি ঘৰ এটা সাজিছিল আৰু মই মৰাপাটৰ কাৰবাৰ কৰি খুবুৰীত অলপ টকা লোকচান কৰিবলৈ সমৰ্থ হৈছিলোঁ।

গোলাখনতে কিবা কৰিব পাৰিনে বুলি নিতাইক কলোঁ, "নিতাই, তুমি এইদৰে গা এৰা নিদিবা। অন্ততঃ এইখনৰ ওপৰতে এই তিনিবছৰ তিষ্ঠি আছা, অন্য চাকৰি-বাকৰি বিচৰাতকৈ ইয়াতে যদি অলপ ধান-চাউলৰ ব্যেপাৰ কৰিব পাৰা, তেনেহলে দিনকেইটা নিয়াবলৈ টান নহব—"

সি অলপ দ্বিধাৰ ভাবেৰে কিবা কব খোজোঁতে মই ধেমালিৰ সুৰত আকৌ কওঁ, "শুনাচোন, তুমি বাঘৰ নেজ কামোৰা বৰাৰ ঘৰৰ সন্তান; তোমাৰ মাহীয়েৰাক বাঘৰ নেজ কামুৰিবলৈ নিদিবা, তুমিও অলপ ধৰিবা—ইমান ঢিলা হ'লে কেনেকৈ চলিব?"

বাঘৰ নেজ কামোৰা বৰাৰ ঘৰ বুলি তাহাঁতৰ এসময়ত অলপ খিতাপ আছিল, এতিয়া অৱশ্যে বাঘ বুলিলে সি দূৰতে পলায়।

পোনপতীয়া সমিধান নিদি সি কয়, "কথা এটা আছেহে, তোমাক কওঁনে নকওঁ ভাবিছোঁ।"

"কৈ পেলোৱা।"

"পিছত ক'ম, দেই।"

"গোলা এৰিব খুজিছানে কি?"

"গোলাৰ কথা নহয়, গোলাত দেখোন মই লাগিয়ে আছোঁ। মাথোন অন্য-ধৰণৰ কাম অলপ হাতত পৰা কাৰণেহে।"

"কি আন কাম।"

"অলপ সমাজৰ কাম।" অন্যমনস্কৈ সি কয়।

মই অলপ তীক্ষ্ণ দৃষ্টিৰে তাৰ চকুলৈ চাবলৈ চেষ্টা কৰোঁ। সি মিচিকিয়াই আঁতৰ হয়।

হাটবাৰৰ দিনা। বহাৰ থানাৰ পুলিচ এজন হাটলৈ আহিছিল চাউল বিচাৰি। দাৰোগাই বোলে জহা চাউল খাব খুজিছে। সি মোক চিনি পায়। ওচৰলৈ আহি সাধাৰণ কথাবতৰাৰ পাছত ইফালে সিফালে চাই সৰুকৈ সি ক'লে, "বৰুৱাবাবু, আপোনালোকৰ মাটিৰ খাজানা তুলিব পাৰিছেনে ?"

"নাই, কিয় ?"

"এহ্, নকব আৰু, ফুলবাৰী গাওঁ একেবাৰে বিপ্লবৰ আড্ডা হৈছে। আমিতো সেইফালে যাবলৈ ভয়ে কৰোঁ। সেইবেলি দাৰোগাবাবু মৈ কথমপিহে বাচি আহিছে।"

"অ' সেই কছাৰী এটাক যে ধৰি অনা হৈছিল—লপাং নে কি নাম—তাৰ কি হ'ল ?"

"আপুনি জানেনে কি ঘটনাটো ? তাৰ ফাটেক হ'ল হবপায়, ছমাহ জেল।"

"মই সিবেলি সেইফালে যাওঁতে তাৰ ঘৈণীয়েকক লগ পাইছিলোঁ, তায়ে কৈছিল হবপায়।"

"সেইফালে গলে সাৱধানে যাব বাবু। মানুহবিলাক বৰ একৰবণৰ হ'ল।"

"এৰা, খাজানাৰ কথা এৰিয়ে পেলাইছোঁ। পিচে এটা কথা নহয়—সিইতেনো কি কৰিব ? পেটৰ ভাতহে সকলো গণ্ডগোলৰ মূল, নহয় জানো ?"

"ক'ব লাগেনে, পিচে বিমানদিন চৰকাৰৰ নিমখ খাইছোঁ, তিমানদিন—" সি হাঁহি আঁতৰ হয়।

নিতাইক চাব মাৰি ধৰিলোঁ, "নিতাই, ফুলবাৰীৰ ফালে গৈছানে ? নতুন খবৰ কি ?"

"ফুলবাৰীলৈ কিয় যাম ? মোৰ তাত কিবা মাটি আছেনে ?"

"এনেয়েতো যাব পাৰি।" মোৰ চকুত হাঁহি। সিনো মোক ইমান অবিশ্বাস কৰিছে কিয় ?

"তোমাক নকওঁ বুলি ভাবিছিলোঁ, পিচে ক'বই লাগিল। ৰবীন বৰুৱাক চিনি পোৱানে ? ৰবীন বৰুৱা আৰ্টিষ্ট যে ?"

"পাওঁ পাওঁ, পিচে কি হ'ল ?"

"তেওঁ আহি ফুলবাৰীত আড্ডা পাতিছেহি ।"

"কি ধৰণৰ আড্ডা ?" মই অলপ আচৰিত হওঁ।

"কিয়, তেওঁ এতিয়া বিপ্লবীদলৰ সভ্য নহয় ?—"

"ইমানখিনি নাজানো। তেওঁক লগ পাইছিলোঁ, কেইমাহমান আগেয়ে শ্বিলঙত, শিল্পী মানুহ—তেওঁ যে এই কেইদিনৰ ভিতৰত ৰাজনীতিত সোমাই পৰিব ভাবিবলৈ টান লাগে।"

"সমাজৰ কথা ভাবিবলৈ শিকিলেই শিল্পী ৰাজনীতিত সোমাই পৰে।

নিতাইৰ মুখত যেন নতুন কথা শুনো, অন্ততঃ তাৰ কথা কোৱাৰ ভঙ্গীটো। শিল্পৰ উৎকৰ্ষ হয়তো কেৰোণে ধৰা সমাজত সম্ভৱ নহয়, কিন্তু অনুভূতিশীল শিল্পীয়ে যেতিয়া নিজেই সমাজক নতুন গঢ় দিবলৈ ওলায় তেতিয়া আমি বাস্তৱৰ পটভূমিত থিয় হব জনা শিল্পীৰ নৈতিক সাহ অৱশ্যে প্ৰবল শক্তি। পতিয়াবলৈ টান পাওঁ।

নিতায়ে আকৌ মোক কয়, "ভাই, তুমি দেউতাৰাৰ খোচনি পাই খাজানা আদায় কৰিবলৈ ফুলবাৰীলৈ নাযাবা দেই। তোমাক কাবৌ কৰিছোঁ, দিনকাল চাই কাম কৰিবা।"

তাৰ কথাত মৰমৰ আঁচ ফুটি ওলায়। সি মোৰ কাৰণে যথেষ্ট চিন্তা কৰে। ৰবীন বৰুৱাৰ সৈতে মোৰ কি ধৰণৰ সম্বন্ধ সেই বিষয়ে তাক মই একো নকওঁ।

॥ ১০ ॥

ৰাতি ভাত খাবৰ সময়ত মাই অকস্মাৎ সুধিলে, "তই মিনতি চৌধুৰী নামৰ ছোৱালী এজনীক চিনি পাৱনে ?"

মই অলপ সতৰ্ক হলোঁ, কিয়নো কি ধৰণৰ কথা ওলায় ক'বতো নোৱাৰি। একো নমতাকৈ মাৰ মুখলৈ চালোঁ। তেওঁ সহজভাবেই ক'লে, "সৰুমায়ে লিখিছে বোলে তোৰ কাৰণে ছোৱালীজনী ভাল হব। তই বোলে চিনিও পাৱ—"

সৰুমাই বাইদেউৰ নাম। "কেতিয়া লিখিলে ?"

"কালি চিঠি এখন পাইছোঁ। ছোৱালীজনী এতিয়া ধুবুৰীত মাষ্টৰণী হবপায়, তই লগ পোৱা নাছিলি জানো ? বাইদেৱেৰে লিখিছে তই লগ পোৱা বুলি।"

বাইদেৱে জানিলে কেনেকৈ ? ইমান খবৰ—নিশ্চয় মিনতিয়ে শ্বিলঙত কাৰোবালৈ লিখিছে আৰু সেই তৃতীয় পক্ষ বাইদেউৰ ওচৰ পাইছেগৈ।

"মিনতি আমাৰ লগতে পঢ়িছিল কলেজত—"

"এহ্, তেনে তাইৰ বয়স দেখোন তোৰ সমানে হব। ইমান বয়সীয়া ছোৱালীনো আনিব পাৰিনে ? এই সৰুমাইজনীৰো কাণ্ডজ্ঞান নাই।"

মই ভাতত মন দিছোঁ, ভাবিছোঁ এই বিষয়ে মা আৰু আগ নাবাঢ়িলেই ভাল। আন কথা উলিয়াবলৈ বুধি কৰি কলোঁ, "মা, মাটিৰ ব্যৱস্থানো কি কৰা যায় ? দেউতাই বা কি ভাবিছে—"

"মাটিৰ ব্যৱস্থা আৰু দেউতাৰে কি কৰিব ? তই পঢ়া-শুনা কৰা ল'ৰা, কিবা এটা দিহা কৰ। দেউতাৰৰ ওপৰতে সকলো কথা পেলাই দি পলাই ফুৰিলেনো কেনেকৈ হয় ? তইঁত যে আজিকালি কেনে হৈ উঠিলি—"

মাৰ কথাৰ ভঙ্গীটো আকস্মিকভাৱে বেলেগ ধৰণৰ হৈ পৰিল। মই একো ক'ব নোৱাৰোঁতেই তেওঁ আকৌ আৰম্ভ কৰিলে, "সৰুমায়ে লিখিছে—"

তেওঁ খন্তেক ৰ'ল। মই প্ৰশ্নৰ ভাৱেৰে তেওঁৰ মুখলৈ চালোঁ।

"সকমায়ে লিখিছে তোৰ বোলে মিনতিৰ লগত সম্ভাৱো আছে, ক'ৰবাত বোলে একেলগে আছিলি, হয়নে ?"

মোৰ মুখৰ গৰাহ মুখতে থাকিল। ইমানবোৰ খবৰ বাইদেৱে পালে কেনেকৈ ?

"তহঁতৰ ইমান যদি মিলাপ্রীতিয়ে, বিয়া কৰালেই দেখোন লেঠা মৰে। বাইদেৱেৰে তোক শ্বিলঙতে থাকিবলৈ কৈছিল, পিচে ভাল দিহা শুনিবিনে ? আজি অ'ত, কালি ত'ত, এইদৰেই—মোৰনো কোনদিনা সুখ হব—"

বুজিলোঁ মাৰ বহুদিনীয়া সঞ্চিত বিৰক্তি চেলু এটা পাই ওলাই আহিছে। মাইকী মানুহে জীৱনটো ইমান সহজভাৱে লবপাৰে ! সময়ৰ পৰিবৰ্ত্তন, মানুহৰ স্বকীয়া অভিজ্ঞতা—এইবোৰৰ লগত তেওঁলোকৰ সম্বন্ধ নাই। চাকৰি এটা কৰ, বোৱাৰী এজনী আনি দে, নাতি-পুতি হওক, আৰু কি ? ঘৈণীৰ ফৰমাছ হয়তো—এইটো লাগে, সেইটো লাগে, এইটো কৰক, সেইটো কৰক। বেচেৰা মতা মানুহ—তেওঁৰ যে কিবা স্বকীয়া বোধ অনুভূতি আছে সেইবোৰ পাহৰি পেলাবলগীয়া হয়।

ৰাতি বিছনাত পৰি কি কৰা যায় ভাবোঁ। জাৰকালিৰ ৰাতি। বাহিৰত আকাশত তৰাৰ জেউতি। জোনাকত পৃথিৱীখন উজ্জ্বল হৈ পৰে, আঁতৰত গছ-গছনিবিলাক আধা ছাঁ আধা পোহৰত ৰহস্যময় হয়। দূৰৈত পাহাৰৰ কলীয়া ৰেখা। ফুলবাৰীৰ পাহাৰ আৰু তাৰ ওপৰত হাবি। ৰবীনকুমাৰৰ কথা মনলৈ আহে। এসময়ত গাভৰু ছোৱালীৰ মুখ চাই অস্থিৰ হোৱা ৰবীনকুমাৰ আজি আৰু নিজৰ নহয়, লোকৰ। তাৰ ওপৰত পুলিচৰ নজৰ। সি পলাই ফুৰিব লাগে। তাৰ সাধনা সফল হওক নহওক পিচৰ কথা, তাৰ পন্থা শুদ্ধ নে অশুদ্ধ তাৰ আলোচনাও নিৰৰ্থক। তাৰ উদ্যম, তাৰ ত্যাগ—সেয়েহে তাৰ পৰিচয়। তাৰ তালৈ নিজে উপযাচি নাযাওঁ। সি চাগৈ মোক মাতি পঠিয়াব। কিজানি মোক বিশ্বাস নকৰেই—ব্যক্তিগত ভাৱেতো মোক অবিশ্বাস কৰিবৰ হেতু নাই।

মনলৈ নানান ধৰণৰ ভাব আহে। ৰাতি বেচি হয়।

দুদিনমানৰ পাছত নিতায়ে অলপ আচৰিত হৈ সুধিলে, "ৰবীৰ ককায়েৰ ঘৰত তোমাৰ চিনাকি পাচনে কি ?"

"কিয় ?"

"তোমাক দেখোন মাতি পঠিয়াইছে—"।

"কোনে খবৰ আনিলে ?"

"ধৰা—ময়ে।"

"কেতিয়া যাব লাগিব, দিনত নে ৰাতি ?"

"ৰাতিহে ভাল হ'ব, অন্ততঃ তোমাৰ কাৰণে। এই বিষয়ে কাকো আগত একো নুলিয়াবা। তোমাক কিন্তু ৰাতি থকাকৈ মাতিছে।"

"তাৰ মানে ঘৰত ক'ৰবালৈ যোৱা বুলি ওলাব লাগিব, নহয়নে ?"

"ধৰা নগাৱঁলৈ যাবা।"

"বাৰু।"

সন্ধিয়াবেলিকা হাতত সৰু চুট্‌কেচ এটা লৈ বাহিৰ হলোঁ। বাটত নিতাইক লৈ যাব লাগিব।

"নগাৱঁলৈ যাব যদি এই সন্ধিয়াখন ওলালি কিয় ?" মাই সুধিলে।

"লৰী এখন পাইছোঁ, একো অসুবিধা নহয়। এঘণ্টা দেৰঘণ্টাৰ বাটহে।"

"কেতিয়া আহিবি বাৰু ?"

"দুদিনমান লাগিব চাগৈ।"

"কাপোৰ-কানি সৰহকৈ নিনিলি কিয় ? এই আৰখনত জানো অসুবিধা নহ'ব ?"

"কিয়, চিনাকি মানুহ আছে নহয় ? একো অসুবিধা নহয়।"

নিতায়ে ক'লে, "চুট্‌কেচটো মোৰ ইয়াতে থোৱা। বাগ এখন ললেই হ'ব, পাজামা কাপোৰ আছেই !"

তাৰ তাতে ভাতসাজ খাই আমি খোজ দিলোঁ। ৰাতি বেছি হোৱা নাছিল।

"বাট সাত মাইলমান হ'ব," নিতায়ে ক'লে।

"তুলবাবী, নহয় জানো ?"

"ওহোঁঃ। তাৰ পৰা আৰু চাৰিনে পাঁচ মাইল। ফুলবাৰী পাহাৰৰ আৰু এটা মেৰ ঘূৰিব লাগিব। মিকিৰ গাওঁ, চাণ্ডেই বুলিব পাৰা। পাহাৰৰ ওপৰত। একেবাৰে ভিতৰৰ গাওঁ। তাৰ মানুহবোৰে বাহিৰ নোলায় বুলিলেই হয়।"

ফুলবাৰীৰ পৰা আমি কছাৰী ডেকা এজন লগত লওঁ। বাটত কেতিয়াবা বাঘ ওলায়। কছাৰী ডেকাজনৰ হাতত এখন দা। আমাৰ হাতত টৰ্চ।

"তোৰ নাম বাঘুৰা কেনেকৈ হ'ল অ'? বাঘৰ সম্বন্ধীয়া হয়নে কি?" কছাৰীজনক মই সোধোঁ।

সি হাঁহি সমিধান দিয়ে, "সৰুতে এবাৰ বাঘে খালে। বহাৰ হাইস্কুলত পঢ়িছিলোঁ—কেঞাৰ গোলাত থাকি। পূজাৰ বন্ধত ঘৰলৈ যাওঁতে এদিন গধূলি হ'ল। অলপ অলপ ভয়ো লাগিছে। হাতত মাত্ৰ দা এখন। ঠিক গাৱঁৰ ওচৰ পাইছোঁ আৰু, এনেতে ক'ৰ পৰা জানো নাহৰফুটুকী বাঘ এটা জাপ মাৰি মোৰ কান্ধতে পৰিল। মই ক'বই নোৱাৰো কেতিয়া কি হ'ল, যেতিয়া জ্ঞান পাওঁ তেতিয়া দেখোঁ মই ঘৰত।"

"ঘৰ কেনেকৈ পালিগৈ?"

"বাঘটোৱে মোক থাপৰ মাৰোঁতেই মই বাগৰি পৰিলোঁ নহয়, ঠিক তেতিয়াই আমাৰ গাৱঁৰ মানুহ দুজনমান খৰি কাটি উভতি আহিছিল। তাহাঁতে চিঞৰ-বাখৰ কৰোঁতে বাঘ পলাল। মোৰ কান্ধত যেনিবা তাৰ হাতোৰাৰ চিন বৈ গ'ল।"

"অ' তেতিয়াৰ পৰা তোৰ নাম বাঘুৰা হ'ল।"

"হয়।"

অলপ পৰ বৈ সি সোধে, "পিচে দেউতা, কথা এটা সোধোঁ।"

"সোধ।"

"আপুনিনো কেনেকৈ আমাৰ লগ লাগিল? আপোনাৰ দেখোন বহুতো মাটি আছে?"

"পাইছানে খুল্দা?" নিভায়ে মন্তব্য কৰে।

"মই কিয় আহিছোঁ ক'ব পাৰ? মই আহিছোঁ কিজানি ভইঁতৰ

খাজানাখিনি কিবা উপায়ে আদায় কৰিব পাৰোঁৱে," মই ধেমালি কৰোঁ।

কছাৰীটোৱে মোৰ কথাষাৰ পচন্দ নকৰিলে হবপায়। খন্তেক ভাবি সি মাত দিয়ে, "নিতাইবাবু, কথাটো সঁচানে? আমি খাজানা নিদিওঁ বুলি থিৰ কৰিছোঁ দেখোন, এনেস্থলত মহাজন আহিলে একো লাভ নাই।"

তাৰ মাতটোত আগৰ বস নাই। তাৰ সমিধান কঠুৱা আৰু খাটাং— একো লাভ নাই।

"নহয়ো, তোৰ লগত ধেমালিহে কৰিছে। তইঁতেনো আৰু উৎপল বাবুক ইমান দিনে চিনি নাপালিনে?" নিতায়ে মোৰ হকে মাত এষাৰ দিয়ে।

"এওঁক আৰু নাজানোনে? পিচে যাৰ মাটি আছে—টকা আছে, তাক বিশ্বাস কৰিবলৈ টান, সেইদেখিহে সুধিছো। আপুনি বেয়া নাপাব আৰো।" সি মোৰ ফালে মুখ ঘূৰাই কয়। ঠেক হাবিতলীয়া বাট, সি গাতে গা লগাই খোজ দিয়ে। তাৰ মুখৰ ফটিকাৰ গোন্ধ মোৰ নাকত লাগে।

"আমাৰ ৰবীনবাবুৰ মানা—আমাৰ গাৱঁৰ মানুহ নহলে বাহিৰা মানুহ এইফালে আহিব দিব নালাগে। সেইবেলি কামপুৰৰ থানা মাৰিব যাওঁতে আমাৰ লগৰ বঙালী মানুহ এজন ধৰা পৰিল। সি আমাৰ বহুতো কথা পুলিচক কৈ দিলে। কটাক পালে কাটি টুকুৰা টুকুৰ কৰিম। ৰবীনবাবু ফুলবাৰীত থকা বুলি গম পাই বহুতো চিপাহী আমাৰ গাৱঁলৈ আহিছিল। পিচে তেওঁক আৰু ক'ত পায়? মহো চিপাহী আছিলোঁ নহয়, এতিয়া চাকৰি এৰি দিছোঁ! মোৰ লগৰ চিপাহী এটাই খবৰ দিলে, আমি তৎক্ষণাৎ তেওঁক আন ঠাইলৈ লৈ গলোঁ। আমি মতা মানুহবিলাক ঘৰে ঘৰে থাকিলোঁ, মাইকী মানুহ দুজনীমান দি তেওঁক পঠিয়াই দিলোঁ।"

"বহাগীয়ে তেওঁক বাট দেখুৱাই লৈ গৈছিল," নিতায়ে মাজতে মাত দিয়ে।

"বহাগীক জানেনে কি আপুনি? তায়ে লৈ গৈছিল মিকিৰ চাওঁলৈ। তাই হাতত বন্দুক লৈ গৈছিল। বহাগীৰ বৰ খং পুলিচৰ ওপৰত। তাইৰ মানুহটোক জেল দিছে নহয়, সেইকাৰণেই তাইৰ খং।"

"ৰবীনবাবু ইয়াত থাকিবৰ কিমান দিন হ'ল ?"

"এহ্, তুমাহঁতমানেই হব, নে যেছিয়ে হল। বৰ ভাল মানুহ তেওঁ আৰু কিমান যে বুদ্ধি! আমাক বন্দুক মাৰিব শিকাইছে নহয়। সিবেলি কামপুৰ থানা লব পৰা হ'লে আমি পাঁচ-ছটা ৰাইফল পালোঁহেঁতেন। আমাক তেওঁ বহুত কথা শিকায়। এটা কথাত মাথোন আমি তেওঁক অলপ না-পচন্দ কৰোঁ।"

"কিহত ?"

"আপোনাকনো আৰু কি লুকাম। এই মাইকী মানুহ পালে—সেই বুলি বহাগীৰ লগতহে, নহয়নে, নিতাইবাবু ?"

নিতাইবাবুৱে মুখৰ ভিতৰতে কিবা এটা কৈ হাঁহাবি থয়। সি চাগৈ এইবোৰ উলিওৱা পচন্দ কৰা নাই।

বাঘুৱাই এইদৰে বাটে বাটে কৈ যায়। সাধাৰণতে কছাৰী-মিকিৰ মানুহে ইমান কথা নকয়, আৰু সি যি পন্থাৰ তাতো এইদৰে লেৰ্‌লেখাই ফুৰা নিষেধ। কটিকাৰ ৰাগীত তাৰ মুখ মেল খাইছিল কাৰণে বহুতো নকবলগীয়া কথাও ক'লে।

মিকিৰ চাঙৰ ওচৰ পালত সিফালৰ পৰা অহা মানুহ এটাই কোন আহিছে বুলি আমাক চালে। বাঘুৱাই তাক দোৱানতে কিবা ক'লে। সি আঁতৰি গ'ল।

যাবৰ সময়ত সি আমাক উদ্দেশ্য কৰি ক'লে, "বাবু, বাটত মানুহ আছে যা, খবৰ দিবি, নহলে ৰবীনবাবুৰ তাত যেনেকে-তেনেকে যোৱাৰ নিয়ম নাই।"

মিকিৰ চাং দুশ ফুটমান ওখত পাহাৰৰ কোলাত। সমুখত সৰু হাবি এখন। তাৰ আঁৰত কি আছে বাহিৰৰ পৰা উমান নাপায়। আমাক যোৱা দেখি কুকুৰ দুটামানে ভুকিলে। চাং এখনৰ পৰা তিৰোতা এজনীয়ে জুমুকিয়াই চালে। তাই মানুহ দেখি কিবা বিংবিং বাংবাং কৰিলে। মানুহ এজন ওলাই আহিল। বাঘুৱাই তাক দুটামান শব্দ কলে। সি আমাক তাতে ৰ'ব কৈ অলপ আঁতৰৰ চাং এখনলৈ গ'ল। অলপ পাচত উভতি আহি অসমীয়াতে আমাক ক'লে, "যা, যাব দিছে।"

আমি চাঙত উঠা মাত্ৰকে ভিতৰৰ পৰা ৰবীনকুমাৰ ওলাই আহি মোৰ হাতখন লৈ জোকাৰিব ধৰিলে।

"কি ভায়া? মোৰ ষ্টুডিওলৈ তোমাক আহ্বান জনাইছোঁ; আহাঁ।"

"তুমিও ভাল ষ্টুডিওটো পাইছা, খোজ কাঢ়োঁতে ভৰি বিষাল।"

"বহা, বহি লোৱা। তোমাক পাইযে ইমান ভাল লাগিছে।"

জুই একুৰাৰ চাৰিওকাষে থঙা পৰা। ভিতৰখনত জুইকুৰাৰ বাহিৰে আন পোহৰ নাই। চাংখনৰ ভিতৰৰ চুকৰ ফালে এজনীনে দুজনী মাইকী মানুহ থিয় হৈ আছে। জুইৰ কাষত বুঢ়া মিকিৰ এটা, হাতত ফটিকা এবাটি লৈ টোপনিয়াই আছে।

"আমি খাই বৈ উঠিলোঁ। তোমালোকে খাই আহিছা নে নাই? কোৱা —অফুৰন্ত ভাণ্ডাৰ আমাৰ—"

"ভাণ্ডাৰত বা কি কি পায়?—"

"সিজোৱা কণী, পোৰা জলকীয়া, আধাসিজা ভাত, লাউপানী, এইবিলাকেই আৰু। আৰু যদি অলপ বিলাতী ধৰণৰ আহাৰ বিচাৰা, তেনেহলে গাহৰি এটাও যোগাৰ কৰিব পৰা যায়—" তাৰ চকুত কৌতুকৰ হাঁহি।

"ৰক্ষা কৰা বোপাই, পেটত ভাত এমুঠি সুমুৱাই আহিছোঁ, তোমাৰ পোৰা জলকীয়া আৰু গাহৰি নহলেও হ'ব।"

"চিগাৰেট এটা উলিওৱাচোন। ভাল চিগাৰেট বহুদিন খাবলৈ পোৱা নাই।"

॥ ১১ ॥

বাতিপুৰা দোকমোকালিতে সাৰ পালোঁ। পাহাৰৰ ওপৰৰ পৰা তলৰ পিনলৈ চাই পঠিয়ালে মনটো ফৰকাল লাগে। তলেদি সৰু নৈ এখনি বাগৰি গৈছে। আঁতৰত চাদৰৰ দৰে বিল এখন ৰ'দত জিলমিলাইছে। আমি আমাৰ চাংখনৰ বাহিৰৰ মুকলি ভাগত বহি লওঁ। মিকিৰবিলাক দুই এটাকৈ কামে কাজে লাগিছে। দুই একনী তিৰোতা শাক-পাচলিৰ বাৰীত। নিতাই তেতিয়াও শুই উঠাই নাই।

"মোক ইয়াত পাওঁ বুলি আশা কৰা নাছিলা, নহয়নে ?" ৰবীনে কয়।

মই ঠাইখনৰ শোভাকে লক্ষ্য কৰি আছিলোঁ, কলোঁ, "বঢ়িয়া ঠাই পাইছা হলে দেই। বাহিৰত দেখাত ইমান শান্তিপূৰ্ণ, অথচ তাৰ ভিতৰতে খোৱা-লোৱা-শোৱা লৈ যি সংগ্ৰাম তাৰ স্পন্দনো অনুভৱ কাৰৰ পাৰি। এই পৰিবেশত আমি নিজেও যে মানুহ এই সহজ সত্যটো বিচাৰি পায় যেন লাগে।"

"বাৰু, সৌ ছোৱালীজনী দেখিছা ?"

"সৌ বেঙেনাৰ বাৰীত ? দেখিছোঁ।" আমাৰ চাঙৰ উত্তৰফালে অলপ আঁতৰত পাহাৰৰ এচলীয়াত বাৰীখন।

"তাইক আঁকিমনে ?"

"অৰ্থাৎ তাইৰ কি আঁকিবা ?"

"ঠিক ধৰিছা, কোৱাচোন তাইৰ কি আঁকিম ?"

"তাই হাত মেলি বেঙেনা ছিঙিছে, হাতখন তামবৰণীয়া আৰু নিপোটল— গালৰ একাল দেখা যায়, তাত স্বাস্থ্যৰ জেউতি ; বাতিপুৱাৰ ৰ'দ তাইৰ নিমজ নাকটোত পৰি পিচলিছে ; ঠেক দীঘলীয়া চকুহালিৰ কোণ এটা আন্দাজ কৰিব পাৰি, তাত একাগ্ৰতা ; কাষলতিৰ তলত বুকুত টানি পিন্ধা মেখেলাখনত আৰু টপিনাত দুটা ঢৌ ; মূৰটো হাতখন অনুসৰণ কৰি অলপ সিফাললৈ হালি

পৰিছে। গোটেই অবয়বটোতে এটা স্বাভাৱিক লয় আছে—যি লয় অনুভৱ কৰা যায় ভেটা ভাঙি অহা বানপানীৰ কোবাল সোঁতত, বতাহ লাগিলে হালি পৰা কুঁহি ধানত, লোকহিতকৰ কামত নিমগ্ন থকা লোকৰ কৰ্ম্মপদ্ধাত—এয়ে তাইৰ ৰূপ, নহয়নে? আঁকিবা সঁচাকৈ?"

অকণমান হাঁহি প্ৰশংসাৰ চকুৰে ৰবীনকুমাৰে মন্তব্য কৰে, "সেইয়া তাইৰ ৰূপ; অসমৰ গাৱেঁ-ভূঞে এই ৰূপ লুকাই নথকা নহয়, কিন্তু তাক দেখা আৰু দেখিবলৈ জনা মানুহৰহে অভাৱ। তুমি ছবি আঁকিবা উৎপল? মই নিজে তোমাক শিকাম। আঁকিবা?"

"মোকনো আৰু কেলৈ? তুমি আঁকিবা, ইহঁতৰ আশা-নিৰাশা ফুটাই তুলিবা, তুমি নাচিবা, ইহঁতকো নতুন আশাৰে সঞ্জীৱিত কৰিবা, মই তাৰ তাৰিফ কৰিম।"

"কৈছা আৰু!"

আমাৰ চাংখন গাওঁবুঢ়াৰ। গাওঁবুঢ়াই অলপ আগতে দুটা ডাঙৰ চুঙাত কটিকা পঠিয়াই দিছে। তাৰে দুচোকামান মাৰি দুয়োৰে শৰীৰ পাতল, মানসিক শক্তিবিলাক প্ৰখৰ হৈ পৰিছে। আমাৰ চকুত আশা আৰু উদ্যমৰ জেউতি। নামনিৰ পথাৰৰ পৰা গা-মন জুৰ কৰা বিৰবিৰীয়া বতাহ।

ৰবীনে মাত দিয়ে, "উৎপল!"

"কি?"

"জীৱনত একো নহল ভাই।" মুখত কটিকা এঢোকা দি কয়, "পিয়া, পি লোৱা, তেনেই ভিটামিন-বি—স্বাস্থ্যৰ কাৰণে খুব ভাল। ভিজিটেব্‌ল ঘি আৰু মিছা আদৰ্শৰ চৰ্চ্চাতকৈ হাল বোৱা আৰু কটিকা পিয়া বহুত ওপৰৰ কাম। খাই লোৱা উৎপল, গৰম হৈ লোৱা, আমাৰ বহুতো কাম আছে—ভাঙিব লাগিব, সৃষ্টি কৰিব লাগিব—"

তাৰ মাত্ৰা অলপ বেছি হৈছে। তাৰ লনী গহীন মুখখনৰ পৰা প্ৰশান্তিৰ ভাৱটো আঁতৰি যোৱা নাই যদিও, টোপনি নাইকিয়া ৰঙা চকু দুটাত যেন আগুনি জ্বলাইছে,—মূৰৰ চুলিৰ ঘন ডাঠ হাৰিখন যেন আকস্মিক ধুমুহাত

অলপ বিধ্বস্ত। ৰবীনকুমাৰৰ এই মূৰ্তিটো দেখা পায় তাৰ অন্তৰঙ্গ বন্ধুৱে, এই মূৰ্ত্তি দেখি ৰাজহাড় শিৰশিৰাই যায়—মাইকী মানুহৰ। মই গাওঁবুঢ়াৰ জীয়েক কেৰেঙক মাত দিওঁ। তাই আহি ৰবীনকুমাৰৰ চকুলৈ কোমলভাৱে এবেলি চায় আৰু ততালিকে ফটিকাৰ চুঙা দুটা তুলি লয়।

"দেখিছানে কেনে বুজ তাইৰ?" ৰবীনে মন্তব্য কৰে। "চহৰৰ ছোৱালী হলে বেঁকাকৈ হাঁহি মাতটো চেপি সুধিলেহেঁতেন—'কেলেই মাতিছে ককাইদেউ?' তেওঁক এবেলি ক'ব লাগিলহেঁতেন। এই অশিক্ষিতা মিকিৰ ছোৱালীজনী চোৱা, তাই আহিল, ততালিকে কথাটো বুজি ললে আৰু চুঙা দুটা লৈ গ'ল। তাইৰ বোধশক্তি কিমান বেছি অথচ ব্যৱহাৰ কিমান সংযত। এয়েহে নাৰীমূৰ্ত্তি!"

"ওহো, এইয়া নাৰীমূৰ্ত্তি নহয়।"

"কিয়?"

হাঁহি কওঁ, "নাৰীমূৰ্ত্তিৰ চানেকি আৰু জানো নাই?"

দূৰলৈ চকু পঠিয়াই খন্তেক ভাবি ৰবীনে লাহে লাহে কয়, "আন এক শ্ৰেণীৰ নাৰী দুই এগৰাকী ময়ো পাইছিলোঁ জীৱনৰ বাটত। এওঁলোক আহিছিল নৃত্য শিকিবলৈ; এওঁলোকৰ সঙ্গই যে মোৰ ভিতৰত থকা শিল্পীজনৰ কিবা হিত সাধিলে এনে ভাব নহয়। সেইবোৰ যেন বহুদিনৰ কথা—এইখন জগতত তাৰ অমঙ্গলীয়া ছাঁ নপৰে যেনেই লাগে। সেইখন জগতৰ ৰংচঙীয়া পৰ্দা ফালি পেলাবৰ কাৰণেইতো আমি ইমান নিষ্ঠুৰ হবলগীয়া হৈছোঁ, দয়া-মায়া ত্যাগ কৰিবলগীয়াত পৰিছোঁ। তুমি আটাইবোৰ কথা জানিলে চাগৈ মোক ঘিণ কৰিবা—"

মই নামাতোঁ, মাথোন শুনি থাকোঁ।

সি আকৌ কয়, "মই শিল্পী, শিল্পৰ নামত মোৰ তেজ উতলে, কিন্তু যেতিয়া আবেলি কেতিয়াবা বাহিৰলৈ ওলাই যাওঁ, তেতিয়া পথাৰত কোৰ মাৰি থকা মিকিৰবিলাক দেখোঁ—ধৰি লোৱা এক বুঢ়া মিকিৰ, বেমাৰ-আজাৰ আৰু অতিপাত পৰিশ্ৰমত তাৰ হাত-ভৰিবিলাক সোতোৰা পৰিছে, বুকুৰ হাড় লেখিব

পাৰি। তাৰ গলধনেদি ঘাম বাগৰিছে। তাৰ চকুত ভাগৰ আৰু নিৰাশাৰ ডাৱৰ। সি কোৰখন তোলে আৰু পেলায়, পেলায় আৰু তোলে। শুকান কটুৰ পথাৰ, এচমকা মাটি, সি কোৰখন ওপৰলৈ দাঙে আৰু পেলায়। তাৰ ঝুমে যে পথাৰৰ মাটি কোমল কৰি তাত সেউজীয়া ধানৰ সম্ভাৰ ওপচাব পাৰিব এনে ভাৱ নহয়। এয়ে মানুহ, জীৱন-সংগ্ৰাম কৰি ভাগৰি পৰে, আগবয়সত হাড়ক পানী কৰি উত্তমত আগবাঢ়ি গ'লেও ভাটিবয়সত জীৱনৰ বোজাই মুখৰ মাত কাঢ়ি লয়, শক্তিৰ অন্তৰত পোন হোৱা শৰীৰত লাগে ভঁাজ, ঘোলা খালৰ পানীৰ দৰে তাৰ চকুতো প্ৰতিফলিত হয় মৰণৰ লেৰেলা ছাঁ।"

"তুমিতো অকস্মাৎ দেখা এই ছবিটো তুলিৰে কাগজত আঁকিব পাৰা?"

"নোৱাৰোঁ উৎপল, নোৱাৰোঁ। বাস্তৱৰ ছবিটোৱে মোৰ অন্তৰৰ তলি এনেদৰে কঁপাই দিয়ে যে মোৰ বোধশক্তি লোপ পায়, হাত নচলা হয়। তুমি যেতিয়া নিজৰ দীনতাৰে তাৰ দীনতা জুখি চাবা, তেতিয়া দেখিবা তুমিও তাৰ লগৰে, তোমাৰো অভাৱ পূৰ নহয়, তুমিও তাৰ দৰে কোৰখন তুলিছা আৰু পেলাইছা, কিন্তু মাটি হলে চাহ নহয় আৰু হলেও তাৰে তোমাৰ পেট নভৰে। তেতিয়া তুমি আঁকিবা কি, লিখিবাই বা কি? এদিন তুমিয়ে মোক কৈছিলা যে সমূহীয়া প্ৰেৰণা নহলে আৰ্ট-শিল্প সকলো মিছা, বিলাসৰ সামগ্ৰীহে হয়তো হব পাৰে। পাহৰিলা কিয়?—"

নিতায়ে চকু মোহাৰি মোহাৰি ভিতৰৰ পৰা ওলাই আহে।

"উঃ বৰ শুলোঁ। কালি দিনটো ইমান পৰিশ্ৰম হৈছিল," সি কয়।

"আজিও কাম কম নাই দেই, আজি তুমি বহাগৈ গৈ কাৰোবাক-কাৰোবাক খবৰ দিব লাগিব, ৰাতিলৈ মিটিং এখন কৰিব লাগিব—" ৰবীনে তাক কয়।

ৰবীন আগতকৈ অলপ শকত হৈছে, তাৰ কথাৰ দৃঢ়তা এতিয়া বেছি। সি যেন ছুটা মানুহ; আৰ্টৰ আলোচনাত সি আগৰ ৰবীনকুমাৰেই, কিন্তু ৰাজনীতিৰ ক্ষেত্ৰত একেবাৰে বেলেগ এজন। আৰ্টৰ ক্ষেত্ৰত আৱেগ আৰু কল্পনাই যেনেকৈ তাৰ সৃজনী শক্তিক উৎকৰ্ষ কৰি তুলিছিল, তেনেকৈ

হয়তো ৰাজনীতিৰ ক্ষেত্ৰতো তাক উগ্ৰপন্থী নেতা কৰি তুলিলে—শুৰিত একে শক্তিৰ প্ৰেৰণা। তথাপি সি দুটা মানুহ। মই তাক বুজিবলৈ অলপ টান পাওঁ।

সি মোক কয়, "তোমাক লগ পাই ভাল পাইছোঁ ভাই, কিন্তু তুমি আৰু ইয়াত থাকিব নোৱাৰা—তুমি পাৰ্টিৰ মেম্বৰো নোহোৱা। এই বিষয়ত আমাৰ নীতি-নিয়ম বৰ কঢ়া। তাৰ উপৰি বৰ্ত্তমান অৱস্থাত মোৰ পন্থাৰে কিমানদূৰ আগ বাঢ়িব পৰা যাব তাকো ক'ব নোৱাৰি—মোৰ উদ্দেশ্য মাথোন মানুহ-বিলাকক অলপ সজীৱ কৰা, অলপ তেজাল কৰা—যাতে সিহঁতে,সিহঁতৰ অভাব অভিযোগবিলাক বুজি লৈ তাৰ নিৰাকৰণৰ কাৰণে থিয় দিব পাৰে—"

বেলি অলপ লহিয়ালে মোক আগবঢ়াই দিবলৈ সি পাহাৰৰ পৰা নামে। তাক এৰি আহিবলৈ বেয়া লাগে। সি কয়, "নৃত্যৰ চৰ্চ্চা কৰি লৈছিলো জীৱনৰ সাধনা, কিন্তু এতিয়া হাতত লৈছোঁ বন্দুক—অ' পিচে তোমাৰ সেই ছোৱালী-জনীৰ খবৰ কি ?"

"কোনজনী ?" মই অলপ আন্‌মনা হৈ আছিলোঁ।

"কিয়, সেই যে গৌৰীপুৰৰ—তুমি যে শিলঙত মোক কৈছিলা ?"

"জাঁজিবোৰ উটি ফুৰে, কেতিয়াবা লগ লাগে, আৰু আঁতৰ হয়। নৈৰ সোঁতটোহে চাগে সত্য, নহয়নে ?"

"আমাৰ পাৰ্টিৰ ভিতৰত কিছুমান সমস্যা সহজভাবে সমাধান হয়, ইয়াত বামুণ শূদিৰ নাই, বিয়াও বৰ সহজে হব পাৰে।"

"মোক প্ৰলোভন দেখুৱাইছানে কি ?"

"প্ৰলোভন দেখুওৱা নাই, প্ৰলোভনে মানুহক দুৰ্ব্বল কৰে ; এই সত্যটো বিপ্লৱ কৰিবলৈ গৈ সৰহকৈ উপলব্ধি কৰিছোঁ।"

"কিয় ?"

"অন্তৰৰ প্ৰেৰণাত কাম কৰিব পাৰিলে বিপ্লৱ বেয়া নহয় ; কিন্তু প্ৰলোভনত কৰিবলৈ গ'লে উশৃংখলাৰ সৃষ্টি হয়—"

"যি কোনো ক্ষেত্ৰত হয়তো এইটো সঁচা, নহয় জানো ?"

"বোধকৰোঁ।"

নীলিমাৰ কথা উলিওৱা কাৰণে তাকো সুধিবৰ মন যায়—বহাগীৰ বিষয়ে। সি আগতকৈ বেলেগ হৈছে হয়, কিন্তু কিমানদূৰ তাৰ প্ৰকৃতিৰ সাধাৰণ দাবীবোৰ আওকাণ কৰিবলৈ শিকিছে জানিবলৈ মন যায়।

"কেৱেঙৰ লগত তোমাৰ কেনে সম্বন্ধ?" আকস্মিক প্ৰশ্নটোৰ চোক হাঁহিৰে পাতলাই দিওঁ।

"কাৰ লগত বুলিলা?"

"কিয়, গাওঁবুঢ়াৰ জীয়েক?"

খন্তেক বৈ সি কয়, "মোক এতিয়াও সন্দেহ কৰা। পিচে জীৱনৰ দাবীনো আওহেলা কৰা কিয়? বাট বুলোঁতে বাটৰ কাষৰ ফুল ছিঙিবই লাগে।"

"বহাগীকো ছিঙি লৈছানে কি?"

"কোনে ক'লেহে তোমাক এইবিলাক কথা? কোনে ক'লে?"

তাৰ খং উঠে। মোৰ মনত খেলায়, তাক বুজিবলৈ সুযোগ পাইছে কাৰণেই মিকিৰ গাওঁবুঢ়াৰ জীয়েকে ততালিকে তাৰ সমুখৰ পৰা লাওপানীৰ চুঙাটো আঁতৰাই লৈ গ'ল, নহলে ইমান বোধশক্তি হব ক'ৰ পৰা?

"তোমাৰ ব্যক্তিত্বৰ পৰীক্ষাহে লৈছোঁ ভাই, বেয়া পাইছা কিয়? ফুলো যেই সেই মালীৰ হাতত ধৰিছিকৈ মুঠে। বাক থোৱা এইবোৰ। কিমান দিন আছা ইয়াত?"

"মই চাগৈ দুই-চাৰিদিনতে ইয়াৰ পৰা যাম, সৰহদিন একেঠাইতে থাকিব নোৱাৰি।" সি হাঁহিবৰ চেষ্টা কৰে, কিন্তু মোৰ প্ৰশ্নকেইটাৰ ভাৱ তেতিয়াও সি জোকাৰি পেলাব পৰা নাই।

তাৰ অসুবিধাবোৰ মই বুজি নোপোৱা নহয়। সন্ধিয়াৰ শীতল বতাহে অলপ জাৰ লগায়। বাগখন জাপি কাষত লৈছিলোঁ। ৰবীন উভতি যায়। নিতাই মোৰ লগত নাছিল, আন ক'ৰবাত তাৰ কাম। তাহাঁতৰ গধূলি গুপুত মেল এখন আছে। মোৰ লগত কছাৰী ডেকা বাঘুৱা আছে। তাৰ হাতত দাখন। সোনকালে আন্ধাৰ নামে, অলপ হয়তো কুঁৱলীও পৰে। ওচৰতে

জোপোহা এটাৰ আঁৰৰ পৰা ফেকুৰাই চিঞৰে। আমি সন্তৰ্পণে খোঁজ পেলাওঁ।

আঘোণমহীয়া শীতল বতাহে মনটো অলপ গধুৰ কৰে। ভাৱবোৰ পাখিৰ দৰে উৰি-উৰি আহি মনৰ তলিত থিত লয়। এই জাৰকালিৰ আন্ধাৰৰ বাটত কাষত নীলিমাক পোৱাহেঁতেন, একেলগে খোজ পেলাবলৈ! নীলিমা চাগৈ গুৱাহাটীলৈ কেতিয়াবাই আহিল। বেচেৰী সুখী হওক জীৱনত, এয়ে মোৰ মনৰ কামনা। ৰবীনকুমাৰৰ কথাষাৰি মনত পৰে—বাটৰ কাষৰ ফুল ছিঙি লবই লাগে। তাৰ আদৰ্শ চাগৈ নিৰ্ভেজাল নহয়। ভাৱটোৱে মনত উৎসাহ দিব নোখোজে।

"দেউতা, বাঘৰ উৎপাত ইয়াতঁ বৰ বেছি, কিন্তু আমি বাঘ মাৰিব নোৱাৰোঁ, পাপ লাগে। আমাৰ গাৱঁৰ ওচৰত কোনোবাই বাঘ চিকাৰ কৰিলেও আমি চক পেলাওঁ, গা ধোওঁ। আপুনি চিকাৰ কৰিছেনে কেতিয়াবা?"

"মই মৰা পহু তইঁতেতো খাইছুই, বাঘ হলে চিকাৰ কৰা নাই।"

কছাৰীৰ মাজত যে বাঘসম্পৰ্কীয় এনে আচাৰ আছে, আগেয়ে মই নাজানিছিলোঁ ; কিছুমান নগাৰ মাজত হলে এনে আচাৰ আছে। ফেকুৰাৰ চিঞৰ শুনিয়ে হবলা বাঘুৱাই বাঘৰ কথা উলিয়ালে।

নিৰুৎসাহ মনেৰে খোজ কাঢ়ি ভাগৰ লগা যেন লাগে। তাক সোধোঁ, "আৰু কিমান বাট আছে অ' বাঘুৱা?"

"বেছি নাই আৰু।" এইটো সমিধান সি কেইবাবেলিও দিলে।

নিতায়ে বিপ্লৱীদলত যোগ দিয়া কাৰণে মোৰ ব্যক্তিগত লাভ-লোকচানৰ কথা নুঠে। বন্ধু হিচাবে তাৰ লগত মোৰ যি সাধাৰণ সম্বন্ধ সেইখিনি থাকিলেই হয়। লেঠা হ'ল সি যেতিয়া তাৰ কামবোৰত ইমান বুৰ গ'ল যে গোলাখনৰ পিনে চকু দিবলৈ মানুহ নাইকিয়া হ'ল। দেউতা বুঢ়া মানুহ, সদায় কিবা এটা লাগিয়ে থাকে। তেওঁৰ আলপৈচান ধৰোতেই মোৰ সবহ সময় যায়, আন কামৰ কাৰণে আহৰিয়ে নাথাকে। দুসপ্তাহমান যোৱাৰ পাচত নিতায়ে মোক সহায় কৰিব নোৱাৰে বুলি একপ্ৰকাৰ খাটাং জবাবেই দিলে।

"গোলাখনৰ পৰা যে এতিয়া আৰু লাভ নহয় ভাবি নোচোৱা কিয়?" সি মোক বুজাবলৈ চেষ্টা কৰে।

তাৰ কথা মিছা নহয়! কণ্ট্ৰোলৰ ব্যৱস্থা হোৱাৰ পৰা ধান-চাউলৰ কাৰবাৰ কৰিবলৈ মস্কিল হ'ল। মৰাপাটৰ কাৰণেও টকা সবহ লাগে আৰু মাৰোৱাৰীৰ লগত ফেৰ পাতিবলৈ অসুচল।

"তুমিতো আৰু মিকিৰ বা কছাৰীৰ পৰা কম দামত চাউল কিনি হাটত বেচিব নোৱাৰা," নিতায়ে আকৌ কয়।

বিমোৰত পৰোঁ। তাক কওঁ, "তোমাক বান্ধি ৰাখিবৰ মোৰ অধিকাৰ নাই, অথচ তোমাৰ সহায় নহলে গোলাখন ৰাখিব নোৱাৰোঁ। এইখন এৰিয়ে পেলাব লাগিল—"

সি মাখোন মোৰ মুখলৈ চাই থাকে। কয়, "পুলিচৰ নজৰ মোৰ ওপৰত এইদৰে থাকিলে কোনদিনা ধৰি নিয়ে ঠিকনা নাই, তাৰ উপৰি মই ৰবীন ৰকুৱাৰ লগত নাথাকিলেও নচলে।"

"মোৰো মস্কিল হৈছে। দেউতাৰ স্বাস্থ্য বেয়া, কোনদিনা কি হয় কব নোৱাৰি। বাইদেউ আৰু মাই মোৰ বিয়াৰ কাৰণে উঠিপৰি লাগিছে। এইবেলি হয় মোৰ বিয়া, নহলে মই নিজেই ঘৰৰ পৰা পলাব লাগিব, অন্য উপায় আৰু নাই। কি কৰোঁ কোৱাচোন?"

"তুমি জীৱিকাৰ কিবা এটা উপায় নকৰিলে নচলে, নহয়নে? এবা, মাটিখিনি যোৱা বুলিয়ে ধৰা, খেতি-বাতি কৰিলেও চলিবলৈ টান। তুমি হয়তো চাকৰিৰ বান্ধতে সোমাব লাগিব।"

নিতাইৰ দায়িত্ব সৰহ নাই, কিয়নো তাৰ মাহীমাক জীয়েকৰ লগতে—জোৱায়েকৰ ঘৰ পালেগৈ। অন্ততঃ সাময়িকভাবে হলেও সি অকলশৰীয়া। তাৰ আহুকাল কম।

নিতাইক মুকলি কৰি দি এদিন হাটবাৰে হাটলৈ গৈ গোলাখনৰ কি কৰা যায়—তাকে ভবা-চিন্তা কৰিছোঁ। দুই এজন চিনাকী মানুহৰ সৈতে দুই-এষাৰ কথা কৈছোঁ। বতৰ অলপ বেয়া, কিন্‌কিনীয়া বৰষুণ। জ্বাৰ বেছি হৈছে! হাটৰ একালে অকস্মাৎ লপাঙৰ ঘৈণীয়েক বহাগীৰ ওপৰত চকু পৰিল। তাইক মাতিবৰ মন গ'ল। তাইৰ পিঠিত এবোকোচা চাউল। মই আগবাঢ়ি গলোঁ।

"কি আনিছ অ' ?"

তাই অকণমান হাঁহি উত্তৰ দিলে, "চাউল আনিচোং আৰো।"

"দোনে কেনেকৈ দিছ ?"

"তিনি টকা।"

"ইমান দামত কোনোবাই কিনিব জানো ?"

"কি কৰিম আৰো, মাইৰ জ্বৰ, টকা লগা হৈছে।"

তাইৰ কথাবিলাক বৰ খৰামুৰা। তথাপি তাইৰ সৰল মুখখনত চকু পৰিলে অন্তৰত বেথা ওপজে, "কি হৈছে মাৰৰ ?"

"জ্বৰ, সাতদিন হ'ল।" তাইৰ মনটো গধুৰ।

"দৰব খুৱাইছ নে নাই ?"

"আমিনো ক'ত পাওঁ দাৱাই ? দুখীয়া মানুহৰ ক'ত দাৱাই আছে ?"

"ভইনো কথাবিলাক কিয় তেনেকৈ কৈছ অ' ?" মই অকণমানি হাঁহো।

তাই মোৰ মুখলৈ চাই থাকে। মই জেপৰ পৰা টকা পাঁচটা উলিয়াই তাইৰ হাতত দিওঁ—"লচোন, ইয়াৰে দাৱাই কিনিবি, দেই। মই বাক

কালিলৈ তোৰ মাৰৰ খবৰ লবলৈ যাম, কিনো হৈছে চাই আহিম।"

তাই ভলমূৰকৈ টকাকেইটা হাতত লয় আৰু আনফালে চাই থাকে।

"লপাং কেতিয়া আহিব বহাগী ?"

"জানং ন-খোৱাৰ সময় পাৰ হৈ গ'লেই দেখোন। আপোনালোকৰ কাৰণেহে সি জেলত গ'ল।"

তাইৰ অভিযোগৰ সমিধান দিবলৈ টান লাগে। সি যি নহওক লপাং মুকলি হৈ আহিবৰ চাগৈ বেছিদিন নাই। তাই লাহেকৈ আঁতৰ হয়। ময়ো ঘৰলৈ উভতোঁ।

মাই কয়, "ভিনদেৱেৰে ঘৰ কৰিবলৈ মাটি লৈছে। তই তাত থাকিলে সহায় কৰিব পাৰিবি বুলি বাইদেৱেৰে মাতি পঠিয়াইছে।"

"মইনো বাইদেউৰ কি নিকিনা গোলামটো ? মাতিলেই যে যাব লাগে ?"

মাই মোৰ কথাষাৰ ভাল নাপায়। মাইকী মানুহৰ বুধিৰে বাইদেৱে মোৰ হিতেই চিন্তা কৰিছে। মই শ্বিলঙলৈ গৈ কাম এটাত সোমাই ল'লে অন্ততঃ মোৰ জীৱনটোত থিত লাগিব আৰু মোৰ বিয়াখনৰো সম্ভাৱনা হব। বাইদেউৰ দিহামতে মাও চলে। মাক প্ৰবোধ দিবৰ কাৰণে কৈ থওঁ, "দুদিনমান যাওকচোন, শ্বিলঙলৈ বাৰু যাম। দেউতাৰ গাও দেখোন ভাল নহয়—"

"বোৱাৰী এজনী আনিব নোৱাৰিলেনো দেউতাৰৰ ভাল বেয়া কি ? বাইদেৱেৰে আকৌ লিখিছে সেই মিনতি নামৰ ছোৱালীজনীৰ কথা। ছোৱালীজনীৰ বোলে আকৌ বয়সো বেছি, জানো তইঁতে কি কৰ।"

মিনতিয়ে মোক বান্ধৰ দৰে লম্ভিলে। ওচৰত থাকিব খুজিলেও তাই গিলিব খোজে, আঁতৰত থাকিলেও নিস্তাৰ নাই। তাইনো কেনেকৈ জালখন পেলালে ধৰিবলৈ টান পালোঁ। মানুহে যাক বিচাৰে তাক নাপায়, নলগাজন হেঁপাই-ফেঁপাই আছে। শ্বিলঙলৈ গলেও জানো বাইদেউৰ পৰা ৰক্ষা আছে ? সেই একেটা কথাকে উলিয়াই থাকিব।

বহুদিনৰ পাচত মিনতিৰ বতৰা পালোঁ—প্ৰবীণৰ চিঠি এখনৰ পৰা। তাৰ চিঠি-পত্ৰ লিখা অভ্যাস কম, তথাপি মিনতি শ্বিলঙলৈ বি-টি পঢ়িব যাব বুলি

মোক জনাবলৈ তাৰ কি গৰজ হ'ল কব নোৱাৰিলোঁ। মিনতি অৱশ্যে আহিব জুন নে জুলাইত, এতিয়াও কেইমাহমান বাকী। মোৰ সন্দেহ হ'ল, নিশ্চয় তাই প্ৰবীণক মোৰ কথা কৈছে আৰু সিয়ে বাইদেউক ফুচুলাই মিনতিৰ কাৰণে মোক হাত কৰিবলৈ পাং পাতিছে। তাক লগ পালে শিকাম এইবেলি।

দেউতাৰ উচ্‌পিচনিত তৎ নাপাই ফুলবাৰীৰ কছাৰী দুটাৰ ওপৰত খাজানা আৰু আধীয়া ধান নিদিয়া কাৰণে মোকৰ্দমা কৰিছিলোঁ। কথাটো প্ৰায় পাহৰিয়ে আছিলোঁ। বহাগীৰ মাকৰ খবৰ লবলৈ যাবৰ সময়ত কথাটো মনত পৰিল। অৱশ্যে তেতিয়াও মোকৰ্দমাৰ দিন পৰা নাছিল। তথাপি কথাটো মনলৈ আহিলত অলপ লাজ-লাজ লাগিল, কিয়নো বহাগীয়ে হয়তো এই কাৰণে মোক ককৰ্থনা নকৰাকৈ নেৰে, এনেয়ে তাহাঁতৰ আমাৰ ওপৰত আখেজ আছে।

বহাগীৰ মাকৰ খবৰ লবলৈ যোৱা দুদিনমান পলম হ'ল, দেউতাৰ অসুখৰ কাৰণে। মাজতে ডাক্তৰ বিচাৰি নগাওঁ পালোঁগৈ। তাৰ পৰা আহি এদিন শনিবাৰে ৰাতিপুৱা সেইফালে যাওঁ বুলি ওলালোঁ। মাক কথাটো কলোঁ।

মা পাগঘৰলৈ সোমাই গৈছিল, মোৰ কথাবাৰ শুনি ওলাই আহিল।

"কলৈ যাব খুজিছ ?"

"ফুলবাৰীৰ পৰা আহোঁ।"

"নাৰাবি, নালাগে যাব।"

"কিয় !" মই আচৰিত হওঁ।

খন্তেক মনে মনে থাকি তেওঁ ক'লে, "তোক নকম বুলিয়ে ভাবিছিলোঁ, পিচে কোৱাটোহে ভাল হবপায়।"

"কচোন কি ?" মোৰ খং উঠে।

"আমাৰ বন্ধাটোৱে দেখোন কয়, ফুলবাৰীৰ মানুহবিলাক বোলে কিবা একধৰণৰ হৈছে, তাতে আমাৰ ওপৰত বোলে তাহাঁতৰ বৰ চোভা।"

"অ' একো নহয়, মোকতো তাহাঁতে চিনি পায়ে।" প্ৰকৃততে মোৰ মনতো অলপ শঙ্কা নোপজাকৈ থকা নাছিল। মোকৰ্দমাটোৰ কথা মনত পৰিল। "একো নহয় অ' মা। বাৰু অলপ সতৰ্ক হৈ যাম।"

"লগত কোনোবা এটাক লৈ নাযাব কিয় ? বাপুকে লৈ যাব পাৰ ৷" বাপু মোৰ সম্পৰ্কীয় ভাই, আমাৰ ঘৰতে থাকে ৷

"এহ্ নালাগে ৷"

মই অকলেই ওলাই গলোঁ ৷ বতৰ বেচ্ ফৰকাল ৷ মুকলি পথাৰবোৰৰ কথা ভাবি ভাল লাগিল ৷ তাৰ উপৰি লোকৰ উপকাৰ কৰিবলৈ পালে অলপ গপ ওপজে, তাৰ জোৰতে মনটোতো উত্তম পোৱা যেন লাগিল ৷

গাৱঁৰ কাষ পাই যাম নে নাযামকৈ আগ বাঢ়িলোঁ ৷ ছুটামান ল'ৰা-ছোৱালীয়ে খেমালি কৰি আছে ৷ তাহঁাতক মাত লগাওঁতে হাঁহি আঁতৰি গ'ল ৷ বহাগীহঁতৰ ঘৰৰ সমুখৰ লুংলুঙীয়া বাটটোৰে সোমাওঁতেই সিফালৰ পৰা অহা মানুহ এজন পালোঁ ৷ সি নিশ্চয় মোক চিনি পায়, তথাপি মোক আওকাণ কৰিয়ে গুচি গ'ল ৷ বহাগীহঁতৰ পিৰালিতে মানুহ দুজন বহি আছে ৷ সিহঁতে মোক দেখি ভিতৰলৈ উদ্দেশ্য কৰি কিবা এটা কৈ উঠি গ'ল ৷ মই আলেখ-লেখ বাক নাপালোঁ ৷

বহাগী ওলাই আহিল ৷ তাই বিশেষ আগ্ৰহ নেদেখুৱাকৈ বহিবলৈ পিৰা এখন আগবঢ়াই দিলে ৷

"মাৰৰ কেনে কৰিছে আজি ?" মোৰ জেপত মেপাক্ৰিন বড়ি কেইটামান আছে, মই তাৰে কথা ভাবিলোঁ ৷ তাইৰ মাকৰ মেলেৰিয়া নহৈনো আৰু কি হব ? ভিতৰত কোনোবা এজনে কাঁহিছে, নিশ্চয় তাইৰ মাক ৷

"তই যা বাবু," তাই খৰঙাভাৱে কৈ পেলালে ৷

"মাৰৰ অসুখ কেনে এতিয়া ?" মই আকৌ সোধোঁ ৷

"আমাৰ উপৰত মৰুভামা কৰি আৰু সুধিলে কি হব ?"

"সেইটো পিচৰ কথা, আৰু তইঁতৰ ওপৰতো কৰা নাই ৷"

তাইৰ মাকে ভিতৰৰ পৰা কিবা কয়, তাই সোমাই যায় ৷ অলপ পৰৰ পিচত ওলাই আহি মই সিদিনা দিয়া টকা পাঁচটা ওভতাই দিয়ে ! মই ব' লাগি তাইৰ মুখলৈ চাওঁ ৷ তাই মোৰ মুখলৈ নাচায় ৷

"বাইজৰ মানুহমখাৰ খং উঠি আছে, তই যা ৷"

তাইৰ অন্তৰৰ কোনোবাখিনিত চাগৈ মোৰ কাৰণে অলপ পুতৌ সঞ্চিত হৈ আছে। তাইৰ ব্যৱহাৰত মোৰ লাজ লাগে। কি অদ্ভুত ধৰণৰ মানুহ ইহঁত।

"মাইৰ জ্বৰ, কঁপি কঁপি জ্বৰ উঠে। মোক টকা নালাগে, সিদিনা চাউল বেচি পইচা পাইছোঁ।"

তাই চাগৈ মোৰ অৱস্থাটো পাতল কৰিবলৈকেই সেইদৰেই কয়। মেপাক্রিনৰ বড়িকেইটা তাইৰ হাতত দি মই ওলাই আহোঁ। মনত পৰাজয়ৰ ভাৱ এটা কঢ়িয়াই আনো। তাইৰ মোক বেয়া পাবলৈ বহুতেই কাৰণ। গিৰিয়েক জেলত। খাজানা নিদিয়া বুলি আমি যে তাহাঁতক জব্দ কৰিবলৈ চেলু চাই আছোঁ, সেই কথা তাই কেনেকৈ পাহৰে? তাৰ উপৰি গাৰ্ডৰ দুজন মানুহৰ ওপৰত মোকৰ্দমা। তাইৰ খেলৰ মানুহক জুলুম কৰা মানে তাইকো জুলুম কৰা। তাই যে দা এখন লৈ মোক ঘাপ মাৰি নিদিলে সেয়ে বহুত।

তাইৰ ঘৰৰ পৰা ওলাই প্ৰকাণ্ড গাহৰি এটা ভয়ভয়কৈ একাষৰীয়াকৈ থৈ বাট ওলাইছোঁহে, এনেতে জোপোহা এশাৰীৰ আঁৰত কেইবাজনো মানুহে তৰ্কাতৰ্কি কৰা যেন লাগিল। তাহাঁতে কছাৰী ভাষাত কথা পাতিছে। এফাঁকিনে দুফাঁকি মাথোন কথা ভালকৈ কাণত পৰিল—"আং বু-নো হা-গো—ময়ে পিতিব পাৰোঁ।"

"দা বু, দা বু! নামাৰিবি, নামাৰিবি!"

মই গতি বিষম দেখিলোঁ। কি কৰোঁ কি নকৰোঁ চিন্তা কৰোঁতেই মানুহকেইটা ওলাই পৰিল আৰু মোৰ পিনে চোঁচা লৈ আহিল। নিমিষতে দেখিলোঁ তাৰ ভিতৰতে বাঘুৰাও, সি হাত জোকাৰি জোকাৰি কিবা কবৰ চেষ্টা কৰিছে। মই ততালিকে আগ বাঢ়ি তাহাঁতৰ সন্মুখত থিয় দিলোঁ, মুখত নিৰ্ভীক ভাৱ লৈ, ভিতৰত যদিও বুকুৰ কঁপনি।

"কি হৈছে বাঘুৰা?"

"কি হব আৰু, কিয় আহিছ তই আমাৰ গাৰঁত?" আন এটা আদবয়সীয়া কছাৰীয়ে ধমকি দি উঠিল। বাকী-কেইজনে মোক নিৰ্ভয়ে থিয় হৈ থকা দেখি অলপ থৰ লগা যেন দেখুৱালে।

মই কি কওঁ কি নকওঁ কৰোঁতে বাঘুৱাই মানুহজনক পিচলৈ টানি লৈ গৈ বুজাবলৈ ধৰিলে, "তহঁতে কিয় গণ্ডগোল কৰিছ ? এওঁ দেউতা আমাৰ মানুহ। তহঁতে নাজাননে কি এওঁ সিদিনা সোমবাৰে ৰবীন বৰুৱাক লগ ধৰি আহিছে। এওঁ দেখোন ৰবীন বৰুৱাৰ লগৰ মানুহ ?—"

মোৰ মুখত মাত নোলাল। কছাৰীকেইটাই ভোৰভোৰাই থাকোঁতেই বাঘুৱাই মোক হাতত ধৰি আঁতৰাই লৈ গ'ল। কিছুদূৰ আহি সি ক'লে, "আপুনি আৰু আমাৰ গাঁৱলৈ নাহিব। আপুনি মোকৰ্দমা কৰি বৰ বেয়া কাম কৰিছে। আমি গাঁৱৰ মানুহে কোৱা-মেলা কৰি এনেয়ে আপোনালোকক ধান অলপ-অচৰপ দিলোঁহেতেন। মোকৰ্দমা কৰা কাৰণে আমি খুব বেয়া পাইছোঁ। অৱশ্যে আপুনি নিজৰ বুধিৰে হয়তো আমাৰ ওপৰত মোকৰ্দমা নকৰে, কিন্তু তথাপি আমাৰ বাইজে যিটো মত বান্ধি লৈছে তাক লৰাবলৈ চেষ্টা নকৰিব।"

সি আৰু কিবাকিবি কয়। মই লাজ-অপমানত নিমাত হওঁ। চমুকৈ মাত লগাই তাক ওভতাই পঠিয়াওঁ। মই আৰু উভতি নাচাওঁ। মুকলি পথাৰ পাইহে মনটো অলপ পাতল লাগে। ভাৱোঁ, এইবোৰ জঞ্জালত আৰু নোসোমাওঁ। সোনকালে খিলঙলৈ যোৱাটোহে শ্ৰেয়ঃ।

ঘৰত মাই মোৰ কাৰণে চিন্তা কৰি আছিল। মোক দেখিয়েই ওলাই আহি মাত লগালে, "আহিলিনে ?"

"ওঁ।"

"গ'লি নে নাই ?"

"কিয়, গাত টাঙোনৰ কোব খোৱা চিন নাই কাৰণে গৈছিলোঁ নে নাই সন্দেহ কৰিছনে কি মা ?"

মাই সকাহ পাই হাঁহে। তেওঁক কথাবোৰ কওঁ।

কছাৰী দুটাৰ ওপৰত দিয়া মোকৰ্দমা তুলি লোৱা কথা উলিয়ালত দেউতা গৰ্‌গৰাই উঠিল। "কিনো কৰিব খুজিছ কৰই পৰা নাই। তয়ো কমিউনিষ্ট হলিনে কি ইহঁতৰ লগত পৰি ?"

সেউত্তাক বুজাব নোৱাৰি একহিচাবে খং কৰিয়ে ঘৰ এৰিলোঁ। তেওঁ যি কৰে কৰি থাকক। মাই মাথোন আমাৰ খবিয়াল দেখি চকুলো টুকিলে। এই কেইদিনৰ ভিতৰত অলপ ভাল লগাইছিল গিৰিধাৰীলালৰ চিঠি এখনে। তাৰ কাঠ যোগাৰা প্ৰায় শেষ হৈছে, লাভো থাকিব লাগে। লাভৰ অংশ মোৰো অলপ। মই আকৌ সেইফালে যাব পাৰোঁনে, সি সুধি পঠিয়াইছে।

॥ ১৩ ॥

ডিচেম্বৰ মাহত শ্বিলঙৰ জাৰ কেনে তাৰ সোৱাদ গৈয়ে পালোঁ। বাহিৰত ফেৰ্‌ফেৰীয়া বতাহ, ভিতৰত চেঁচা কাপোৰ-কানি। গৰম কাপোৰৰ তলেদি চোৰাংকৈ জাৰ সোমায়। যোৱাৰ পিচদিনা হুবপায়, বাইদেউৰ প্ৰাথমিক বক্তৃতা এটা হজম কৰি কাপোৰ-কানি এসোপা লৈ বিছনাতে পৰি আছোঁ। আবেলি চাৰিমান বাজিছে। বাইদেৱে আগ্ৰহেৰে আহি খবৰ দিলে বাহিৰত প্ৰবীণ বৈ আছে বুলি। বাইদেউৰ প্ৰবীণৰ প্ৰতি ভাৱটো সাধাৰণতে বিয়া দিয়া ছিৰোতাৰ নিৰ্ক্মাৰ প্ৰতি যি ভাৱ তেনেকুৱাই, এতিয়া কিন্তু তাতকৈ অলপ অনুধৰণৰ কিবা এটা অনুভৱ কৰিলো। মই উঠো মুঠোকৈ লেহেম কৰি আছো, তেওঁ আহি আকৌ খচ্‌মচ্‌ লগালে, "হেৰ' নাযাব কিয় ? মই চাহ হুকাপ পঠিয়াই দিওঁগৈ। কেঁচুৱাটোৱেহে বৰ দিগ্‌ দিছে।"

প্ৰবীণৰ ওপৰত মই যি সন্দেহ কৰি আছিলোঁ বাইদেউৰ আগ্ৰহৰ আতিশয্যই সেই সন্দেহ সমৰ্থন কৰা যেন লাগিল। মিনতিৰ হৈ এওঁলোক হুয়ো মুৰ ঘমাইছে কিয় ? প্ৰবীণ বদ্‌মাছটোৰে বা ইমান গৰজ কি ?

"গুড্‌ ইভনিং," প্ৰবীণে সম্বৰ্দ্ধনা জনালে। "পিচে খবৰ বাতৰি ভালনে ? তই কেতিয়া আহিবি কেতিয়া আহিবিকৈ মই বাট চাই আছিলোঁ।"

"স্বাৰ্থ ?" মই ব্যঙ্গৰ সুৰত কবলৈ চেষ্টা কৰোঁ। চকু পৰে তাৰ পৰিপাটি পোচাকটোত।

"স্বাৰ্থ বহুতো," চামবাৰ কেইছ এটা থপৰিয়াই থপৰিয়াই সি কয়।

"কেইছটোত কি আছে ?"

"ইনচুৰেঞ্চৰ এজেণ্টৰ যি যি থাকিব লাগে সেইবিলাক।"

"তই ইনচুৰেঞ্চত লাগিছনে কি ? বেচ্‌ বেচ্‌! অলপ সুবুদ্ধি হৈছে তেও। পিচে কেইছ পাইছনে নাই ?"

সি মোৰ ব্যঙ্গ উপেক্ষা কৰি সমিধান দিয়ে, "প্ৰথমটো হ'ল তোৰ তিনদেৱেৰৰ, দ্বিতীয়টোৰ কাৰণে তোৰ ওচৰলৈ আহিছোঁ নহয়।"

মোৰ খণ্ডে মুখৰ চুলি পায়। চকু ঘোপা কৰি তালৈ চাওঁ।

"হোঁ চিগাৰেট এটাকে খাই ল।"

"চিগাৰেট কিনিবলৈ শিকিলি কেতিয়া?"

"ইনচুৰেঞ্চৰ এজেন্ট হবৰ দিনাৰ পৰা। বাৰু, তোৰ বয়স কিমান এতিয়া —সাতাইশ নহয়নে?"

সি চামৰাৰ বেগটোৰ পৰা ফৰ্ম এখন উলিয়ায়। মই তাৰ আলেখ-লেখ চাই থাকোঁ।

"ৰবি, সাতাইশ হলে যদি গোটেই জীৱনটোৰ কাৰণে কৰ, তেতিয়া দহহাজাৰৰ প্ৰিমিয়াম লাগিব—"

মই থাপ মাৰি কাগজখন টানি আনি ফালি পেলাওঁ।

"এই কি কৰিলি!" সি চিঞৰি দিয়ে।

"থ, থ তোৰ ইনচুৰেঞ্চ, অকৰ্মণ্যটো! ইমানদিন একো কৰিব নোৱাৰিলি, শেহত গৈ গৈ পালিগৈ ব্যৱসায়!"

"তই মোক ভুল বজিছ, উৎপল," সি মনত আঘাত পোৱা যেন দেখুৱায়।

"তোক বুজিবৰ আছেনো কিটো?"

"বহুতো আছে, বহুতো আছে। এই ধৰি ল—প্ৰথম কথা তোৰ নিচিনা মানুহ এজনে ভদ্ৰঘৰৰ ছোৱালী এজনীৰ প্ৰতি এনে অবিচাৰ কৰিব যে পাৰ সেই কথা ভাবিলে মোৰ বৰ বেজাৰ লাগে—"

তাৰ কথা কোৱাৰ ভঙ্গী দেখি মোৰ হাঁহি উঠিব খোজে।

"নাহাঁহিবি, শুন, মই তোৰ হিতকে কামনা কৰিছোঁ!"

"কচোন কেনেকৈ!"

"প্ৰথমতে ভাল ছোৱালী এজনী দি, দ্বিতীয়তে তোৰ লাইফ্ ইনচিয়োৰ কৰি।"

"পিচে ছোৱালীজনীৰ লাইফ্ দেখোন ইনচিয়োৰ হৈ আছেই—"

"কেনেকৈ?"

"কিয়, মিনতিৰ তোৰ লগত বিয়া হোৱাৰ কথা নাছিল? তই তাইৰ লগত বৰ হুলিগলি কৰা নাছিলি? এতিয়া ফালৰি কাটিছ কিয়?"

মোৰ কথাত সি অলপ আচৰিত হয়।

"সাত-শতুকৰেও কব নোৱাৰে মোৰ চৰিত্ৰ বেয়া বুলি, কিন্তু তোৰ—মোৰ হাতত প্ৰমাণ আছে, সেয়েহে কৈছোঁ।"

"মিনতিৰ চিঠি, হয়নে? অলগৰ্দ্ধ, দিবিচোন। তোক জব্দ কৰিবলৈ সেইপাতেই মোৰ অস্ত্ৰ হব।"

সি হাঁহি পেলায়, "বাক সম্প্ৰতি যুদ্ধ স্থগিত থাওক। ওলাই যাওঁ ব'ল। অলপ ফুৰি অহা য'ক।"

"কলৈ যাবি এই জাৰথনত?"

"অ' বঢ়িয়া ঠাই, অৰ্থাৎ মোৰ কোম্পানীৰ অৰ্গেনাইজাৰৰ ঘৰত। তেওঁৰ ঘৈণীয়েকে বঢ়িয়া গান গায়। মিঃ শৰ্মাও সৰবৰহী লোক। বুজিছ, ইনচুৰেঞ্চৰ কাম কৰা মানুহৰ সামাজিক ব্যৱহাৰ অলপ ওখ খাপৰ।"

"হৈছে আৰু, নিজৰ গুণ জহাব নালাগে।"

আমি মউখাৰৰ ফালসৈ ওলাই যাওঁ। থাওাত নাকেৰে পানী ব'বলৈ ধৰে, তথাপি ছয়-সাত মাহৰ মূৰত শিলঙৰ বাটত ফুৰিবলৈ বেয়া নালাগে, তৰিৰ মাংসপেশীবোৰবো অলপ কছৰৎ হয়। মই তাৰ খবৰবোৰ সোধোঁ।

"তোৰ বন্ধু বৰঠাকুৰৰ কেনে চলিছে? তেওঁক বগৰাব পাৰিছনে?"

"অ' তেওঁ মোক চাকৰিকে দিব খুজিছিল।"

"সঁচানে?"

"এশ-পঁচিশটকীয়া কিবা এটা। মই গ্ৰহণ কৰোঁ যেনেই পাইছিলোঁ, ঘৰৰ কথাওতো চিন্তা কৰিব লাগে। দেউতাৰ পেঞ্চনৰ সময় ওচৰ চাপিছে, ভনীজনীকো উলিয়াই দিব লাগে—"

"বাক, সেইবোৰ শাস্ত্ৰৰ বচন নাওৰালেও হব, তই ঘৰৰ কথা চিন্তা কৰিবি! চাকৰিটোৰ কি হ'ল?"

"দেউতাই প্ৰমোচন এটা পালে, দ্বিতীয়তে দেখিলোঁ মোৰ নিচিনা ডেকা এজনে এশ-পঁচিশটকীয়া চাকৰী এটা লোৱাও সিমান সম্মানজনক নহয়, আগ নাবাঢ়িলোঁ।"

"দেউতাৰে কি মন্তব্য কৰিলে ?"

"দেউতাই আৰু কি ক'ব, মাইহে এসাজ লঘোনে থৰ খুজিছিল।"

"পিচে—"

"ৰঞ্জনাৰ পৰা ষড়যন্ত্রটোৰ উমান পালোঁ। তোৰ বাইদেৱেৰেই সমস্যাটোৰ পৰা উদ্ধাৰ কৰিলে।"

"কেনেকৈ ?"

"থৰ খুজিয়ে থাকোঁ, মোৰোতো বাইদেউ—কলোঁ, বাইদেউ, উৎপল মাই কাৰণে এইফালে বৰকৈ অহাও নহয়, পিচে ভাত এসাজকে মুখুৱায় কিয় ? বাইদেউ গলি গ'ল। মাও জব্দ হ'ল।"

"অ' সেইদিনাৰ পৰাই হবপায় বাইদেউৰ লগত তোৰ ইমান সম্ভাৱ ? তাৰে সুযোগ লৈ এতিয়া মিনতিক মোৰ ওপৰত জপাব খুজিছ, বুদ্ধি আছে দেখিছোঁ !"

"তই মোৰ ওপৰত অযথা অভিযোগবোৰ আনিছ। ব'লচোন মিঃ শৰ্মাৰ তালৈ যাওঁ। নীলিমা দেৱীৰ গান শুনিব লাগিলে তই বলিয়া হৈ যাবি।"

"কাৰ গান !" নামটোৱে মোৰ হিয়াৰ তাঁৰত কঁপনি তোলে।

"নীলিমা দেৱী মিঃ শৰ্মাৰ ঘৈণীয়েকৰ নাম। শুৱনী তিৰোতা, কথা-বতৰা বেচ খোলা—"

"ক'ৰ ছোৱালী জাননে কি ?"

"গৌৰীপুৰৰ বুলি কৈছিল হবপায়।"

মই শুনি থৰ লাগিলোঁ। আকনো কোন হব পাৰে ? নীলিমাক মই এৰি আহিছিলোঁ, তথাপি এই কেইমাহৰ ভিতৰতে—অন্তৰখন সৰল গছবিলাকৰ পাতৰ মাজেদি দৌৰি ফুৰা বতাহজাকিৰ দৰে চেঁচা লাগিল। ভৰি নচলা হ'ল। নীলিমাৰ বিয়াৰ লগে লগে মোৰ জীৱনৰ বাটত দুৱাৰ এখন জাপ খালে যেন লাগিল।

"মুখৰ মাত নাইকিয়া হ'ল যে ?" প্ৰবীণে মাত দিয়ে।

"ভাবিছোঁ," চমকি কওঁ।

"কি ভাবিছ, নীলিমা দেৱীৰ গানৰ কথা ?"  সি হাঁহে।

"যদি সঁচাকৈয়ে ভাবিছোঁ বুলি কওঁ ?"  ময়ো হাঁহিবলৈ চেষ্টা কৰোঁ।

অলপদূৰ গৈ তাক কওঁ, "উভতি যাওঁ বল অ'।"

"আৰে কিয় ?"

"এহ্, ভাল লগা নাই, আন এদিন আহিম, ব'ল।"

"ইমান দূৰ আহি—"

"থচোন আজি।"  মই জোৰেৰে কওঁ।

"আন কৰবালৈ যাবিনে একেবাৰে উভতিবি ?"

আৰু কলৈ যাব পাৰি ?"

"খাচীয়া মানুহ এঘৰ আছে ওচৰতে, চিনাকি মানুহ।  যাবিনে কি ?"

সি মোক লুভ্লুভীয়া গলি এটাৰে লৈ গৈ সৰু চুমহলীয়া ঘৰ এটা পায়। ওচৰত কুকুৰ এটাই ভুকে। সমুখত জুপোপামান গোলাপফুল পাওঁ, আকাৰতো চিনিব পাৰি।

"ভয় নকৰিবি, খাচীয়া কুকুৰে কদাচিতহে কামোৰে," সি মোক নিৰ্ভয় দিয়ে।

ঠেক চিৰি এখনেৰে উঠি আমি ঘৰটোৰ ওপৰ পাওঁ। সি দুৱাৰ এখনত টুকুৰিয়ায়। দুৱাৰখন মেল খায়। খাচীয়ানী এজনীয়ে প্ৰশ্নসূচক দৃষ্টিৰে চায়। সি কয়, "মই আহিছোঁ, কা-ডুপ। এইজন মোৰ বন্ধু উৎপল।"

"আলে, খং—আইয়ে, বৈথিয়ে।"

তাইৰ গাত চেমিজ, বুকুত এটা বডা চুৰেটাৰ, তিতিৰ পৰা কাৰৰ ওপৰলৈ গৰম নীলা ধাৰা এখন ওলমি আছে। তাই জুই পুৱাই আছিল, কিয়নো খোটালীটোৰ এচুকত জুইকুৰা দপ্দপীয়াকৈ জ্বলি আছে।

"তোমাৰ জাৰ লাগিছেনে কি ?"  তাই প্ৰবীণক সোধে।  এবাৰটো [illegible] মোক লক্ষ্য কৰি কৰা হৈছিল, কিন্তু প্ৰথম দেখা বুলি সংকোচতে তাই মোক সম্বোধন নকৰিলে। তাইৰ কপালখন বহল, চকু দুটা দুলীয়া আৰু [illegible]।

"এওঁ মোৰ ডাঙৰ বন্ধু, ব্যৱসায় কৰে, কিন্তু ব্যৱসায়ত সদায় লোকচান।"

তাই কেৰাহিকৈ চাই হাঁহে, কয়, "ঝিন্ দিঃ খা ?—চাহ খাব আপুনি ?"

মোৰ তাতো ভাল নালাগে। তাইৰ সজীৱ মূৰ্ত্তিটো আৰু তেজাল জুইকুৰাই মোৰ অন্তৰৰ শীত যেন বঢ়াইহে তোলে। দূৰৈৰ পৰা আন্ধাৰৰ পাখিত উৰি আহি মোৰ শিৰে শিৰে যেন বয়—দিনেৰ শেষে ঘুমেৰ দেশে·····উন্মনা হওঁ। কা-স্তূপে দিয়া তামোলবিলাককে এখন এখনকৈ চোবাই থাকোঁ। প্ৰবীণে তাইৰ লগত গুনগুনাই মেল পাতে।

অলপ পাচত সি মাত লগায়, "নাযাবনে ?"

তাৰ উঠিবৰ আগ্ৰহ দেখি আচৰিত হওঁ—হয়তো মই লগত থকা দেখি সি পলম কৰিব নোখোজে। মই বেয়া নাপাওঁ উঠিবলৈ।

আহিবৰ সময়ত প্ৰবীণে কয়, "তাই আজি বৰ গহীন হৈ আছে, তাইৰ মানুহ এজন আছে—ফজল। ফজল আহিবৰ কথা, সেই কাৰণেই আমাক বেছি সময় ৰাখিবলৈ মন নকৰিলে, নহলে তাইৰ কথা কি শুনিলাহেঁতেন—মুখ চক্চকাই থাকে।"

মোৰ কথা কবলৈ মন নাযায়।

সি আকৌ কয়, "মৰম লাগে, নহয়নে ?"

লোকৰ তিৰোতা এজনীক মৰম জনাবলৈ যোৱাটো কেনে ধৰণৰ কথা, ভাবিবলৈ ভাল নালাগে। আলিবাটত ফেৰ্‌যেৰীয়া বতাহ, বৰ জাৰ লাগে। পুলিচ বজাৰত দোকান এখনত সোমাই আকৌ চাহ খাই লওঁ। বাটত চিনেমা হলৰ পৰা ওলাই অহা মানুহ কেতবোৰ দেখোঁ। খাচীয়ানীবোৰে খিল্‌খিলাই হাঁহি যায়। দুই এজনীয়ে চিনেমাত শুনি অহা গান আওৰায়।

ঘৰ পালত ভাত খাবৰ সময়ত বাইদেৱে আকৌ মোৰ বিয়াৰ কথা উলিয়ায়। সময় নাই, অসময় নাই, একেবোৰ কথা শুনি আমনি লাগে। বাইদেউৰ মুখখনলৈ চাই কিবাকিবি ভাৱবোৰ খেলায়। তেওঁ দেখিবলৈ ধুনীয়া আছিল। পিচে কেৰাণীৰ ঘৈণীয়েক হৈ দিনটোৰ জমা-খৰচৰ হিচাব লওঁতে লওঁতে মুখত যিখিনি কোমল ভাব আছিল সেইখিনি আঁতৰ হ'ল। চকুৰ আগ-বয়সৰ সুষমা কাঢ়ি নিলে সাংসাৰিক চিন্তাই। তাৰ উপৰি নিয়মিত তিনিদেউক

চলাওঁতে চলাওঁতে তেওঁৰ প্ৰকৃতি সময়ত হেড্‌মাষ্টৰণীৰ দৰে হৈ উঠিল। সককালি ঘৰৰ ভিতৰতে প্ৰথম সন্তান বুলি মা-দেউতাৰ সৰহখিনি আদৰ-যত্ন তেঁৱে আদায় কৰি ললে।

"তই বাক মোৰ কাৰণে কিয় ইমান মূৰ ঘমাইছ ?" মই বিৰক্তিত মন্তব্য কৰোঁ।

মোৰ খং উঠা যেন পাই অলপ নৰম সুৰত তেওঁ কয়, "ভাল চিন্তিলে বেয়াহে বুজ। তইঁতৰ কথাই তেনেকুৱা। তেখেতৰ অফিছত বোলে কাম এটা খালি হৈছে, চেষ্টা কৰি চাবিচোন। এনেলি পাৰিলে বৰঠাকুৰকো লগ ধৰিব লাগে।"

"এৰা, উৎপল, তুমি এবেলি বৰঠাকুৰ ডাঙৰীয়াক লগ ধৰিবাচোন," ভিনদেৱে মাজতে মাত দিয়ে।

"চাকৰিটো প্ৰথমতে, তাৰ পাচত বিয়া," হেড্‌মাষ্টৰণীৰ মুখৰ পৰা ওলায়।

"ছোৱালী চাইছ ?"

"কিয়, মিনতি আছে নহয়," বাইদেৱে মোৰ চকুলৈ চাই মিচিকিয়ায়।

বাইদেউৰ কথা কোৱাৰ ভঙ্গীটো ভাল নালাগে। প্ৰবীণৰ অনুগ্ৰহত তেওঁ নিশ্চয় জোখতকৈ সৰহ জানি লৈছে। গোটেইসোপা উলিয়াব লাগিলে ভিনদেৱে কি ভাবিব ক'ব নোৱাৰি।

"বাক, প্ৰথমতে চাকৰিটোকে হওকচোন," মই কৈ থওঁ।

বৰঠাকুৰ ডাঙৰীয়াৰ ওচৰ নচপাকৈয়ে কাম এটা পাওঁ। চেক্ৰেটেৰিয়েট অফিছৰ এপটকীয়া এচিছ্‌টেণ্ট। বিশুদ্ধ কেৰাণী কাম, কিন্তু মধ্যবিত্ত শ্ৰেণীৰ ভদ্ৰলোকে কেৰাণী শব্দটো পচন্দ নকৰে দেখি তাক সংস্কাৰ কৰি কৰা হ'ল এচিছ্‌টেণ্ট, অৰ্থাৎ সহকাৰী। দৰমহা প্ৰায় এশ। তাৰ উপৰি জাবকালিৰ মাহকেইটাত অলপ ওপৰঞ্চি। বাইদেউ বেচ সন্তুষ্ট হয়, মোৰ সুবুদ্ধি হোৱা দেখি। চাকৰিয়াল ভায়েক এজনক দেখুৱাবলৈ পাই মহিলামহলত হয়তো অলপ আত্মপ্ৰসাদো লাভ কৰে।

চাকৰি পাই ভিনদেউৰ ওপৰত বোজা হৈ থাকিবলৈ ভাল নালাগে। মেছ এটালৈ যাবলৈ মন কৰোঁ, অথচ বাইদেউৰ আগত কথাটো উলিয়াবলৈয়ো কেনেবা কেনেবা লাগে। দিনবোৰ যায়। প্ৰবীণ ফাজিলটোৰ লগত ঘূৰি ফুৰোঁ। বাইদেউৰ ছোৱালী ৰাণুক কেতিয়াবা ফুৰাওঁ, জনাই নজনাই ছবি আঁকিবলৈ শিকাওঁ। অফিছৰ বন্ধাধৰা গতত পৰি প্ৰকৃতিটোও অলপ নিৰ্জীৱ হয়। ভৈয়ামৰ বহল পৃথিবীখনৰ কথা পাহৰা যেন লাগে। ৰবীনকুমাৰৰ লগত কটোৱা দিন দুটাৰ কথা যেন এতিয়া একেবাৰেই অবাস্তৱ। নিতাইৰ খবৰো নাপাওঁ।

লুম্‌পাৰিঙৰ ওখ ঠাই এটুকুৰাত ভিনদেউৰ নতুন ঘৰ হয়। খাচীয়া মিস্ত্ৰিয়ে অতি সোনকালেই ঘৰ উলিয়ায়। আমি নতুন ঘৰলৈ যোৱাৰ লগে লগে জাৰ কমে। ব'দ ভালকৈ ওলাবলৈ ধৰে বতাহ কোবাল হয়। বতাহৰ কাৰণে ওলোৱা সোমোৱা কৰিবলৈ বৰ্ দিগদাৰ লাগে। মাৰ্চ্চ মাহত জাৰ যথেষ্ট কমে। দুই এজাক পাতল বৰষুণ পৰে আৰু এপ্ৰিলৰ লগে লগে পাত নাইকিয়া পিচ-ফলৰ গছত থোপাথোপে পিঙ্ক ৰঙৰ ফুলবোৰ ওলাব ধৰে। পাতল আইনা যেন নীলা আকাশৰ পটভূমিত এচলীয়া পাহাৰত পিচৰ ৰঙা-বেঙুনীয়াৰ মাজৰ কোমল একৰঙৰ ফুলবোৰে অন্তৰত আলোড়ন তোলে। মনৰ অভাৱবোৰ সুস্পষ্ট হয়।

প্ৰবীণে তাৰ কোম্পানীৰ অৰ্গেনাইজাৰ মিঃ শৰ্মাৰ ঘৰলৈ লৈ যাবলৈ কেইবাদিনো চেষ্টা কৰে, মই কিবা একোটা চেলু উলিয়াই নাযাওঁ। সি ভাবে লাইফ্ ইন্‌চিয়োৰ কৰিবলৈ বান্ধত পৰিম বুলি ভাবিয়ে মই যাবলৈ সংকোচ কৰিছোঁ। তাৰ ভ্ৰম ভাঙিবলৈ চেষ্টা নকৰোঁ।

এদিন শনিবাৰে সোনকালে অফিছৰ পৰা ওলাই ঘৰলৈ ওভতোতেই বাটত প্ৰবীণক লগ পাওঁ।

"ব'লনা, ৰেচ কোৰ্চলৈ যাওঁ।" সি হাতত ধৰি টানে।

"জেপত পইচা আছে?"

"তোৰ জেপত জানো নাই?"

"থাকিলেও জুৱা খেলিবলৈ নাযাওঁ।" ৰেচত জুৱা খেলা বহুতৰে বেমাৰ।

"বাৰু নালাগে ব'ল। তোৰ লগত কথা আছে, সেয়েহে।"

"পইচা খাবলৈ লাগে?"

"ধেৎ, তোৰ কথাই তেনেকুৱা।"

ৰেচ কোৰ্চ পাওঁগৈ। ঘোৰা-দৌৰত মন নিদি আমি গল্ফ লিংকৰ [illegible]

খাঁহনিৰ কালে খোজ লওঁ। সমুখৰ পাহাৰৰ সবুজ গছশাৰীৰ ওপৰত পাতল তুলুকা ডাৱৰ। দূৰৈত অলপ সোঁফালে উমপ্লিঙ গাওঁ। আমি বাটত কিনি লোৱা বাদামভজা চোবাই যাওঁ।

"প্ৰস্তাৱ এটা কৰোঁ, কাণ পাতি শুনিবিনে?" সি অকস্মাৎ আৰম্ভ কৰে।

"কচোন।"

"তই মিনতিক বিয়া কৰাব নলাগে, ৰমলাকে কৰ।"

"ভনীয়েৰক আজি অকস্মাৎ মনত পৰিল কিয়?"

"ঘৰত মোৰ জীৱনটো দুৰ্বহ হৈছে ভাই। জানইতো, ইনচিয়োৰেঞ্চৰ পৰা পইচা কিটোনো পাওঁ।"

"চিগাৰেটৰ খৰছ সম্ভৱ মোৰ পৰাই উঠে।"

"শুনচোন। ৰমলাৰ বয়স বাঢ়ি গৈছে, দেউতা দৰা বাছি বাছি বিফল হ'ল। ফলত মাৰ কেত্‌কেতনি শুনোতে মোৰ প্ৰাণ যায়। ৰমলাক গতাব পাৰিলে তেও মই অলপ সকাহ পাওঁ।"

"বঢ়িয়া প্ৰস্তাব কৰিছ! তোৰ দেউতাৰে ডাঙৰ মাছ জালত পেলাব নোৱাৰি এতিয়া সৰু মাছত চকু দিছেনে কি?"

"ৰমলা বেয়া ছোৱালী নহয় সেইবুলি।"

"ৰমলা ভাল-বেয়া সেই কথা তোলা নাই, কিন্তু ৰমলাক বিয়া কৰালে মোৰ কি লাভ?"

"বিয়া নকৰাকৈয়ে কটাবিনে কি?"

"তোৰ নিজৰ ব্যৱস্থা কি কৰিছ?"

"আঃ, তোৰ লগত নোৱাৰি আৰু। আচ্ছা, যদি যৌতুকত টকা দিয়ে?"

"কিমান টকা?"

"আঠ-দহ হাজাৰ হ'ব পাৰে।"

"তোৰ দেউতাৰে ইমান টকা পালে ক'ত? তেওঁৰতো আৰু ল'ৰা-ছোৱালী আছে, তোক নধৰিলেও—"

"যুদ্ধৰ দিনকেইটাত দেউতাই বহুতো টকা কৰিলেঅ'।" সি মোৰ আগত কম কথাহে লুকুৱায়। "কেনেকৈ টকা কৰে তোক আৰু ক'ব লাগেনে।"

"যি বিয়াত অন্তৰৰ সম্বন্ধ নাই তাত টকাৰ প্ৰস্তাৱ অবাস্তৱ নহয়, বাৰু মই কথাটো মনত ৰাখিলোঁ। সময়ত কি সিদ্ধান্ত কৰোঁ জনাম।"

ঘৰলৈ উভতি বেয়া খবৰ এটা পাওঁ। বাইদেৱে কল্পনামুৱা হৈ টেলিগ্ৰাম এখন দিয়ে। দেউতাৰ টান, মই ততালিকে যাব লাগে। বাইদেৱো দেউতাক চাবলৈ ওলায়।

বাইদেৱে আকৌ ক'লে, "তোক বিচাৰি কোনোবা মাৰোৱাৰী এজন আহিছিল অ', বৰকৈ বিচাৰিলে, আধা ঘণ্টা-মান বহি আছিল—"

"কি নাম নকলেনে?"

"ৰবি—নামটো গিৰিধাৰীলাল, হয়নে?"

"হয় হয়, এ মই এবেলি তাক লগ ধৰিব লাগে, তাৰ লগতে মই গৌৰীপুৰত কাঠৰ ঠিকা কৰিছিলোঁ।"

বাইদেউৰ সক ছোৱালীজনীয়ে আগবাঢ়ি আহি কাগজ এখিলা দিলে, গিৰিধাৰীলালৰ নাম আৰু সি ক'ত আছে তাৰ ঠিকনা।

"এ এইখন কেতিয়া লিখি থৈ গ'ল মই কবই নোৱাৰোঁ," বাইদেৱে কয়।

"বাইদেউ, মই এবেলি পুলিচ বজাৰৰ পৰা আহোঁ। তাক লগ ধৰিবই লাগে।"

মই ভাগৰ লগা সত্বেও ওলাই যাওঁ, মাৰোৱাৰী গোলা এখনলৈ উদ্দেশ্য কৰি। গিৰিধাৰীলালক পাওঁ। সি গাদীত বহি মেল পকাই আছে।

"ৰাম ৰাম!" সি সম্ভাষণ জনায়। "তুমি চিঠিৰ উত্তৰ নিদিলা কিয়?"

"মনৰ অৱস্থা ভাল নাছিল ভাই, সেই কেইদিন থকৰা অসুবিধা ইমান বেছি হ'ল যে—"

"আচ্ছা ঠিক আছে।—এখেতে মোৰ বন্ধু—" সি গোলাৰ মালিকৰ লগত মোক চিনাকি কৰি দিয়ে।

গোলাৰ মালিকে মাৰোৱাৰী ভাষাত সৰু সৰুকৈ তাক কিবা এটা কয়। সি মিচিকিয়ায় আৰু মোক কয়, "তোমাৰ লগত বহুতো কথা আছে—আকৌ কাৰবাৰ—ব'লা অলপ ওলাই যাওঁ।"

"কাৰবাৰৰ কথা হলেও কিছুদিনলৈ মোক লগ নোপোৱা।"

"কিয় ?"

"দেউতাৰ টান নৰিয়া, মই কালিলৈ পুৱাই ঘৰলৈ যাম।"

"দুদিন ৰ'ব নোৱাৰানে ? কাপোৰৰ পাৰ্মিট এটাৰ কাৰণে আহিছিলোঁ, ভাই। তুমি সহায় নকৰিলে—মোক্ আলহী ৰখা গোলাৰ মালিক খিৰচাৰিয়াৰো এই বিষয়ত আগ্ৰহ আছে। তোমাৰ অৱশ্যে লোকচান নহয়, মোৰ লোভ থাকিলে তোমাৰ ভাগ নোহোৱা নহয়।"

সি আগ্ৰহেৰে মোৰ ফালে চায়।

"মই যাবই লাগিব। আহিবৰ সময়ত দেউতাৰ লগত কাজিয়া কৰি আহিছোঁ। এতিয়া অন্তিমৰ সময়তো যদি কাষত নাথাকো পাপ লাগিব।"

সি হতাশভাবে সোধে, "তুমি কেতিয়া আহিবা আকৌ ?"

"কব নোৱাৰোঁ। এতিয়া, এমাহ-ডেৰমাহৰ আগেয়ে উভতিব পাৰিম বুলি আশা কৰা নাই। দেউতাৰ অসুখ কিমান অৱশ্যে নাজানো, তথাপি—"

বেষ্টোৰাঁ এখনত বহি আমি কথা পাতোঁ। বাতি আঠমান বাজিছে।

"তুমি শ্বিলঙত থকা বুলি মই গম নাপাইছিলোঁ, মিনতি দেৱীয়েহে খবৰটো দিলে।"

"অ' মিনতি দেৱীৰ ভালনে ? কি কৰিছেনো তেওঁ ?" মই তাৰ চকুলৈ চাওঁ।

"মই এদিননে দুদিনহে লগ পাইছিলোঁ, ধুবুৰীলৈ আহোঁতে। বি-টি পঢ়িবলৈ আহিব বুলি কলে। আহিবৰ হৈছেই হবপায়, নহয়নে ?"

"বোধকৰোঁ এমাহমান আছে।"

নীলিমাৰ নামটো মোৰ ওঁঠৰ আগত লাগি থাকে, মাথোন সুধিবলৈ সংকোচ হয়। কি বুলিনো সুধিম।

"মিনতি আহি ক'ত থাকিব ?" সি সোধে।

"জানো তাইৰ সম্পৰ্কীয় মানুহো ইয়াতে আছে। মিনতিক লৈ মই বৰ মস্কিলত পৰিছোঁ।"

"কিয় ?"

"বিয়াৰ প্ৰস্তাৱ আহিছে. বিশেষকৈ বাইদেউ বৰকৈ লাগিছে, মই যে উপায়ে পোৱা নাই।"

খন্তেক মনে মনে থাকি সি কয়, "এটা বাত্তৰি পোৱানে ? নীলিমাৰ বিয়া হৈ গ'ল নহয় ?"

মই তলমূৰকৈ চাহৰ কাপটোত নখেৰে টুকৰিয়াই থাকোঁ।

"শুনি বেয়া লাগিছে, নহয় ? তুমি সঁচাকৈয়ে খবৰ নোপোৱা ? বিয়াৰ নিমন্ত্ৰণ পোৱা নাছিলা ?"

"ওঁহোঃ." অকণমান হাঁহি কওঁ। "বিয়া হ'ল ভাল হ'ল, মই কি কৰিম এতিয়া ?"

"বিয়া বৰ লৰালৰিকৈ হ'ল। কোনোৱা শৰ্মা, গুৱাহাটীৰ নে ক'ৰ। ইন্‌চিয়োৰেঞ্চৰ অৰ্গেনাইজাৰ হবপায়।"

"নীলিমা ইয়াতে আছে।"

"ক'ত, শ্বিলঙতে ! হয়নে কি ? তুমি লগ পোৱা ?"

"নাপাওঁ—অৰ্থাৎ পাবৰ সুযোগ পালেও লবৰ আগ্ৰহ নাই।"

"এ নহয়, এনেয়ে খবৰ কৰিব পাৰা।"

"এহ্ খবৰ কৰিলেনো কি হ'ব।"

"ছোৱালীজনীয়ে প্ৰথমতে বিয়াখনত খুব আপত্তি কৰিছিল, একা হিচাবে জোৰ কৰিহে বিয়া দিলে।"

"কিয় ?" কাৰণটো বুজিবলৈ মোৰ বাকী নাথাকে, তথাপি সোধোঁ।

"কি জানো, হয়তো তাই আৰু পঢ়িবলৈ খুজিছিল। মিঃ শৰ্মা ক'ত থাকে বাৰু ?"

"তুমি খবৰ কৰিব খুজিছানে কি ? নালাগে, একো দৰকাৰ নাই—"

"কিয়, খবৰ কৰিলে কি হব ?" সি মোক বুজিবলৈ টান পায়।

মই হাঁহি পাতলাই কওঁ, "কিনো লাভ! এতিয়া লোকৰ ঘৰত যাবলৈ জানো বেয়া নালাগে ? গিৰিয়েকে বা কি ভাবিব।"

"মোৰ যাবলৈ কি অসুবিধা আছে—কন্ম, দেউতাকে খবৰ কৰিবলৈ কৈছে।"

"বাৰু তেনে। কিন্তু! মই ইয়াত থাকোঁ বুলি নকবা হলে।"

তাৰ পাচত গিৰিধাৰীলালে বেলস্লেক কাঠ দিয়া ঠিকাটোৰ কথা উলিয়ায়। মোৰ টকাৰ দৰকাৰ হৈছিল! মোৰ পাবলগীয়া অংশ এটা আছেই।

"তুমি নশমান টকা পাবা, তোমাৰ মূল টকাৰ উপৰিও। বিলখন সিদিনাহে পাইছোঁ। টকা পাওঁতে চাগৈ আৰু পলম হব। টকা এতিয়াই লাগিবনে কি ?"

"তোমাৰ অসুবিধা নহব জানো ?"

"নহয়, লাগিলে যোগাৰ কৰি দিব পাৰিম।"

"অলপ পালে বেয়া নাছিলতো, ঘৰত দৰকাৰ হব পাৰে পিচে তোমাক অসুবিধা দিব 'নোখোজোঁ।"

"নাই নাই, কিহৰ অসুবিধা ?"

সি ধিৰচাৰিয়াৰ গাদীৰ পৰা টকা হুশ লৈ মোক দিয়ে। কাপোৰৰ পাৰ্মিটৰ বিষয়ে দুই চাৰিটা কথা কৈ মই বিদায় লওঁ। এইবিলাকত মোৰ নিজৰ সোমাবলৈ মন নাই। ধিৰচাৰিয়াই মোক মাজে সময়ে আহি থাকিবলৈ আমন্ত্ৰণ জনায়।

গিৰিধাৰীলালে মোক এৰি দিব নোখোজে। কয়, "ব'লা আৰু গৌৰীপুৰলৈকে। ব্যৱসায়কে কৰোঁগৈ। মোৰ লগত তোমাৰ দৰে শিক্ষিত মানুহ এজন থাকিলে কিহৰ ভয় ?"

"গৌৰীপুৰলৈ যাবৰ আকৰ্ষণ আৰু নাই, গিৰিধাৰীলাল। ব্যৱসায় কৰাটোও চাগৈ আৰু কিছুদিনলৈ স্থগিত।"

"আকৰ্ষণ শ্বিলং পালেহিনে কি ?"

"বিয়েই নহওক, আৰু কিছুদিনলৈ ব্যৱসায় স্থগিত, বুজিছা ?"

তাক এৰি আহি ঘৰ সোমাওঁতে ৰাতি অলপ বেছি হয়। বাইদেৱে ভাত সাজি থৈ বৈ আছিল।

"লগ পালিনে ?"

"পালো, গৈ ভালেই হ'ল। সেই ঠিকা যে কৰিছিলোঁ, গৌৰীপুৰত—"

"ও কিবা লাভ হল্নে কি ?"

"টকা ছুশ লৈ আহিছোঁ, আৰু কিছু পাব লাগে।"

"ভালেই হ'ল ঘৰতো দৰকাৰ হ'ব। মোৰ হাততো টকা নাই, ল'ৰা-ছোৱালী লৈ এঠাইৰ পৰা আন ঠাইলৈ গলে কম টকা লাগেনে !"

ঘৰৰ লগত এইকেইমাহ সম্বন্ধ নাছিল বুলিলেই হয়। মাৰ অসুবিধাবোৰৰ কথা ভাবি বেয়া লাগে। তেওঁক সহায় কৰিবলৈ লগত অকল বাপুহে। গুচৰত অৱশ্যে টানে-মস্কিলে মাত দিবলৈ খুড়া এজনো আছে, তথাপি সেই দেউতাৰ লগত তৰ্কাতৰ্কি কৰি গুচি অহাৰ পৰা ঘৰলৈ মন-কাণ নকৰা দেখি বিবেকৰ তাড়না অনুভৱ কৰোঁ।

॥ ১৫ ॥

মৰণসম্পৰ্কীয় কথাবোৰত গাম্ভীৰ্য্য কমেই থাকে। লৰাধপৰা, কন্দাকটা, বয়সীয়া গহীন মানুহবিলাকৰ দুৰ্বলতাৰ নিদৰ্শন, টকা পইচাৰ হিচাব, ওচৰ চুবুৰীয়াৰ মিছা আঃ উঃ—এইবিলাকত মনৰ উৎকৰ্ষ বা অন্তৰৰ প্ৰসাৰ সাধন কৰিব পৰা সমল নিচেই কম ওলায়। মৰা মানুহজনেও অন্তিমৰ সময়ত এনে একোটা ৰূপ দেখুৱায় যে তাৰ সোঁৱৰণে ওচৰত থকাবিলাকৰ মনত আত্ম-প্ৰসাদৰ ভাব সৃষ্টি নকৰে। এই শেষৰ বিষয়ত মোৰ চাগৈ ভাগ্য বেয়া নাছিল। দেউতা বেমাৰত জুকলী হোৱা স্বত্বেও তেওঁৰ শেষ ছবিটো ভাবিলে মোৰ গৰ্ব অনুভৱ হয়। পৰিষ্কাৰ বিচনা এখনত সৌম্য মূৰ্ত্তিৰ মানুহজন পৰি আছে, তেওঁৰ চকু জাপ খোৱা, এটা চকুৰ কোণত এটোপা পানী, মূৰৰ পকা চুলি এডালনে দুডাল কপালেদি বাগৰি পৰিছে, দীঘল নাকটোৰ ভাঁজটো নিৰ্ভীকভাবে ওলাই আছে। ওচৰৰ মানুহবিলাকৰ চাঞ্চল্য আৰু অস্থিৰতাক যেন তেওঁ সংযত নিৰ্বিকাৰ ৰূপ এটাৰে তিৰস্কাৰ কৰিছে।

দেউতা গ'ল। অন্তৰত এটা শূন্য ভাব উপলব্ধি কৰিলোঁ। ঘৰখন শুদা শুদা লাগিল। মাৰ কপালত থকা সেন্দুৰৰ ফোঁটটো ইমানদিনে লক্ষ্য নকৰিছিলোঁ বুলিলেই হয়, সেইটো মচি পেলোৱাত তাৰ অভাৱ বেছিকৈ বোধ হ'ল।

মাক শিলঙলৈ লৈ যাব খুজিছিলোঁ। ঘৰখন এৰি যাবলৈ ইচ্ছা নকৰিলে। মাখোন ক'লে, "তই বিয়াখন সোনকালে কৰাই পেলাচোন, সেইফেৰা কামহে বাকী আছে।"

"তইনো অকলে কেনেকৈ থাকিবি ?"

"কিয়, বাপু আছে নহয়, আৰু সকমাইক কৈছোঁ বাপুকো ৰাখিম বুলি। আৰু এইজনীটো আছেই—" মাই সৰু ভনী মিনালৈ আঙুলিয়াই হাঁহে।

পাঁচ সপ্তাহমানৰ মূৰত শিলঙলৈ উভতিবৰ ব্যৱস্থা কৰোঁ।

বাইদেউৰ কেঁচুৱাটোৱে ভৈয়ামৰ গৰমত কষ্ট পায়। বস্তুবেহানি বন্ধা-চিতা আৰম্ভ হয়। ঘৰ এৰাৰ আগেয়ে চেগ চাই এবেলি নিতাইৰ ঘৰৰ পৰা আহিবলৈ মন কৰোঁ। নিতাই ঘৰত নায়েই, কেইবামাহো হ'ল নিৰুদ্দেশ। পুলিচে মাথোন কেতিয়াবা তাৰ ঘৰত ভুমুকি মাৰি আহেগৈ।

নিতাইৰ ঘৰত তাৰ মাহীমাকহে আছে। বুঢ়ীৰ সক ভায়েক এজনো ল'ৰা-ছোৱালীৰে সৈতে লগ লাগিছেহি। অলপ ভয়ভয়কৈ গলোঁ, কিয়নো নিতাইৰ মাহীমাকৰ চোকা মুখ আৰু তাতকৈও বিষাক্ত অন্তৰখনৰ ভাপ সহ্য কৰিবলৈ মই সদায়ে টান পাওঁ।

পদূলিমুখ পাওঁতেই নেপথ্যত নাৰীকণ্ঠৰ কোৰ্হাল শুনিবলৈ পালোঁ। কোনোবা এজনীয়ে মিহি অথচ তীক্ষ্ণ সুৰত কৈছে, "এনেকৈ যদি টানেই পায় কেলেই আমাক মাতি আনিছিল? আমাৰ কিবা ভাতমুঠিৰ আকাল হৈছিলনে?"

"এৰা আই, কোন সাধু, কোন চোৰ চিনা টান, বিত পালে সবেও এৰিবেক মান!" এইয়া নিশ্চয় বুঢ়ীৰ ফকৰা! বুঢ়ীৰ কঠুৱা মাতটো এবাৰ শুনিলে পাহৰিব নোৱাৰি।

"আমিনো কিহৰ খঁকত আহিছিলোঁ? বোলোঁ বুঢ়ীগৰাকী অকলে আছে, চাওঁতা-মিলোঁতা কেও নাই, এই বুলিহে—"

"এহ্ আই, মই হলোঁ বুঢ়ী, কঁকালৰ বিষত আগ হালিলে, এতিয়ানো কোনে মোক চায়—গাভৰুকাল হোৱাহেঁতেন থপৰিয়াই দাঁত ভাঙিলোহেঁতেন—মোৰ মুখে মুখে কথা কবলৈ ইমান সাহ!"

মই বাহিৰৰ পৰা এইখন যুদ্ধৰ ঝঙ্কাৰ শুনি শুণা-গঁথা লগালোঁ। বামনে নাবাম, এবেলি খবৰ কৰি যোৱাটো মোৰ কৰ্ত্তব্যৰ ভিতৰতে পৰে।

মোক দেখিয়ে বুঢ়ীয়ে মুখ বন্ধ কৰিলে আৰু আন এজনী তিৰোতা ভিতৰ সোমাই গ'ল। বহিবলৈ দি বুঢ়ীয়ে চকু মোহাৰিবলৈ ধৰিলে, বোধকৰোঁ কান্দিবলৈ চেষ্টা কৰিলে। চোতালৰ এমূৰে তিনি-চাৰিবছৰীয়া ল'ৰা এটিয়ে উমলি আছে, কাষতে তাঁত এখন।

"মাহীদেউ, আপোনাৰ ভালনে?"

"বোপাই, কপালৰ দুখ। মোৰ কোন আছে, কোনে মোক চাব। ভাইটোক আনি লৈছিলোঁ, সি নাই, পথাৰলৈ গৈছে হবপায়। কিনো কম, ভাই-বোৱাৰীজনীৰ পৰা আৰু মই জীয়াই থাকিবলৈ টান পাইছোঁ।"

"সাদৰীৰ ভালনে?"

"তাইৰ লগতেতো আছিলোঁ, পিচে যিহে জোঁৱাই পালোঁ, সিও মোক দেখিব নোৱাৰা হ'ল। আৰুনো ক'লৈ যাওঁ? ল'ৰাজনৰো আজি চাৰিমাহে খবৰ নাই। এতিয়া বোলে ক'ৰবাত বঙালনী নে কি এজনীৰ লগত ঘূৰি ফুৰিছে। কিনো কম আৰু।"

"ক'ৰ বঙালনী?"

"জানো তোমালোকেহে জানা। তোমালোকেই তাক আওবাটে পঠিয়ালা।"

বদনামটোৰ ভাগী হবলৈ ইচ্ছা নকৰিলেও তেওঁৰ বিৰাগ পাতলাবলৈ কওঁ, "মাহীদেউ, নিতায়ে ৰাইজৰ কামতহে ঘৰ এৰিছে। ৰাইজেই ৰজা।"

"মাইকী মানুহৰ আলধৰা হৈ ফুৰিবৰ সময়ত, ৰাইজেই ৰজা! কথা আৰু! বোলে মাকতকৈ জীয়েক কাজী, ঢেকী ঠোৰাৰে বাটে পাঁজি!"

মোৰ ওপৰত বুঢ়ীৰ বহুদিনীয়া অভিযোগ, সেই কাৰণে তেওঁৰ মন্তব্যবোৰ আওকাণ কৰি সুধিলোঁ, "মাহীদেউ, আপোনাৰ কিবা বিশেষ অসুবিধা হৈছেনে কি, ধৰক ধান-চাউল?"

অকস্মাৎ ভিতৰৰ পৰা চোকা সুৰত বাণী আহিল, "ধান-চাউলৰ আকাল হবনে! আমাৰ তেখেতে বোকা-পানী খচকি তেজ পানী কৰি ধান অলপ পাইছিল। লগাতকৈ ওপৰঞ্চিখিনি বোলো বেচিয়ে পেলাওক, টকাও লাগে —তাৰ কাৰণেই মোৰ ইমানখিনি গঞ্জনা শুনিবলগীয়া হৈছে।"

"এৰা, মোৰ মাটিত খেতি কৰিব, মোৰ ধানকে বেচিব, আৰু ধনখিনিও সুমুৱাব নিজৰ জোলোঙাত! কিবা বোলেনে—"

বুঢ়ীয়ে চাগৈ আকৌ ফকৰা মাতিব খুজিছিল। জিভাৰ আগলৈ ওলাই

নাছিল। মই পলাবলৈ চেলু চাইছোঁ, থিতাতে উঠি আহিবও নোৱাৰি।

"মাহীদেউ, তামোল এখনকে দিয়ক, মই যাব লাগে। আমাৰ ঘৰতো—"

"হয় বোপাই, তোমালোকৰ খবৰ পাওঁ, মইহে যাব পৰা নাই। ভালেই হ'ল দিয়া। বুঢ়া মানুহ পাৰ হ'ল, নিতাৰ পালে, তোমালোকৰনো অভাৱ কিহৰ—মোৰ নিচিনা মানুহৰহে—"

বুঢ়ীক এৰি থৈ বাহিৰলৈ ওলাই অলপ মুকলি বতাহ গাত লগোৱা যেন লাগিল। নিতাইৰ কথা ভাবিলোঁ। সি চাগৈ কম দুখত ঘৰ এৰি যোৱা নাই। এইদৰে সদায় বিহৰ ভাপ লৈ থাকিব লাগিলে কোন মানুহনো তিষ্ঠি থাকিব পাৰে? তাৰ খবৰ পাবলৈ হেঁপাহ হ'ল। কছাৰী গাৱঁলৈ গলে হয়তো পাব পাৰি, কিন্তু তালৈ যোৱাটো টান কাম।

আবেলি হাটলৈ গলোঁ। অতিপাত বৰষুণৰ ফলত চাৰিওফালে পথাৰ-বোৰত পানী। হাট-খোলাতো বোকা হৈছে; খোজ দিলে জোতা সোমাই যায়। তথাপি মানুহ-দুনুহ কেতবিলাক আহিছে, তাৰে কিছুমান ওচৰৰ গাৱঁৰ কছাৰী আৰু মিকিৰ। কেইজনমান মৈমনছিঙীয়া। মোৰ এৰি দিয়া গোলাখনত বঙালী ডেকা এজনে মনিহাৰী মাল বেচিছে। দুটামান ঔষধৰ বটল, কিছুমান আইনাৰ বঙচঙীয়া বস্তু, কমাল একৰ্জ'ট, কেইটামান ছাতি ইত্যাদি বস্তুৰে সি দোকানখন সজাই লৈছে। মই এনেয়ে ওচৰলৈ গৈ অদৰ্কাৰতো দাড়ি খুৰোৱা ব্লেড এখন কিনো।

"কেনে চলিছে দোকান?"

"কিনো চলিব," মানুহজনে মোৰ মুখলৈ চাই মই কি ধৰণৰ মানুহ অলপ আন্দাজ কৰি লয়?"

"ভাল চলা নাইনে কি?"

"মানুহৰ যি দুৰৱস্থা, কি বস্তু কিনিব! এই কেইদিন অলপ-অচৰপ দাৱাইহে বেচিব পাৰিছোঁ আৰু কেতিয়াবা কছাৰী ছোৱালী দুই এজনীয়ে ৰঙীন কমাল দেখিলে নিয়ে—"

সি অলপ হাঁহে। বহাগীয়ে কমাল কিনিবলৈ আহেনে কি সুধিবলৈ মন যায়। পিচে সি আৰু বহাগীক কেনেকৈ চিনি পায়? তাই হাটলৈ নিশ্চয় অহা নাই, আহিলে দেখিলোঁহেঁতেন।

"আমাৰ বঙালী মানুহৰ দোকান কৰাই মস্কিল হ'ল, কেতিয়া উঠিব লাগে ক'ব নোৱাৰি।"

"মানুহৰ লগত ভাল ব্যৱহাৰ কৰিব।"

মাছ দুটামান কিনি লৈ উভতিব খোজোঁতেই ফুলবাৰীৰ চিনাকি বুঢ়ী এজনীক দেখোঁ। তাইৰ পিঠিত কেঁচুৰা এটা। সেইটোৰ কাৰণে তাই ছুপাইচামানৰ কিবা মিঠাই লব খুজিছিল।

"বুঢ়ী, এইবোৰ কি কিনিছ! বেয়া তেলত ভজা খুৱালে বেমাৰ হব। নিকিনিবি।"

"এহ্ বাপা, আমাৰনু খুৱাবৰ আৰু কি আছে? আমাৰ কছাৰী-মিকিৰ মানুহৰ—"

"কছাৰী-মিকিৰ মানুহ নহয়নে কি?" মোৰ খং উঠে।

তাই আৰু নিকিনে। মই দোকান এখনৰ পৰা তাইক লুজন ছুঅনামানৰ কিনি দিওঁ। তাই ৰঙা চাই এটা কেঁচুৰাটোৰ মুখত সুমুৱাই দিয়ে; কেঁচুৰাটোৱে নিৰ্বিকাৰভাবে চুহিবলৈ ধৰে।

"বাপা, বুঢ়া দেউতাৰ ভাল?"

"তইঁতে খবৰ নাপাৱনে কি? তেওঁ দেখোন ঢুকাল।"

"এহ্ এহ্ নাপাওঁতো। কিমান দিনমু হল?"

"ডেৰমাহেই হ'ব। পিচে বুঢ়ী কথা এটা অ'। তই মোক অলপ কাম কৰি দিব লাগে।"

"কিমু বাপা?

"তই বহাগীক খবৰ এটা দিব লাগে—তাইক কবি মই মাতি পঠিয়াইছোঁ বুলি।"

"দে বাপা, কম দে।"

খবৰটো পঠিয়াব পাৰি তেওঁ সকাহ পাওঁ। অন্ততঃ তাইঁতৰ গাঁৱৰ বাতৰি অলপ পাম। হয়তো নিতাইৰো খবৰ।

আমাৰ শ্বিলঙলৈ গুৱতা দিনবাৰ চোৱা হয়। মই বহাগীৰ কাৰণে বাট চাওঁ। অলপ কিবাকিবি কাম আছে বুলি দুদিনমান পলম কৰোঁ। বাইদেৱে খচ্‌মচনি লগায়।

"তোৰো ছুটি বহুদিন হ'ল, নহয়?" তেওঁ মোক মোৰ চাকৰিৰ কথা সোঁৱৰাই দিয়ে। অস্থায়ী চাকৰী, তাৰ উপৰি ডেৰমাহ-দুমাহৰ অনুপস্থিতি। উভতি গৈ পাওঁনে নাপাওঁ সন্দেহ হয়। নাপালেও নাপাম।

খবৰ পঠিয়াবৰ তিনিদিনৰ মূৰত বহাগী আহে। তাই শুকাই-খীণাই জঁকাটো হৈ আহিছে। চকুত মেলেৰিয়া ৰোগীৰ হালধীয়া ৰং। অৱস্থাটো দেখি বেজাৰ লাগে। তাইৰ হাতত কচুৰ ঠাৰি কেইডালমান। গুদা হাতে আহিবলৈ তাই বেয়া পায়, হয়তো দেউতা ঢুকোৱা খবৰটোও পাইছে।

"কিয়নো মাতিছিলি?" তাই নিষ্প্ৰাণভাৱে সোধে।

"তোৰ বেমাৰ হৈছিলনে কি বহাগী?"

"খেতিৰ দিন। ৰ'দ বৰষুণ।" খীণ হাঁহি এটা তাইৰ মুখেদি বাগৰি যায়।

"বাৰু, লপাঙৰ খবৰ কচোন।"

তাই নামাতে। চকু দুটা ছলছলীয়া হয়।

"কি হৈছে লপাঙৰ?"

"কিনো হব আৰো। জেলৰ পৰা আহিয়ে গাঁৱৰে কছাৰী এটাৰ লগত কাজিয়া লাগে—"

"ওঁ তাৰ পিচত?"

"মাৰামাৰি লাগে আৰো। তাৰ এখান হাত ভাঙে। গাঁৱত মেল হয়। নিতাইবাবুৱে নিষ্পত্তি কৰি দিয়ে—"

"অ' নিতাই ক'ত এতিয়া কচোন—ক'ত এতিয়া সি?"

তাই মোৰ উদ্বেগ আওকাণ কৰি নিজৰ মনেৰেই কৈ যায়, "হাত ভাঙি সি বিছনাত পৰিল তেতিয়াৰ পৰা উঠিবই পৰা নাই। তাতে বাৰিষাকাল, মাজে

মাজে জ্বৰ উঠে। খেতিৰ কাম মইহে কৰিছোঁ, ধান নিকোৰা, ভূঁই কৰা— মোৰো জ্বৰ, কঁপি কঁপি জ্বৰ উঠে।"

তাইৰ অৱস্থাটো দেখি মাক অলপ চাহ কৰিবলৈ কওঁ। মাক অৱশ্যে সৌৱৰাই দিব নালাগে। গাঁৱৰ কছাৰী মিকিৰ আহিলে তেওঁ তাহাঁতক খুৱাইহে পঠিয়ায়।

"তহঁতৰ মেলেৰিয়া বেমাৰও, কুইনাইন বা মেপাক্রিন বড়ি খাব লাগে, বাৰু মই তোক দাৱাই দিম, লৈ যাবি। নিতাইবাবুৰ খবৰ কচোন—"

তাই ইফালে সিফালে চাই সন্তর্পণে কয়, "কোনোবাই শুনিব আৰো।"

"নাই, কোনেও নুশুনে।" বাইদেউ ওচৰ চাপি আহিছিল, মই তেওঁক আঁতৰ হবলৈ ইঙ্গিত দিওঁ।

"নিতাইবাবুক পুলিচে ধৰিব খুজিছিল, আমাৰ মানুহেহে ৰাখিলে। তেওঁ এতিয়া মিকিৰ বস্তিৰ ফালে আছে হবপায়। নিতাইবাবুৰ বিয়া হ'ল নহয়?"

"কাৰ লগত ও?"

"বঙালনী ছোৱালী এজনীৰ লগত। বিয়া হবৰ ছমাহেই হ'ল। কিয়বা কৰিলে বঙালী মাইকীৰ লগত?"

"দেখিবলৈ কেনেও ছোৱালীজনী?"

"কেনে হব আৰো। ক'লা বেমাৰত পৰা মানুহ যেন দেখি।"

বিয়াখন অন্ততঃ তাইৰ পচন্দমতে নহল। বাটত পোৱা ফুল জানো আটাইবিলাক ধুনীয়া? বহাগী অন্ততঃ ধুনীয়া আছিল এসময়ত। সোণৰ দৰে উজ্জ্বল তাইৰ ৰং, গাৰ ভঙ্গীত সতেজ ছন্দ। এতিয়া চাগৈ ৰবীনকুমাৰে তাইক কেৰাহিকৈয়ে নাচায়। বুকুৰ হাড় লেখিব পৰা হ'ল তাইৰ অৱস্থা। ৰবীনকুমাৰৰ খবৰ তাই নাপায়, সি বহুদিন সেই অঞ্চলত নাই বোলে।

অলপ পৰ বৈ তাই আকৌ কয়, "মই মনে মনেহে আহিছোঁ—"

"কিয়?"

"লপাঙৰ বৰ খং আপোনালোকৰ ওপৰত। জানিলে সি মোক কাটিব। বৰ খং তাৰ।"

সেইটো অৱস্থা লৈ আছিবলগীয়া হোৱাত তাইলৈ মৰম ওপজে। এই বৰষুণ, বোকা-পানী ; তাৰ উপৰি হাড় ভগা খাটনি—ইয়েো জীৱন। তাইক মেপাক্রিন বড়ি এটেমা দিওঁ, কেনেকৈ খাব লাগে বুজাই দিওঁ,। মাই তাইক থুৱাই-বুৱাই পঠিয়ায়। মই তাইক টকা কেইটামান দিওঁ বুলি ভাবোঁ, কিন্তু সিবেলিৰ সেই ঘটনাৰ পাচত আৰু যাচিবলৈ সাহ নহয়, সঙ্কোচ ওপজে। আৰু দান কৰিলেতো তাহাঁতৰ অৱস্থাৰ উন্নতি নহয় : দানো একপ্রকাৰৰ প্ৰৱঞ্চনাহে।

মাই বাইদেউক ফুলবাৰীৰ কড়াৰীবিলাকৰ বিষয়ে কিছু আভাষ দিয়ে। তাহাঁতৰ ভাবভঙ্গীৰ সলনি, খাজানা আৰু ধান দিবলৈ অমান্তি, মোৰ অকৰ্ম্মণ্যতা, আদি বহুতো কথা কয়। বাইদেৱে হেড্‌মাষ্টাৰণীৰ দৰে ওপৰে ওপৰে একোটা মন্তব্য কৰে। মই ভাবোঁ —সুইভ্রেহে জানে ব'ঠা কিমানলৈ বহে। নিতাই-বৰাইঁতৰ বা-বাতবিয়ে অৱশ্যে মনত কেনেবা কেনেবা ভাব সৃষ্টি কৰে। মানুহবিলাকৰ দুখ-কষ্ট আওকাণ কৰিব নোৱাৰি। কিন্তু মোৰ বন্ধু নিতাই বৰাই কি ধৰণে তাহাঁতৰ দুখ-দুৰ্গতি আঁতৰাব ভাবি ওৰ নাপাওঁ। কুসংস্কাৰে ভৰা এখন বিবাট সমাজ, ভাত-কাপোৰৰ হাহাকাৰ, বেমাৰ-আজাৰ, তাৰ উপৰি পুৰণিকলীয়া শাসনতন্ত্র। এমুঠিমান কমৰেড-কমৰেডনীয়ে হাতত বন্দুক ল'লেই যে এই অৱস্থাৰ সলনি হ'ব ভাবিবলৈ টান পাওঁ। ভাৱ হয়, এইদৰে, ইমান সহজ উপায়ে সমস্যাৰ সমাধান নহয়। নিতাইহঁতৰ কৰ্ম্মপন্থাৰ পৰা সহানুভূতি আঁতৰি আছে।

॥ ১৬ ॥

আমাৰ খ্বিলঙলৈ ওভতা পলম হয়। বাইদেৱে বেছিদিন ঘৰৰ পৰা আঁতৰি থাকিব নোৱাৰে। মাই কয় পঞ্জিকা চাবলৈ। এটা ভাল দিন গ'ল, আক এটা চাব লাগে। মাহেন্দ্ৰক্ষণ, অমৃতক্ষণ, বাৰবেলা ইত্যাদি তেওঁৰ ওঁঠৰ আগতে লাগি থাকে। মই তেওঁক খং তোলাবলৈ সোধোঁ, "মইনো কি ক্ষণত উপজিছিলোঁ মা? বাৰবেলাতনে কি?"

"যা যা, নিধক। পঞ্জিকাখন সোনকালে চাগৈ, নোৱাৰ যদি মই আমাৰ ৰত্নেশ্বৰ দেউক মাতি পঠিয়াওঁ।"

দেউতাৰ পঞ্জিকাখন হাতেৰে ছোৱা মনত নপৰেই। পঞ্জিকা চোৱা মানে এসোপা অনৰ্থ মনৰ ওপৰত জপাই লোৱাহে। তেওঁৰ মেজৰ ওপৰত থকা সক থাকখনৰ পৰা কিতাপখন উলিয়াওঁ। মোৰ ভাগিনী ৰাণু ছবি চাবলৈ আগ বাঢ়ি আছে। পঞ্জিকাৰ ভিতৰত দুই এখন কাগজ, চিঠি, বজাৰৰ হিচাব কৰা শ্লিপ। মই লিখা চিঠি এখনো পালোঁ, এটি ৰাশিচক্ৰও, কাগজখনৰ তলত লিখা আছে শ্ৰীমতী অম্বিকা,। নিশ্চয় চক্ৰটো চাই দেউতাই বোৱাৰীৰ সপোন দেখিছিল। অন্যমনস্ক হৈ পাত লুটিয়াই যাওঁ, অকস্মাৎ পাতজ নীলা ৰঙৰ খাম এটা পিছলি পৰে, তুলি লওঁ, ওপৰৰ নামটো মোৰ, দেখোঁ নীলিমাৰ আখৰ। সাৰ পাই উঠাৰ দৰে চিঠিখন ভালকৈ তুলি লওঁ।

পুৰণি সোঁৱৰণবোৰ বানপানীৰ দৰে হোহোৱাই মনলৈ আহে। চিঠিখন কোনোবাই খুলিছিল, হয়তো দেউতাই, লেফাফাৰ জিভাখন ফাটি আছে, খং উঠে। মোৰ চিঠি মই নাপাওঁ কিয়? তাৰ উপৰি আনে কিয় চাব? দেউতাৰ ওপৰত ওপজা অভিমানে অন্তৰ ওপচায়।

দুশাৰীমান কথা মাথোন। মই গৌৰীপুৰ এৰাৰ দুসপ্তাহ-মানৰ পাচতে লিখা। আন কথা একো নাই, মাথোন অকস্মাৎ তাইৰ বিয়া ঠিক হ'ল, মই যেন ক্ষমা কৰোঁ, মোৰ আশীৰ্বাদ বিচাৰিছে।

"কাৰ চিঠি মামা ?" বাপুৱে সোধে।

"যা, আঁতৰ হ !" এক ধমকি দি তাইক পঠিয়াই দিওঁ।

চিঠিখন নোপোৱাহেঁতেনো ক্ষতি নাছিল, তথাপি নীলিমাই যে মোক অন্ততঃ মনত ৰাখিছে এই ভাবটোৱে অলপ তৃপ্তি দিলে। সিদিনা তাইক এৰি থৈ আহিবৰ দিনা তাই কৈছিল—আপোনাক গুৱাহাটীত লগ পাম, নহয়নে ? সিদিনা অশ্রু-ধৰণে হাঁহি মোক এৰি থৈ গৈছিল। মই তাই গৈ থকা চাই থাকিলোঁ, তাই যেন মোৰ জীৱনৰ পৰাই ধীৰে ধীৰে আঁতৰ হৈ গৈছিল—ছাঁ আহিলে পোহৰ যোৱাৰ দৰে মনটো গুদা গুদা লাগে। খিলঙলৈ গৈ তাইৰ খবৰ কৰিবৰ মন যায়। এবা, গৈয়ে খবৰ কৰিব লাগিব। প্ৰবীণে মোক নিওঁ নিওঁকৈ আছেই।

ডেৰমাহৰ মূৰত গৈ তপত খবৰ পালোঁ মিনতি আহি পোৱা বুলি। তপত বুলি কৈছোঁ এই কাৰণেই যে আমি গৈ পাবৰ দিনা বাস্তিপুৰাই প্ৰবীণে সৈতে তাই ভুমুকি মাৰি গৈছে। খবৰটো তিনদেৱে দিলে। দ্বিতীয় খবৰ হ'ল—তাতকৈ অলপ শীতল—মোৰ চাকৰি নাই। অস্থায়ীকৈ কাম কৰা মানুহে ডেৰমাহ-দুমাহলৈকে ছুটি নাপায়।

চাকৰিটো যোৱা কাৰণে এনেয়ে বেয়া লগা নাছিল, কিন্তু তথাপি পোৱা বস্তু হাতৰ পৰা পিছলি গলে অহং ভাবটোত আঘাত লাগে, সেই কাৰণেই অলপ বিৰক্তি উপজিল। অলপ মানসিক অৱসাদ লৈ উভতিছিলোঁ। বেকাৰ হোৱা ৰাতিটোৱে ফুৰ্ত্তিৰ সময় নোযোগালে।

"তোৰ দিন বেয়াই হবপায়," বাইদেৱে মন্তব্য কৰিলে।

"দিন বেয়া নহয়, মাথোন চাকৰি মোৰ কপালত নাই।"

"এইটোকে চেসু কৰি তই আকৌ পলাব খুজিছ হবপায় ?"

"চাওঁচোন।"

বাইদেউৰ মোৰ ওপৰত ভৰসা কম। ভাবিছে আকৌ কাৰবাৰ-চাৰবাৰত সোমাই পৰিম। দুদিনমান বাট চোৱাচোন, তিনদেৱে আশ্বাস দিয়ে।

ভাত-পানী খাই উঠি এদিন প্ৰায় আবেলিলৈকে বিছনাত পৰি আছোঁ।

অলপ আগেয়ে বৰষুণ এজাক গৈছে। কজলা ডাৱৰবোৰ উৰি যাব ধৰিছে। আকাশৰ বৰণ ডাঠ নীলা। খিৰিকীৰে ডাৱৰৰ চপৰাবোৰকে চাই আছোঁ। ওচৰৰ কোনোবা এঘৰৰ পৰা গ্ৰামোফোনৰ সঙ্গীতৰ আৱাজ আহিছে। ডাৱৰ একোচপৰা কেতিয়াবা বেগাই নাইকিয়া হয়, একোচপৰা লাহে লাহে ভাহি ফুৰে। গধুলি প্ৰবীণ আহিবৰ কথা, বাতিপুৱাই সি কৈ গৈছে। গিৰিধাৰী-লালৰ পৰা টকা ডেৰহাজাৰমান পাব লাগে। তাৰ লগত আৰু অলপ যোগাৰ কৰি কিবা কৰিব পাৰিনে, নে আকৌ কামকাজ এটাকে বিচাৰি লওঁ, গুণাগঁথা কৰিছোঁ। ডাৱৰৰ চপৰাবোৰে ভাৱৰ আঁত হেৰুৱায়। মিনতিয়ে মোক লগ ধৰিবৰ চেষ্টা কৰি আছে, মই-পলাই ফুৰিছোঁ। বাইদেৱে কেইদিনমান বিয়াৰ কথা উলিওৱা নাই। কেঁচুৱাটোৰ অসুখ, সেয়ে তেওঁক ব্যস্ত কৰি ৰাখিছে। গাৰুৰ কাষত হাঁহ-পাখ পোহা সম্বন্ধে কিতাপ এখন, পঢ়িবলৈ মন যোৱা নাই।

ভিনদেউ অফিছৰ পৰা আহি পায়।

"এই বঙালীবিলাকৰ পৰাযে আৰু ?" তেওঁ বৰ বিৰক্তিৰে আৰম্ভ কৰে।

"কি হ'ল ভিনদেউ ?"

"নকবাহে, জাতীয় মহাসভাইনো কি কৰিছে কবই নোৱাৰোঁ।"

"কি হ'লনো ?"

"অম্বিকাগিৰিয়ে বক্তৃতা দিহে ফুৰে, পিচে কামৰ সময়ত—"

"আটাইবিলাকে হাত উজান নিদিলে অকল এজনে কি কৰিব ? পিচে কি হ'ল নকয় কিয় ?" মই উঠি ওচৰলৈ যাওঁ।

"কিনো হব আৰু। চুপাৰিন্‌টেণ্ডেণ্টৰ কামটো মোৰে প্ৰাপ্য আমাৰ ব্ৰাঞ্চত, খালি হৈছিল, পিচে দিলে বঙালী এটাক ! কিনো কৰিবা আৰু, পাবলগীয়া-খিনিও নাপালে—"

"এহ্, হয়নে কি," মই সহানুভূতিৰ সুৰত কওঁ।

"এবেলি বৰঠাকুৰক লগ নধৰে কিয় ?" বাইদেৱে ভিতৰৰ পৰা আহি মন্তব্য কৰে।

বৰঠাকুৰ অগতিৰ গতি। এইদৰে প্ৰত্যেক মানুহেই যদি তেওঁক দৰ্শন দিব

লাগিল তেনেহলে বেচেৰাৰ দিন বাতিনো থাকে ক'ত ? তথাপি আপোন মানুহ এজনৰ বেজাৰ দেখি অলপ বেয়া লাগে। ভিনদেউ কামৰ মানুহ, নিজৰ কামখিনি কৰি গৈ থাকে, ভাবে প্ৰমোচন পাব, দৰমহা বাঢ়িব। নিম্ন মধ্যবিত্ত শ্ৰেণীৰ গতি ৰেলৰ লাইনৰ মাজেদি, বাধা নোপোৱাকৈ গৈ থাকে,.বাধা পালেই ৰয়, বাগৰিলে আৰু উঠিবৰ উপায় নাথাকে।

ভিনদেউৰ নৈৰাশ্যৰ হেঁচা বাইদেৱেও গা পাতি ললে। দিনটো বিছনাতে ইকাতি-সিকাতি কৈ আছিলোঁ। তাৰ উপৰি সন্ধিয়াৰ এই বিৰসীয়া পৰিবেশ-টোৰ পৰা মুকলি হওঁ বুলি বাহিৰ ওলালোঁ। প্ৰবীণ নাহিল ভালেই পালোঁ।

লুম্‌পাৰিঙৰ পাহাৰৰ পৰা নামি অলপ তললৈ গৈছোঁহে, দেখিলোঁ প্ৰবীণ আনটো ফালৰ পৰা আহিব লাগিছে। তাৰ হাতত এটাছি কেইচ, গাত নতুন কোট-পেণ্ট এজোৰ।

"ৰব বেলি হ'ল ভাই, মানুহ এজনৰ ইন্‌চিয়োৰ কৰাবলৈ গলোঁ মউখাৱলৈ, আহোঁতে বেলি হৈ গ'ল।"

"পিচে কাম হ'লনে ?"

"ওহোঁঃ, তেওঁ নিজেই বোলে এজেন্সী লৈছে, ঘৈণীয়েকৰ নামত। নিজে চৰকাৰী চাকৰিয়াল।"

"ব'ল বাৰু। তোক লগ নাপালেই ভাল পালোঁহেঁতেন, মন-চন ভাল নাই।"

"মিনতিৰ খবৰ কৰিলিনে নাই ? তাই এই ওচৰতে আছে, মাষ্টৰণীৰ মেছ এটাত, তোৰ ওপৰত ওফন্দ খাই আছে—"।

মিনতিৰ নাম এতিয়া মুলিয়ালেও হব, আন ফ'লৈকে নিয় যাম।"

"কা-ভ্ৰূপৰ ফালে কেইবাদিনো যোৱা নাই, যাবি ?"

"ইমান ঘনাই যাবৰ দৰ্কাৰ কি ?"

"অন্তৰৰ পোৰণি, দিনে দিনে টান বাঢ়িহে গৈছে।"

"ভয়ো নিধক। লোকৰ তিৰোতা এজনীক এইদৰে—"

প্ৰবীণে তাৰ অভিজ্ঞতাৰ কথা বহুতেই মোক ক'ব খোজে, মই মাথোন প্ৰশ্ৰয় নিদিওঁ। যিবোৰ নিজৰ ব্যক্তিগত কথা, সেইবিলাক বাহিৰত জনাত

মেলি নিদিয়াটোৰে কচিৰ পৰিচয়। পিচে হয়তো সঙ্গ-দোষে মোক দুৰ্বল কৰিছিল, বা নিষ্কৰ্মা মনটোৱে মনৰ খাত্তয়ে বিচাৰি ফুৰিছিল। কা-ড্ৰপক সি কেনেকৈ লগ পালে সুধিবৰ মন যায়।

তাইৰ ঘৰৰ সমুখত গোলাপ ফুলিছে, মৃদু গোন্ধ পাওঁ। গোলাপফুল-বিলাক সাঁজৰ পাতল আন্ধাৰত চিনিব পাৰি। আমি আগৰ দৰে ওপৰলৈ উঠি যাওঁ। দুৱাৰখন মেলা, তাই কিন্তু কাপোৰ-কানি পিন্ধিব ধৰিছে। দুৱাৰত টুকুৰিয়াই দিওঁ। তাই চঁক্ খাই উভতি চাই প্ৰবীণক চিনি পায়।

"খুব্‌লেই!"

"খুব্‌লেই! এওঁ সিবেলিয়ে আহিছিল—মোৰ বন্ধু, তোমাক চাবলৈ আহিল।"

"আপ্‌কা মেহেৰবান," মোক উদ্দেশ্য কৰি তাই হিন্দুস্থানীত কয়।

বেতৰ চকী দুখনত বহি লওঁ। তাইৰ বহল কপালখন আৰু উজ্জ্বল চকু-যুৰি ভাল লাগে। মূৰটো ফণিয়াই লৈ তাই এবেলি ঘূৰি চায় আৰু আকৌ ফণিখন চুলিত লগায়।

"কোনোবা আহিবনে কি কা-ড্ৰপ?" প্ৰবীণে সোধে।

"কিয়?"

"মানে—চৰম লাগে নহয়—"

তাইৰ চকুত জিলিকনি খেলে, পাতল ওঁঠ দুটা ব্যঙ্গৰ আভাসত ভাঁজ লাগে

"চৰম! কিয় তেনে আমাৰ পাচে পাচে দৌৰি ফুৰে?"

প্ৰবীণে চাগে তাইক আন মানুহৰ অনুপস্থিতিত সৰহ সময়লৈ পাব খুজিছিল, সেই কাৰণেই সেইদৰে সুধিছিল। সন্নিধানটোৰ কাৰণে সি হয়তো সাজু নাছিল, মইতো একেবাৰে নাছিলোঁ।

প্ৰবীণে আন কথা উলিয়ায়। তাই তামোল কাটে। তাই—মই কেনে আছোঁ, কি কৰিছোঁ সোধে। মই প্ৰবীণক কওঁ, "তুমি অকলেহে আহিব লাগিছিল।"

কি কৈছে?" তাই প্ৰবীণক সোধে।

সি ক'লত তাই "এ-ম্‌ !—নাপায় !" বুলি মুখখন সিঞাৰি দিয়ে। প্ৰবীণে তাইৰ প্ৰতিক্ৰিয়াত চাগে অলপ কৃতাৰ্থ বোধ কৰে।

"সোনকালে আহিলে চিনেমা চাব পাৰিলোঁহেতেন", তাই কয়।

কথাষাৰ মই পচন্দ নকৰোঁ। তাইক লৈ চিনেমা চাব যোৱাটো প্ৰবীণৰ সম্ভৱ হব পাৰে, মোৰ কাৰণে নহয়। আহিবৰ সময়ত মই দুৱাৰেদি বাজলৈ ওলোৱা মাত্ৰকে সি উভতি তাইক চুমা খায়। তাই "উৱা !" বুলি চিঞৰি দিয়ে। প্ৰবীণে হাঁহে।

বাটত প্ৰবীণে তাইৰ কথাকে কয়।

"তুমি তাইক কেনেকৈ লগ পালা কোৱা নাই নহয় ?"

"নাই কোৱানে কি ? শুনা। ফজল মোটৰ ৱাৰ্কচৰ গৰাকী ফজল মোৰ বন্ধু। পাতলকৈ দীঘল চুলিৰে মানুহজন, ঘৰ চিলেটতনে ক'ত। তাই এদিন তাৰ কাৰখানাৰ সমুখত গছ এজোপাৰ ছাঁত থিয় হৈ কাৰোবালৈ অপেক্ষা কৰিছে। সি মন কৰি আছে। বাটেৰে কোনোবা এজন গৈ আছিল, সি তাইক লক্ষ্য কৰি মন্তব্য এটা কৰিলে। তাই তত্তালিকে "চুপ !" বুলি এনে এটা ভঙ্গীৰে তাৰ ফালে ঘূৰি চালে যে সি তললমুৰকৈ পলাবলৈ-তৎ নাপালে। তাইৰ ক্ষিপ্ৰ ভঙ্গী আৰু চকুৰ দীপ্তি দেখি ফজলৰ মুখৰ পৰা আকস্মিকভাৱে ওলাল—চাবাছ ! তাই তাৰ ফালে চকিতভাৱে চালে আৰু ক্ষন্তেক পাচতে আঁতৰি গ'ল। সেয়ে সিহঁতৰ পৰিচয়, যদিহে তাক পৰিচয় বুলিব পাৰি।"

"তাৰ পাছত ?"

"তাৰ পাচত ফজলে তাইক দুই-এদিন দেখিলে চিনেমা হলত। এদিন সি পিচ ললে তাইৰ, সন্ধিয়া। তায়ো হয়তো তাক নজৰ কৰিছিল, কিয়নো ঘৰৰ সমুখ পাই তাই উভতি চালে আৰু মিচিকিকৈ হাঁহি আহ্বান জনালে—আলে ! সি গ'ল, তাইৰ খোটালীত বহি লৈ অলপ বিবুধি হৈ চকী-মেজবোৰকে লক্ষ্য কৰিলে। তাৰ পাচত ক'বলৈ একো নাপাই সুধিলে—তুম্‌হাৰা নাম ক্যা হায় ? তত্তালিকে সমিধান আহিল—মেৰে নাম্‌হে আপ্‌কা কৈ জৰুৰৎ হায় ? সিনো আৰু কি মাতিব ! তাই লাহেকৈ গ্ৰামোফোনত ৰেকৰ্ডএখন ভুৰি দিলে।

তাই তাৰ কাষে একতীয়া হৈ গ্ৰামোফোনটোৰ ওপৰত হালি পৰিছে। সি তাইৰ লোভনীয় অবয়বটো লক্ষ্য কৰিলে, ওলমি থকা বুকুখনলৈ চকু গ'ল। সি আৰু ৰ'ব নোৱাৰিলে, অকস্মাৎ উঠি তাইক সাৱট মাৰি ধৰি গালত মুখখন লগাই দিলে। তাই উচাট্ মাৰি যাব খুজিছিল, নোৱাৰিলে। সি তাইক আকৌ চুমা দি চকী এখনত পেলাই থৈ ওলাই আহিল।"

"ওঁ, পাচত ?"

"তাৰ পাচত সি প্ৰায়ে যায়, বহে, চাহ-তাহ খায়, তাইক লৈ ফুৰিবলৈ যায়। কেতিয়াবা ৰাতিও থাকে।"

"বুজিলোঁ, পিচে ফজল আৰু কা-ড্ৰপৰ মাজত কোনখিনিত তোমাৰ ঠাই ?"

"শুনা, ফজল তাইৰ কাৰণে ইমান বলিয়া যে এবাৰ তিনিমাহৰ কাৰণে দিল্লীলৈ কামত গৈ এমাহ নৌযাওঁতেই উভতি আহিল—"

"তোমাৰ চিনাকি ফজলৰ সহায়ত ?"

"ফজলেই মোক প্ৰথমে লৈ গৈছিল—"

"এতিয়া চগা হৈ ঘনাই ঘনাই চাকিৰ ওচৰ চাপিছা, নহয়নে ? ছিৰাগ জ্বল্‌তা নেহি বিনা সমা আতে হুৱে—চগা নপৰিলে চাকি নজ্বলে।"

"নোৱাৰোঁ উৎপল, অন্তৰৰ টান, কি কৰিম ?" সি ব্যথাসনা মুখেৰে মোলৈ চাং।

মই নামাতোঁ। এইধৰণৰ তিৰোতাৰ প্ৰকৃতিত স্বাধীনত প্ৰিয়তা বেছি, কাৰো সঁজাত বেচি দিনলৈ থাকিবলৈ ভাল নাপায়। মতা মানুহ যদি যায় তেনেহলে তাইহঁতৰ ব্যক্তিত্বৰ আকৰ্ষণতহে যায়। তাইহঁতেও কাকো পৰাপক্ষত 'হাতছাড়া' নকৰে, কিন্তু তাৰ পৰা পুৰুষৰ আত্মসন্মান থাকে ক'ত ? তাই জানো নকলে—আমাৰ পিচে পিচে দৌৰি ফুৰে কিয় ? কিমান অৱজ্ঞাৰে কথাবাৰ কৈছিল !

"এই ধৰণৰ বনৰীয়া প্ৰেম জানো স্থায়ী, প্ৰবীণ ?"

"তুমি ক'বা বুজি-বাজি এজনী গোটাই লোৱাহে ভাল। ময়ো বুজি পাওঁ, তথাপি—"

আমি অলপ ঘূৰা-ঘূৰি কৰি ৱাৰ্ড লৈইকৰ ওচৰ পাওঁ। সৰলগছৰ ছাঁবোৰ জোনাকত বুৰ গৈ থকা বাটত দীঘলীয়াকৈ পৰিছে। আকাশত দুই-এচপৰা পাতল ডাৱৰ। অকস্মাৎ প্ৰবীণে কৈ উঠে, "সৌজনী কোন উৎপল, সেই লাইট্‌পোষ্টটোৰ ওচৰত ?" তাৰ কথাত উত্তেজনা।

"কোনজনী ?"

"সউৱা—লগত এজন মানুহ। কা-ড্ৰপ নহয়নে ? কি বিপৰীত—সেইজন ফজলতো নহয় !"

"কি কৰা তুমি—প্ৰবীণ ?"

সি আগ বাঢ়ি গলেই। ময়ো লাহে লাহে ওচৰ চাপোঁ। কা-ড্ৰপ হয়। লগত এজন মানুহ। সিহঁতে লেকৰ পাৰত গছ এজোপাৰ তলত থিয় হৈ কথা পাতিছে। কাষতে পানীত জোনাকৰ তিৰ্‌বিৰণি উঠিছে।

প্ৰবীণে পোনথুন্দাই গৈ চিঞৰি উঠে, "ও তুমি তেতিয়া কাবোবাৰ কাৰণে বৈহে আছিলা ? কিয়, আজি ফজল নাহেনে কি ?"

তাই প্ৰথমতে অলপ উচাপ খালেও সংযত হৈ অথচ ওঁঠৰ আগত যিমানখিনি সম্ভৱ বিষ গোটাই লৈ ক'লে, "উৱা ! মই য'লৈকেই নাযাওঁ, যিয়েই নকৰোঁ, তোমাৰ কি ? তোমাক অলপ তামোল দিওঁ বুলিয়ে মই তোমাৰ কথামতে উঠা-বহা কৰিমনে ? কাপুৰুষ চোৱা !"

অসীম ঘৃণাৰে তাই থু পেলালে। প্ৰবীণ ঠাইতে নাইকিয়া হ'ল, মুখৰ জ্বলি থকা চিগাৰেটডালেহে সংকেত দিলে সি কোনফালে আন্ধাৰত নিজক হেৰুৱাই পেলালে।

কা-ড্ৰপৰ চোকা মুখ আৰু সেই মুখৰ অনুপাতে তাইৰ তেজী প্ৰকৃতি। তাইৰ ব্যৱহাৰত মোৰ আত্মসম্মান লঘু হ'ল যদিও তাইক শ্ৰদ্ধা নকৰাকৈ নোৱাৰিলোঁ। চৰম লাগে যদি আমাৰ পিচে পিচে দৌৰি ফুৰে কিয় ? কি পোনপটীয়া উক্তি ! আমি আটাইখিনি বিচাৰোঁ—প্ৰবৃত্তিৰ খোৰাক, অথচ তাৰ কাৰণে জৰিমনা দিব নোখোজোঁ, মুকলিকৈ নিজৰ অভাৱখিনি স্বীকাৰ

কৰিব নোখোজোঁ। বেৰৰ আঁৰত, ভুৱাৰ আঁৰত, ভণ্ডামিৰ আঁৰত বিচাৰোঁ প্ৰবৃত্তিৰ খোৰাক, নহলে ভদ্ৰজীৱনৰ সন্মান নাথাকে, নৈতিকতাৰ খোলাটো নফটাকৈ নাথাকে।

ক'ৰবাত ঘণ্টা বাজে টং টং টং—আঠোটা। লেইকৰ পাৰত বহি লওঁ। ওচৰত মানুহ-দুনুহ নাই। ভাবোঁ কা-ডুপৰ চোকা মুখখনৰ কথা, তাইৰ চকুৰ দীপ্তি। তাই চাগৈ ইমান বেলিয়ে আকৌ কাৰোবাক কথাৰে থকা-সৰকা কৰিছে। সঁচা কথাৰ চোক সদায় সৰহ, কা-ডুপৰ মুখখনৰ দৰে।

পানীৰ যুঁৱলিত বহি ললোঁ। সমুখত অষ্টমীৰ জোন নাচি থাকে। বতাহ লাগি পানী কঁপে, ঢৌৰ খাৰুবিলাক জোনাকত লৰি ফুৰা সাপৰ দৰে জিলিকে। ওপৰত সৰল গছৰ সোঁ-সোঁৱনি। জোনটোৰ নাচোনৰ ছেৱে ছেৱে মনটো দোলে।⋯ ⋯বনৰীয়া প্ৰেম জানো স্থায়ী? মানুহে প্ৰেম কৰেনে জীয়াই থকাৰ দায়িত্ব পালন কৰে?⋯জীৱনৰ ধৰ্মৰো এটা শৃঙ্খলা থাকিব লাগে। যিমান দিন সমাজত থাকোঁ, যিমান দিনলৈকে মানুহৰ ভৱিষ্যতৰ কথা ভাবোঁ।

জোনৰ নাচন ক্ৰমে নাইকিয়া হ'ল, তাৰ্ ঠাইত ফুটি উঠিল এখনি মুখ। নীলিমা নামে ছোৱালী এজনীৰ মুখ। দুটা অলপ কৌতূহলী চকু, চকলাকৈ তেজগোৰা মুখ এখন, ডিঙিত মেৰিয়াই থোৱা বেণীডাল⋯অকস্মাৎ মোৰ বিয়া ঠিক হ'ল, আপুনি মোক ক্ষমা কৰিব⋯নীলিমাৰ খবৰ কৰিবলৈ মন গ'ল। ছোৱালীজনী কেনেকৈ আছে জানিবলৈ কৌতূহল উপজিল।

দোকমোকালিৰে পৰা ধুমাৰ্জয় বৰষুণ। প্ৰথমতে হু-হু শব্দ কৰি অলপ কোবাল বতাহ। ঘৰবোৰ উকৰাই নিয়ে যেন লাগে। তাৰ পাচতে শিলগুটি এমুঠি লৈ গাৰ জোৰেৰে টিনৰ ওপৰত মাৰি দিলে যিদৰে শব্দ হয় তেনে শব্দ কৰি এছাটি বৰষুণ পৰিল, তাৰ পাচত আকৌ এছাটি, তাৰ পাচত —হৰ্ হৰ্ ঝৰ্ ঝৰ্—আকাশৰ ডাৱৰ আটাইখিনি ভাগি পৰা যেন লাগিল। লেপখন ভালকৈ গাত মেৰিয়াই লৈ চকু মুদি বৰষুণৰ শব্দৰ মাদকতাত গা এৰি দিলোঁ। কাম-কাজতো একো নাই, মাথোন খাইছোঁ আৰু শুইছোঁ। ঘৰৰ কাষৰ জানটোৰে পানী দৌৰি যোৱা শব্দ শুনো। শিলঙৰ প্ৰত্যেকটো জানেই বৰষুণৰ সময়ত একো একোটা জলপ্ৰপাত। চিলমিলকৈ টোপনি আহে। টোপনিতো যেন বৰষুণৰ ঝৰ্ ঝৰ্ সুৰ শুনি থাকোঁ।

অকস্মাৎ বাইদেউৰ মাতত সাৰ পাওঁ। বৰষুণ পৰিয়ে আছে, যদিও অলপ কম জোৰত। বাইদেৱে কাঁহি-বাতি ধুবলৈ অহা কাঞ্চীজনীক বকিবলৈ ধৰিছে, তাই অহাত বেলি কৰা দেখি। উঠি পিৰালিলৈ ওলাই যাওঁ। দেখো কাঞ্চীজনীয়ে তিতি-বুৰি চোতালৰ কলটোত কিবাকিবি ধুব ধৰিছে। ক'লাকৈ নেপালী তিৰোতাজনী, তাইৰ ল'ৰা-ছোৱালী কেইবাটাও। গিৰিয়েকে মটৰ ষ্টেচনত কিবা কাম কৰে, বেচি ভাগ সময় মেলেৰিয়াত ভুগি আৰু কাহিয়ে কটায়। ঘৈণীয়েকে ইঘৰ সিঘৰত কাম কৰি যি পায় তাৰ ওপৰতে সংসাৰখন। তাইবো স্বাস্থ্য ভাল নহয়, চকু হালধীয়া হৈ থাকে।

"কেলেইনো বকিছ ?"

"চাচোন তাই কিমান বেলি কৰি আহিছে, ইফালে অফিছলৈ যাবৰ সময় হলেই !"

"বৰষুণ নহয়," মই নৰম সুৰত কওঁ।

"তাই কিবা দৰমহা নিনিয়েনে কি ? কিয় তেনে কাম কৰিবলৈ আহে ?"

কাঞ্চীয়ে মুখৰ ভিতৰতে কিবাকিবি ভোৰভোৰায়। বাইদেউৰ খং আৰু চৰে। মোৰ মনলৈ আহে বহাগীৰ কথা। তায়ো ব'দে বৰষুণে কঠিয়া কই, ধান নিৰাই শৰীৰটোৰ অৱস্থা কি কৰিছে মনত পৰে। যন্ত্ৰৰ দৰে তাই পুৱাৰ পৰা গধূলিলৈ খাটে, তাইৰ দৰে আনবিলাকেও খাটে। ভোক বেমাৰ, ক্ৰমে শোচনীয় হৈ অহা অৱস্থা, কাজিয়া-পেচাল, আৰু কিমান কি। তথাপি তাহাঁতে নিজৰ মতে খাই কৰি থাকিব নোৱাৰে; বাহিৰৰ জগৎ এখনৰ ওপৰত নিৰ্ভৰ কৰিব লাগে, কৈফিয়ৎ দিব লাগে। তাহাঁতৰ ভাব-চিন্তাবো হয়তো স্বাধীনতা লোপ পাইছে।

চাহ দুকাপ খাই বাহিৰৰ মোৰ খোটালাটোত বহি লওঁ। সমুখত কালিৰ কাগজখন। চকু খিৰিকাৰে কাষতে দেখিবলৈ পোৱা নামনিৰ পৰা উঠি অহা ঠেক বাটত। বাটটোৰে পানীৰ ধাৰ এতিয়াও বৈ আছে। আগদিনৰ কথাবোৰ মনত পৰে। প্ৰবীণে দুদিনমানলৈ চাগৈ আৰু দেখা নিদিয়ে। এইদৰে আওপখাৰে আওপথাৰে ধান সিঁচি ফুৰাৰ লাভ ক'ত ধৰিব নোৱাৰোঁ। তাৰ দুৰৱস্থাই মোক মোৰ দায়িত্ব সোঁৱৰাই দিয়ে। মন থিৰ কৰি লওঁ। বিয়া কৰাব লাগিব, হয়তো মিনতিকেই। দ্বিতীয়তে মই ইয়াৰ পৰা যাব লাগিব। ৰাজনীতি বতাহ লগাই ফুৰিলে নহয়। ভাৱটো অহাত মনত অলপ ৰঙো লাগে।

এনেয়ে এবেলি ভিতৰলৈ যাওঁ।

"বাইদেউ, কি কৰিছ অ'?"

"ৰবি, ভিনদেৰেৰক ভাত দিওঁ, তয়ো খাবিনে কি এতিয়াই?" তেওঁ পাগঘৰৰ ভিতৰৰ পৰা চিঞৰি উত্তৰ দিয়ে।

"মই মামা আজি স্কুললৈ নাযাওঁ, বৰষুণ নহয়," ৰাণুৱে কয়।

"মই অলপ ওলাই আহোঁ, বাইদেউ।"

"কলৈনো যাব এই বৰষুণত?"

"মিনতিৰ খবৰ লৈ আহোঁ," ধেমালিৰ সুৰত কওঁ। মনটো অকাৰণত অলপ চঞ্চল হৈ উঠিছিল। প্ৰকৃততে মোৰ মন গৈছিল নীলিমাক চাই আহিবলৈ।

"ক'লৈ ?"

"শ্ৰীমতী মিনতি চৌধুৰীৰ মেছৰ পৰা আহোঁগৈ, বুজিছ ?"

"যা যা, ধেমালি নকৰ। তোৰ সিমানখিনি সুবুদ্ধি হবনে ?"

মই হাঁহি আঁতৰ হওঁ। নীলিমাৰ কথা মনৰ তলিত সোমাই আছিল যদিও ওলাই যোৱা নহয়। কাম এটা কৰিবলৈ থিৰ কৰা আৰু তাৰ পাছত সেইটো কৰি পেলোৱা—এই দুটা বেলেগ বস্তু। তাৰ উপৰি প্ৰবীণক লগত নললে মই কি বুলি যাওঁ ? অচিনাকি মানুহ এজনৰ ঘৰলৈ তেওঁৰ বৈণীয়েকক চাওঁ বুলিতো যাব নোৱাৰি।

বৰষুণ অলপ কম পৰা যেন লাগিল। প্ৰবাণৰ খবৰকে কৰোঁ বুলি কিছু সময়ৰ পাচত গলোঁ। তেতিয়া ন বাজি গৈছেহে।

প্ৰবাণ সাজি কাচ ক'ৰবালৈ ওলাইছিল।

"কি অ' মিঃ শৰ্মাৰ তালৈ ওলাইছনে কি ? মোকো নিবিনে ?"

"লগা নাই।" তাৰ উত্তৰটো বিৰসীয়া।

"ক'লৈ গ'ল ?"

"নিতিজ্ শৰ্মাক লৈ ঘৰলৈ গ'ল।"

এইবেলা মোৰ নিৰাশ হবৰ পালি পৰিল। নীলিমাক দেখা নিদিওঁ বুলি মন বান্ধিছিলোঁ, কিন্তু যেতিয়া তাইক লগ পাবৰ মন গ'ল তেতিয়াও নিজক দমাই ৰাখিবলৈ টান পালোঁ। অন্তৰৰ টান আৰু কৌতূহল দুয়োটাই প্ৰবল আছিল। তাইৰ জীৱনত ক্ৰোট লগাবৰ ইচ্ছা নাছিল, তথাপি লগ পোৱাহেঁতেন !

"এহ্ তই সদায় কৈ থকা কাৰণে মিঃ শৰ্মাক এবেলি লগপাবলৈ মন গৈছিল।"

"তোৰ আগ্ৰহটো বৰ অসময়ত হ'ল। এই ৰবলা, পাউডাৰৰ টিনটো আনচোন।"

"পাউডাৰ শেষ হৈছে, নতুন এটেমা আনিবা—" ৰবলাই ভিতৰৰ পৰা মাত দিয়ে।

"এইজনীৰ পৰা আৰু ! তাই মোৰ টিনটো লৈ যাব—"

"বাৰু বাৰু, পাউডাৰ নঘঁহিলেও হ'ব, নে বিশেষ কিবা দৰ্কাৰ আছে ?"

সি মোৰ ফাললৈ ঘূৰি চায়। তাৰ চকুত অলপ হাঁহি।

"ৰমলা, চাহ দুকাপ আনচোন। তোৰ উৎপল ককাইদেৱেৰ আহিছে।" সি কথাষাৰ তাইক জোকাই লৰলৈকে কয়।

"চেনি নাই—" সমিধান আহে।

"এটা কথাও উৎপল।"

"কি ?"

"মিছিজ্ শৰ্মাই দেখোন·তোক চিনি পায় বুলি কয় ?"

"কোনে ?"

"মিছিজ্ শৰ্মা, অৰ্থাৎ নীলিমা দেৱীয়ে—"

"পাবও পাৰে, ক'ৰবাত হয়তো দেখিছিল।" চমুকৈ কৈ থওঁ।

সি মোৰ ফালে চাই কয়, "তই মোক ইমানদিনে উৎকট ফাঁকি দিছ কিন্তু।"

"চাহৰ কি হ'ল ৰমলা—" তাৰ মনটো আনফাললৈ নিবৰ মন কৰি চাহৰ কথা উলিয়াওঁ।

"চাহ বাৰু আহিব, ৰমলাই তোক চাহ একাপ সুখুওৱাকৈ নাথাকে, পিচে তই মোক এনেকৈ ফাঁকি দি আছিলি কিয় ?"

"বোপাই, মই তোৰ লগত কথা কটা-কটি কৰি থাকিবলৈ অহা নাই। অবাস্তৱ কথা এসোপা পাগুলিয়াই থকাতকৈ ব'ল ওলাই যাওঁ, লৰালৰি কৰ। ৰৰঘুণো এৰিলে।"

ভিতৰৰ পৰা ৰমলাই চাহ লৈ আহি কয়, "ককাইদেউ, মাই আপোনাক ইয়াতে ভাত খাই যাব কৈছে। মিনতি বাইদেৱো আহিব। পিচে তেওঁৰ আহোঁতে পলম হব, আপুনি আৰু প্ৰবীণ ককাইদেৱে ইচ্ছা কৰিলে খাই লব পাৰে।"

"দহৰজাতে কিনো ভাত খাবাহে ? ধৰতো কৈ অহা নাই। এটা কাম কৰিব পাৰা ৰমলা—"

"কি ?"

"ভাত বাৰু আজি নাখাওঁ। কিবাকিবি জলপান খালে অলপ লৈ আহা, চাহৰ লগত খাওঁ।" "ওহোঃ খাব লাগিব।" তাই উজ্জ্বল হাঁহি এটাৰে আঁতৰি যায়।

"তই খা, মই মিনতিক লৈ আহিছে খাম," প্ৰবীণে কয়।

"মিনতি কেতিয়া আহিব ?"

"বাৰমান বাজিব।"

"পিচে এই দুঘণ্টা সময় তই কি কৰিবি ?"

"যিয়ে নকৰোঁ তোক কেলেই লাগে ? মিঃ শৰ্মাৰ তালৈ যাবলৈ আহিছিলি, হয়নে ?" তাৰ ঠাট্টাৰ সুৰ। চকুত ব্যঙ্গৰ হাঁহি।

মোৰ খং উঠিব খোজে।

"খং নাখাবি। বাৰু তোক এদিন লৈ যাম কিছুমান দিন পাচত—যেতিয়া মিছিজ্ শৰ্মা ল'ৰাৰ মাক হৈ আহিব।" সি আকৌ মোৰ চকুলৈ অৰ্থপূৰ্ণ ভাবে চায়।

অলপ বৈ সি আকৌ কয়, "মিনতিয়ে তোৰ কাণ্ডবিলাক মোক কোৱা নাই হবলা ? তোৰ গৌৰীপুৰৰ ৰোমাঞ্চৰ কাহিনী—"

তাৰ লগত চুপতি কৰিবলৈ মন নোযোৱা হ'ল। সকলোবোৰ কথাতে ভেঙুচালি নচলে। মই উঠিবৰ লক্ষণ দেখুওৱা দেখি সি ৰমলাক চিঞৰে— "ৰমলা, উৎপল যায়—"

অগত্যা বওঁ। সি ওলাই যায় মিনতিক লৈ আহিবলৈ। ইমান সোনকালে যাবৰ দৰ্কাৰ নাছিল, কিয়নো মিনতিয়ে লাইমোখৰাৰ কলেজত ক্লাচ কৰি এঘাৰ বজাৰ পিচতহে মেছ পাবহি। সি হয়তো তাইৰ কলেজলৈয়ে যাব। তাৰ আগ্ৰহৰ আতিশয্যটো ভাল নালাগিল। নীলিমাৰ—ল'ৰাৰ মাক নীলিমাৰ —ৰূপটো কল্পনা কৰিবলৈ টান পাই মিনতিৰ কথা সৰহকৈ মনত পৰিছিল। মিনতি বাহিৰত মোৰ কাৰণে বিয়াকুল, এনেস্থলত প্ৰবীণৰ সৈতে ইমান ঘনিষ্ঠতা কিয় ? ভাবটোৱে চাপে বুকুত অলপ গোৰণি দিলে।

ভাত খাই উঠি ঘৰলৈ উভতিবৰ মন নোযোৱাত পুলিচ বজাৰৰ ফালে ওলাই গলোঁ। বাইদেৱে অৱশ্যে মই নোযোৱা কাৰণে চিন্তা কৰি থাকিব। পুলিচ বজাৰত কিতাপৰ দোকান এখনৰ পৰা বিদেশী ছবি থকা আলোচনী দুখন কিনো। বাণুৰ কাৰণে লুজন কিনো আৰু মোৰ চুৱেটাৰৰ কাৰণে উল চাওঁ। অলপ পাছত চেক্ৰেটেৰিয়েট অফিচলৈ গৈ পুৰণি সহকৰ্মী দুজনমানৰ মেজত আড্ডা দিওঁ। বন্ধুকেইজনে চাহ খুৱায়, তামোল খুৱায়, এজনে আকৌ কাম খালি হৈছে বুলি খবৰ দিয়ে। হাঁহি তাহাঁতক এৰি থৈ আহো।।

আঢ়েটামান বজাত-ঘৰ পাওঁগৈ। লুম্‌পাৰিঙৰ ওখ পাহাৰত উঠোঁতে ভাগৰ লাগে। বাইদেউ চাগৈ শুই আছে। চাহ একাপ পালে বেয়া নহয়। ঘৰ সোমায়ে দেখোঁ মোৰ খোটালীটোত বাইদেউ আৰু মিনতি বহি কথা পাতি আছে। মিনতিক বহুদিনৰ মূৰত দেখি অলপ কেনেবা কেনেবা লাগে। বেচেৰীৰ প্ৰতি মোৰ মনৰ ভাব এতিয়া বহুতো বেলেগ। অন্ততঃ এটা কথা পাহৰিব নোৱাৰোঁ—নীলিমাৰ পৰা আঁতৰি আহিবলৈ সুযোগ দি তাই মোৰ হিতেই সাধিছে। ইমানদিনে তাইৰ মই বেয়াখিনিহে লক্ষ্য কৰিছিলোঁ। এতিয়া তাইকো মোৰ আকৰ্ষণীয় লাগিছে। হয়তো অবাস্তৱ আদৰ্শৰ কুঁৱলী কাটি যোৱা কাৰণেই। হাতৰ আগত কৰিবলৈ বিশেষ একো নাই। এনেস্থলত সংসাৰ এখনৰ কথা মনত খেলায়। এৰা, অঘৰীৰ ঘৰ পাতিবৰ হ'ল। মই চিধা ভিতৰৰ ফাললৈ সোমাই যাওঁ। বাইদেৱে মই অহা উমান পাই পাত দিয়ে। তেওঁ উঠি আহি মোক ফিচ্‌ফিচাই কয়, "এনে গুৱমী ছোৱালীজনী! যাচোন, আহিৱে পৰা তোৰ কাৰণে উচ্‌পিচাই আছে। তই প্ৰবীণইঁতৰ ঘৰতে খালি হবপায়, মিনতিয়ে কলে। যাচোন, মই জলপান কৰোঁগৈ।"

মিনতিয়ে, তলমূৰকৈ কিতাপ এখন চাই থাকে। তাইৰ গাল এখন দেখোঁ। গালখন যেন আগতকৈ তেজাল, গাত উৎকট ধৰণৰ ব্লাউজ এটা। মই লাহেকৈ মাত দিওঁ, "মিনতি।"

"কি?"

"তোমাক লগ ধৰিব সময়কে কৰিব পৰা নাই। ইমান কাম। দেউতা

ঢুকোৱা খবৰ পোৱা চাগৈ, নহয়নে?" মই এসোপা মিছা কাৰণ ভাবি উলিয়াবলৈ চেষ্টা কৰোঁ।

তাই মূৰ তুলি এবেলি মোৰ চকুলৈ চাই মিচিকিয়ায়। "এৰা, প্ৰবীণ ককাইদেৱে তোমাৰ কামৰ খবৰ মোক দিয়ে।"

"প্ৰবীণ ককাইদেৱেৰাই ছোৱালীও যাচে।"

"কাক?" তাইৰ মুখখন যেন কৌতুকত অলপ উজ্জ্বল হয়।

"অন্ততঃ তোমাক নহয়।"

"কাক তেনে?" তাইৰ মুখত চিন্তাৰ ডাৱৰ।

"তুমিও ভাল উকীলজন ধৰিছিলা, নহয়নে?"

"আঃ কোৱাচোন কাক?"

"কিয় তুমি এইবিলাক কথা তালৈ লিখিছিলা? এতিয়া আকৌ মোক লগ পাব খুজিছা কোনটো সত্যৰ?"

তাই নিৰাশভাবে মোৰ মুখলৈ চাই থাকে। ছোৱালীজনী আগতকৈ বেচি আকৰ্ষণীয় লাগে। গাৰ ব্লাউজটোৰ কুৰুচিপূৰ্ণ ৰঙৰ বাহাৰেও তাইৰ মুখৰ কমনীয়তাখিনি ঢাকি ৰাখিব পৰা নাই, হয়তো শিলঙৰ হাৱাপানীৰ কাৰণেই।

"তুমি চাকৰি কৰিব নালাগে," তাই লাহেকৈ কয়।

"কিয়?"

"ল পঢ়া।"

"তোমাৰ স্বাৰ্থ?"

তাই নামাতে। মই কওঁ, "প্ৰবীণে কাক যাচিছে জানা? তাৰ ভনীয়েক ৰমলাক। তাক উকীল পতাৰ ফল এয়ে।"

তাইৰ কপালখনত চিন্তাৰ আঁক।

"ৰমলাৰ লগত যৌতুকত আঠ-দহহাজাৰ টকা।" কথাবাৰ কৈ মই খিৰিকীৰ কাষলৈ যাওঁ। কথাবাৰ গাত লাগিছেনে নাই ভাবি কৌতুক বোধ কৰোঁ। বাণু স্কুলৰ পৰা উভতি আহে। তাই খিৰিকীৰে মোক দেখিবলৈ

পাই "মামা!" বুলি চিঞৰৰ লগায় আৰু থমকি লৰ মাৰি সোমাই আহি অচিনাকি তিৰোতা এজনী দেখি ৰয় আৰু ছুৱাৰমুখৰ পৰা চকুৰে ইঙ্গিত দি সোধে—"কোন?"

"তোৰ মামীয়েৰ।" মই হাঁহি কওঁ।

তাই "ধেৎ!" বুলি লৰ মাৰে। মিনতিয়ে আমনজিমনকৈ কয়, "কটা ঘাত লোণ দি কি তৃপ্তি পোৱা? মই যাওঁ, বাইদেউ ভিতৰত হবপায়।" তাই উঠিব খোজে।

"ৰবা, কলৈ যোৱা? আৰু মেছত থাকিব লাগে কিয়? ইয়াত মোৰ লগত থাকিলেও দেখোন হয়।" তাইৰ খং তোলাবলৈ মন যায়।

তাই মোৰ খোটালীৰ পৰা গোঁ-গোঁৱাই ওলাই বাইদেউৰ কাষ পায়গৈ। মই বাণুৰ লগত চুপতি কৰোঁ। বাইদেৱে তাইক চাহ-জলপান খুৱাই পঠিয়াই দিয়ে। যোৱাৰ পাচত তেওঁ কয়, "বেয়া ছোৱালী নহয়ও উৎপল। আৰু আজিকালিতো ডাঙৰ ছোৱালী বিয়া কৰায়েই। তাৰ উপৰি একেবাৰে অচিনাকি ছোৱালী এজনী অনাতকৈ মন পোৱা ছোৱালী হলে ভালেই।"

পিচদিনা হবপায়। তুপৰীয়া চাহ খাই কি কৰোঁ কি নকৰোঁকৈ ইফালসিফাল কৰিছোঁ। বতৰ ফৰকাল। কৰিবলৈকেও কাম নাই, কিছুমান দিনৰ পৰা মনটোও অৱসাদগ্ৰস্ত হৈ পৰিছে। কোনো কামতে ৰুচি নহয়। গুণাগঁথা কৰিছোঁ জীৱনৰে কথা।

ক'ব নোৱাৰাকৈয়ে বাট বুলিলোঁ, পাহাৰৰ ওপৰলৈ। মনটো গধুৰ থকা কাৰণে মানুহৰ পৰা আঁতৰি গলোঁ হবপায়। হেঁপাই-ফোঁপাই লাবান পৰ্বতৰ ওপৰৰ ফাললৈ উজাই গলোঁ। তুই এটা খাচীয়া তললৈ নামি আহিছে। মানুহ-তুনুহ বিশেষ নাই। শাৰীৰিক পৰিশ্ৰমে মনৰ চিন্তাবোৰ পাতলাই পেলালে। ওপৰত মুকলি বতাহ পাই ভাল লাগিল। ক্ৰমে সমান ঠাই পালোঁ, বহুতো ওপৰত। তাৰ পৰা লাবানখন সুন্দৰকৈ দেখি। সৰলগছ এজাৰ থিয় হৈ আছে। তাৰ মাজে মাজে সৰি পৰা পাতবোৰ গছকি অলপমান আঁতৰত গোমধানৰ খেতি অলপ পালোঁ। পাতল পাতলকৈ গোমধানৰ গছবিলাক। গছবিলাক শুকাই যোৱাৰ দৰে, তুই এটাহে গোমধান গাত লাগি আছে। সেইবিলাক সঁচৰ কাৰণে ৰাখিছে হবপায়। আকৌ উভতি পৰ্বতৰ মূৰতে বহি ললোঁ। ইমান ওপৰত বহি ঘৰুৱা লেঠাবোৰৰ পৰা আঁতৰা যেন লাগিল। তললৈ চাই তন্ময় হৈ পৰিলোঁ। দূৰৈৰ তলৰ বাটত অকণি-অকণি মানুহবিলাক। তুই এখন মটৰগাৰী পুতলাৰ দৰে।

অকস্মাৎ মাইকী মানুহৰ খিল্‌খিলীয়া হাঁহিত সজাগ হলোঁ। খাচীয়া মানুহৰ হাঁহি, পৰ্বতৰ ঝৰণাৰ দৰেই সজীৱ। ভাল লাগিল। লাহেকৈ উভতি চালোঁ। দুজনী তিৰোতা আহিছে হাঁহি-ধেমালি কৰি। দুয়োজনীকেই দূৰৰ পৰা গুৱনী দেখি। চাই থকা বেয়া দেখি বুলি মুখ ঘূৰালোঁ। তাহাঁত ওচৰ চাপিল। আকৌ উভতি চালোঁ, কা-ৰূপ দেখোন! মাতোঁনে নামাতোঁ কৰোঁতেই তায়েই খাচীয়া ঠাঁচত সম্ভাষণ জনালে, "উৱা বুৰ্ৰ্‌হ্!" অৰ্থাৎ— আও, বাবু দেখোন!

"শ্বং হাংনে—বহা ইয়াতে", হাঁহি কলোঁ।

লগৰজনীয়ে সঙ্কোচ কৰা দেখি তাই মোৰ নিচেই কাষতে বহি ললে। সিজনীও বহিল।

"বৰ ভাগৰ লাগিছে," কা-ড্ৰপে এঙামুৰি এটা দি মোৰ আৰু অলপ ওচৰ চাপে। তাই লগৰ ছোৱালীজনীলৈ কেৰাহিকৈ চাই হাঁহে। মই সিদিনাৰ প্ৰবীণৰ দুৰ্গতিৰ কথা পাহৰা নাই। তাৰ দুৰ্গতিত ময়ো লাজ নোপোৱা নহয়। সেই কাৰণে গহীন হৈ থাকিলোঁ।

"কি কৰিছে ইয়াতে অকলে?" তাই জোলোঙাৰ পৰা এখনৰ পৰা তামোল উলিয়াই সোধে।

"তোমাৰ কাৰণে বৈ আছোঁ," ধেমালিৰ সুৰত কওঁ।

"শুনিছা কথা?" সিজনীক উদ্দেশ্য কৰি তাই মন্তব্য কৰে। "এওঁৰ নাম এমন, মোৰ বন্ধু। এওঁৰ ঘৰ সৌকালে এখন গাঁৱত। মই গৈ লৈ আহিলোঁ।"

"ধুনীয়া ছোৱালী এমন।" ছোৱালীজনীলৈ চাই হাঁহি কওঁ।

এমনে খিল্‌খিলাই হাঁহে, কা-ড্ৰপে মুখ ভেঙুচালি কৰে। মই তাইৰ হাতখন তুলি লওঁ। তাই আঁতৰাই নিয়ে। মই নিৰ্বিকাৰ ভাবে আনফালে চাই থকা দেখি তাই আকৌ হাতখন আগবঢ়াই দিয়ে। হাতখন কোমল আৰু সৰু। ধৰি ভাল লাগে। সহানুভূতিৰ পৰশ পোৱা যেন লাগে। আমাৰ কিমান কম চিনাকি, তথাপি যেন বন্ধুতাৰ সম্বন্ধ। হয়তো খন্তেকৰ উচ্ছ্বাস, তথাপি সেই মুহূৰ্তৰ কাৰণে তাৰ সাৰ্থকতা নথকা নহয়। সৰল গছৰ পাতৰ কঁপনিৰ দৰে জীৱনৰ স্পন্দন চলিয়ে থাকে। তাৰ মাজতে প্ৰত্যেকেই কিমান অকলশৰীয়া। নিজৰ নিজৰ ভাব-চিন্তাৰ প্ৰত্যেকৰে একোটা আন্ধাৰ গুহা। গুহাৰ ভিতৰত প্ৰত্যেকৰে স্বকীয়া স্বকীয়া ঐশ্বৰ্য্য। এজনে আনজনক সেইবিলাক আঁজলি কৰি উলিয়াই দিয়ে—কিজানি গ্ৰহণ কৰেই। আনৰ চাবলৈ আহৰি নাই, গ্ৰহণ কৰিবলৈ শক্তি নাই। প্ৰত্যেকৰে নিজৰ নিজৰ সম্ভাৰ, নিজ লৈয়ে ব্যস্ত। লগৰ মাজত আমি অকলে; আনক মুবুজি নিজকো

বুজাব নোৱাৰি মাথোন গৈ থাকোঁ, বাট বুলোঁ। কা-ড্ৰপক মোৰ কাষত এই মুহূৰ্ত্তত পোৱাৰ দৰে হয়তো খন্তেকৰ কাৰণে কেতিয়াবা গুহাৰ ভিতৰত পৰিচয়ৰ ৰেঙনি সোমায়—তুটিমান প্ৰাণীৰ মনৰ বা সহানুভূতিৰ আদান-প্ৰদান হয়। এই আচম্বিত ক্ষণবিলাকৰ সাৰ্থকতা মানুহহিচাবে উলঙ্ঘন কৰিব নোৱাৰি

"আপুনি মোৰ তালৈ যোৱা নাই কিয় ?" তাই মাত দিলে।

প্ৰশ্নটোৱে মোক অলপ আচৰিত কৰে। কওঁ, "সেইটো প্ৰশ্ন চাগৈ মোৰ বন্ধু প্ৰবীণকহে কৰিব লাগে, কা-ড্ৰপ—"

"কিয় আপুনি মোৰ বন্ধু নহয়নে কি ?"

তাইৰ উদাৰতাত সঁচাকৈয়ে বিস্ময় উপজিব খোজে। অবিশ্বাসৰ চকুৰে তাইলৈ চাওঁ। বেলি লাহ দিছে। শীতল বতাহ এছাটিয়ে জাৰ লগাই যায়। "নোযোৱানে ?" তাইক সোধোঁ। তাইৰ চপলতাখিনি অৱশ্যে ভাল লাগে।

মূৰটো মোৰ কান্ধত হলাই দি কয়, "আপুনি কেতিয়া মোৰ তালৈ যাব কওক—"

তাইক মোৰ ফাললৈ টানি লৈ কওঁ, "যাম বাৰু এদিন।"

"সোনকালে—আপুনি ইমান গহীন হৈ আছে কিয় ?"

"যাম বুলি কৈছোঁ নহয়," হাঁহি সমিধান দিওঁ। তাইৰনো মোৰ প্ৰতি কিয় ইমান দৰদ। সিজনী ছোৱালী লগত থকা কাৰণে মোৰ সঙ্কোচৰ ভাবো ওপজে। অলপ গহীন ভাবেই কথাবতৰা হওঁ। তথাপি সেই সেউজীয়া পৰিবেশৰ মুকলিমূৰীয়া প্ৰভাৱৰ হাত সাৰিবলৈ টান লাগে।

পোহৰ কমি আহে। বেগাবেগিকৈ নামিবলৈ চেষ্টা কৰোঁ। পুনৰপাৰিছেৰে নামি আন্ধাৰৰ আঁৰত তাইহঁতক আগ বঢ়াই দিওঁ। ঘৰৰ ওচৰত কোনোবাই দেখে বুলি শঙ্কা ওপজে। পুলিচ বজাৰৰ ওচৰত আগ বঢ়াই থওঁ। কা-ড্ৰপে মোক লৈ যাব খোজে। তাইৰ হাতখন জোকাৰি এদিন যাম বুলি আশ্বাস দি উভতোঁ। ওপৰত ভাৰৰ নমা যেন ভাব হৈছিল। ৰেবৰ্ণ আহিব পাৰে।

সন্ধিয়াখিনি বেয়াকৈ নগ'ল। ছুই এটোপাল পানী পৰিছে। জাৰ

লাগিছে। ঘৰ পাওঁ মানে বৰষুণ নামিলেই। অলপমান তিতিলোঁ। গধূলিৰ বৰষুণ, বৰ থাণ্ডা লগায়।

কানি-কাপোৰ সলাই জুই একুৰাৰ কাষত বহি গাটো তপতাই লওঁ। বাউদেউ পাগঘৰৰ ভিতৰত। চিঞৰি কলোঁ, "চাহ একাপ, বাইদেউ। জাৰ লাগিছে।"

বাইদেউ ওলাই আহি মোৰ ফাললৈ চাই সুধিলে, "তিতিলিনে কি ? চাবি অসুখ-বিসুখ হব।"

"চাঁহ একাপ দেচোন, জাৰ লাগিছে দেখোন।" ৰাণুক কলোঁ, "যাচোন আজিৰ কাগজখন লৈ আহ, অংকণমান চাই লওঁ।"

তাই ভিতৰৰ খোটালী এটাৰ পৰা উভতি আহি ক'লে, "দেউতাই পঢ়ি আছে মামা।"

তাই কোৱাৰ লগে লগে ভিনদেউ ওলাই আহিল। উদ্বিগ্নভাবে তেওঁ মাত দিলে "উৎপল—"

মই প্ৰশ্নৰ চকুৰে চালোঁ।

"এই—এই বাতৰিটো চোৱাচোন। তোমালোকৰ ঘৰৰ ওচৰত ঘটা যেন লাগিল। ফুলবাৰী তোমালোকৰ ওচৰতে নহয় জানো ?"

"চাওঁ কি বাতৰিনো ?"

আগ্ৰহেৰে কাগজখন লৈ ভিনদেৱে আঙুলিয়াই দিয়া ঠাইখিনিত চকু ফুৰাওঁ। এবাৰ চাই আকৌ ভালকৈ চাওঁ। চমু খবৰ এটা, ফুলবাৰীৰ লপাং নামে কছাৰী এটাই তাৰ ঘৈণীয়েক বহাগীক কাটি ছুটুকুৰ কৰিলে, লপাঙে থানাত ধৰা দিছে—সিমানেই খবৰ। চমু যদিও কথাকেইশাৰীয়ে গোটেই শৰীৰটো জোকাৰি দিয়া যেন লাগিল। বাইদেৱে পাগঘৰৰ পৰা ওলাই আহি খবৰটো পাই আঃ ইঃ কৰিবলৈ ধৰিলে।

এৰা, বহাগী নিচেই ঘৰৰ ওচৰৰ ছোৱালী, অন্ততঃ তাইৰ লগত আমাৰ ঘৰৰ যি পৰিচয় সেইফালৰ পৰা। ফুলবাৰী বুলিলে সততকাই তাইৰ কথা মনলৈ আহে। *সজীৱ গুৱনী ছোৱালী, তেজী তাইৰ ব্যৱহাৰ, সিদিনা দেউতাৰ*

শ্ৰাদ্ধৰ পাচত মাথোন তাইৰ শৰীৰ অৱস্থা দেখি বেজাৰ লাগিছিল। সিদিনাৰ ছবিটো মনত পৰিল, শেঁতা চকুজুৰি, ডিঙিৰ তলৰ হাড় কেইডাল। ৰবীন-কুমাৰৰ লগত তাইৰ কিবা সম্বন্ধ থকা বুলি শুনিলেও মই তাইক শ্ৰদ্ধা কৰিছিলোঁ। গাঁৱৰ মাটি-পানীৰ লগত সহজ সম্বন্ধ থকা তিৰোতাৰ তাই বিতোপন চানেকি, কথাত আঁৰ নাই, ব্যৱহাৰত সংকোচ নাই—তাইক গিৰিয়েকে কিয় কাটিলে বাইদেৱে সোধে, মইনো কেনেকৈ কওঁ। কাগজতো আৰু সেইবোৰ নোলায়, মনলৈ কিবাকিবি ভাব আহে।

"কিযে দিনকাল হ'ল," বাইদেৱে মন্তব্য কৰে।

"এৰা," ভিনদেৱে বাইদেউক সঁহাৰে। তেওঁৰ মন্তব্যবিলাক বৰ মৌলিক নহয়, কথাও তেওঁ কমেই কয়।

"উৎপল, তই ঘৰত থাকিলেহে ভাল যেন দেখোঁ, মা তাত যেনেকৈ আছে—" বাইদেৱে মোৰ চকুলৈ চাই তেওঁৰ মনৰ শঙ্কা আঁতৰাবলৈ আশ্বাস বিচাৰে হবপায়, মই কিবা এটা সমিধান দিবলৈ নৌপাওঁতেই তেওঁ আকৌ কয়, "তয়ো ইয়াতে কাম কাজ এটা লৈ মাক লৈ আহিলেহে ভাল যেন পাওঁ, তাত থকা আৰু—"

"ৰবিচোন," মৃদু হাঁহি মই তেওঁক আশ্বাস দিওঁ। ছিগা-ছিগা ভাববোৰ মনলৈ আহে। বহাগী গ'ল। নিতাইহঁতে বা কি কৰিছে। দুদিনমান আগতে মাইতৰ চিঠি পাইছোঁ। মাই নিজৰ অসুবিধাবোৰৰ কথা নজনায়, তথাপি তেওঁৰ আহুকালবোৰ চম্ভালিবলৈ টান হৈ পৰিছে। সম্পৰ্কীয় ভাই বাপুৱে ঘৰুৱা খেতিখিনিত নজৰ দিয়ে যদিও সিও সদায় থাকিবনে? সি ওচৰৰে হাইস্কুলত পঢ়ে। মেট্ৰিক পৰীক্ষা পাছ কৰিলেই হয়তো সি আন ঠাইলৈ যাব লাগিব। এইবেলি আধিয়া মাটিৰ ধান পোৱা নগল বুলিলেই হয়। ফুলবাৰীতে আমাৰ সৰহখিনি খেতিৰ মাটি, গাঁৱলৈ যাবৰ দায়িত্ব বোধ কৰোঁ। নিজৰ খেতিখিনি ভালকৈ কৰাব পাৰিলেও চলি থাকিব পাৰি, মাথোন তেতিয়া মোৰ মুকলিমুৰীয়া জীৱনত ভেটা পৰিব, আগৰ দৰে অনাই-বনাই ঘুৰিব নোৱাৰিম। কোনটো কৰা ভাল, কোনটো কৰা বেয়া ধৰিবলৈকে টান, যুক্তি

যায় এফালে, প্ৰবৃত্তিৰ টান পৰে আনফালে। ভুলেই কৰিছোঁনে কি······ ছিগা-ছিগা ভাববোৰ আহে আৰু যায়।

"বাউদেউ, মই ভাত নাখাওঁ, গাটো ভাল লগা নাই দেখোন।"

"বৰষুণত তিতিলি চাগৈ। অলপকৈ খাবি বাৰু।"

"ওঁহোঃ নাখাওঁ, অসুখ কৰিব। ক'ৰবাত এচ্‌প্ৰো আছেনে ?"

ৰাণুৱে এচ্‌প্ৰো বড়ি দুটা আনি দিয়ে। খাই বিছনাত পৰোঁগৈ। বহাগীৰ কথা মনলৈ আহে। তাইকনো কিয় কাটিলে ? যি কোনো কাৰণতে নহওক গিৰিয়েকৰ লগত তাইৰ কাজিয়া লাগিল ; ভাত-কাপোৰৰ সমস্যা আৰু বেমাৰৰ যোচাই জুকলা কৰি থোৱা মানুহৰ কাজিয়াই প্ৰায়েই ভয়ানক পৰিণতি পায়। লপাওে সুবিধা পালে মোকো কাটিলেহেঁতেন চাগৈ। ভাবটো আহিলত হাঁহি উঠিব খোজে। মানুহৰ জীৱন—এই আছে, এই নাই। তথাপি তাক আমি খামোচ মাৰি ধৰোঁ।

আতপাত জ্বৰ লাগিল। ৰাণুৱে আৰু এখন ৰাগ দি গ'লহি। জ্বৰেই উঠিল। ভিনদেউ আহি খন্তেক কাষত বহিল। "ইনফ্লুৱেঞ্জা হবপায়," তেওঁ মন্তব্য কৰিলে।

মই বিছনাত পৰি থাকিবলৈ বৰ টান পাওঁ, বিশেষকৈ অনিচ্ছাসত্বে। কেইদিনমান পৰি থাকিবলগীয়া হোৱা যেন পাই নিজৰ ওপৰতে খং উঠিল। বিছনাখনত ইফালে-সিফালে লুটি-বাগৰ দি ৰাজত্ব কৰিলেও মনটো অস্থিৰ হৈ পৰে। শৰীৰ অচল হলে মন সন্তৰ বেছিকৈ চলে। এইদৰে থাকোঁতে অলপ পাচত টিল্‌মিলকৈ টোপনি আহিল। সপোন দেখিলোঁ। মই গাঁৱলৈ গৈছোঁ। পথাৰে পথাৰে গৈ আছোঁ। চাৰিওপিনে সোণালী ধানৰ আভা। দূৰৈত ফুলবাৰী, বহাগীৰ ঘৰ। এনেতে কোনোবাই দা এখন লৈ মোক খেদি আহিছে। চকামকাকৈ সাৰ পালোঁ বাইদেউৰ মাতত। সপোনটোৰ কথা ক'লত তেওঁ ভেকাহি মাৰি উঠিল, "যা যাঃ, কিবোৰ ভাবি থাক। উঠচোন, ভৰিদুখন গৰম পানীৰে ধুৱাই দিওঁ।"

বিছনাত বহি তাছৰ পাত লুটিয়াই লুটিয়াই পেশেঞ্চ খেলি আছিলোঁ। সময়খিনি কটাবলৈকেও টান। ভাবিছিলোঁ মিনতিক মোৰ অসুখৰ কথা জনামনে কি। তাই সিদিনাৰ পৰা আৰু অহা নাই। খং খাই গৈছে যেতিয়া খং জামৰিবলৈ সময় লাগিব। প্ৰবীণ কাজিলাটোৰো দেখাদেখি নাই। লগা সময়ত মানুহ কাকো নাপায়, অথচ নলগা সময়ত পখিলা উৰাদি চৌপাশে উৰি ফুৰেহি। গা অসুখ কাৰণেই হবপায় মেজাজটো অলপ খিট্‌খিটীয়া হৈ পৰিছে। অন্ততঃ বাণুৱে মোৰ নম্বুকি খাই সেইধৰণৰ নহ'বা এটা কবি লৰ মাৰিছে। আবেলিলৈকে ওলাই যাওঁ বুলি ভাবি থকোঁ। যদিহে বেছি বেয়া নহয়।

চাৰিটামান বজাত গিৰিধাৰীলালৰ চিঠি এখন পালোঁ। সি মোক পুলিচ বজাৰৰ তাৰ বন্ধু বিৰচাৰিয়াক লগ ধৰিবলৈ নির্দেশ দি লিখিছে। আৰু কৌ চাগৈ কৰা এটা। এনেয়ে বাহি থকাতকৈ বৰং এইচোন বুলি ওলাই গলোঁ। গাটোও অলপ পাতল লাগিছে।

"ডাঙৰীয়া, এতিয়ালৈকে [illegible]" [illegible] সম্ভাষণৰ পাচত বিৰচাৰিয়াই প্ৰস্তাৱ কৰে।

"কওকচোন কথাবাৰ্ত্তা—"

"গিৰিধাৰীলালে লিখিছে যে বোলে গৱৰ্ণমেণ্টে বৰ্ধিত উজিৰ কাৰণে আলু পঠিয়াব—তেওঁ ক'ৰবাত খবৰ পাইছে। গৱৰ্ণমেণ্টে আলুৰ চাপ্লাইৰ টেণ্ডাৰ বিচাৰিছে। আমি পঞ্চাশ হাজাৰ টকালৈ আগ বাঢ়িম। হয়তো আলু এতিয়া সস্তাই, তাৰ উপৰি খাচীয়া পাহাৰত মোৰ এজেণ্ট আছে, সিহঁতে যোগাৰ কৰি দিব—"

বহুত বহুত টকাৰ কাৰবাৰ। মইবা কোনখিনিত সোমাওঁ? বিৰচাৰিয়াই কৈ যায়, "আপোনাৰ জনা-শুনা লোক বহুতো আছে। *গিৰিধাৰীলালেতো*

সেইবেলি আপোনাৰ কাৰণেই বেলয়েৰ ঠিকাটো পোৱা বুলি কলে। উৎপলবাবু, আপুনি এই বিষয়ে অলপ তদ্‌বিৰ কৰিব লাগে।"

খাচীয়া পাহাৰত বস্তুৰ উৎপন্ন কম নহয়, তথাপি বহুত সময়ত খাচীয়াবিলাকৰ খাবৰ নাইকিয়া হয়। মাৰোৱাৰীয়ে হোৰহোৱাই বস্তুবিলাক কিনি লৈ গুদামত ভৰায়, মূৰকত স্থানীয় মানুহৰ বিপদ হয়। তাহাঁতেও বতৰৰ আৰম্ভনিতে পইচাৰ মুখ দেখি নভবা-নিচিন্তাকৈ বেচি পেলায়।

"সহজে ঠিকা পোৱাতো সম্ভৱ নহয়," মন্তব্য কৰোঁ।

"কিয়?" সি অলপ আচৰিত হয়।

"এইবিলাকত কিমান ধৰণৰ মানুহ থাকে।"

"তথাপি আপুনি চেষ্টা কৰি চাওক, উৎপলবাবু! গিৰিধাৰীলালেতো কয় আপুনি লাগিলে—" বাকীখিনি সি হাতৰ মুদ্ৰাৰে প্ৰকাশ কৰে।

তাক মোৰ সহায়ৰ আশ্বাস দি উভতোঁ। আকৌ কাৰবাৰ। মোৰ সমুখত পথ দেখোঁ কেইবাটাও। মূলধন নাইকিয়া মানুহৰ কাৰবাৰত নিশ্চয়তা নাথাকিলেও তাৰ সম্ভাৱনা নথকা নহয়। চাকৰিৰ কথা নোতোলোঁ! গাঁৱলৈ গৈ খেতি বাতিত মন দিব পাৰোঁ। লিখা-পঢ়া জনা মানুহ আটাইবিলাক গাওঁ এৰি ওলাই অহা যুগুতো নহয়। তাৰ উপৰি—তাৰ উপৰি ওঁ, মিনতিয়ে ল পঢ়াৰ কথা উলিয়াইছিল। বেচেৰীয়ে মোৰ বিষয়ে চিন্তা কৰিয়ে সেইদৰে সংকেত এটা দিছে। ওকালতি বেয়া নহয়, বহুতো কাৰণত। নিজৰ প্ৰবৃত্তিৰ ওপৰত লাগাম টানি ৰাখিব পাৰিলে ওকালতি সমূলি বেয়া নহয়, নোৱাৰিলে উকীলৰ নামত জুৱাচোৰ হব লাগে। কিবা এটা থিৰ কৰিব লাগিল, সোনকালে। মিনতিৰ লগত আলচ কৰাৰ দৰকাৰ বোধ কৰিলোঁ।

সাঁজ লাগি ভগাৰ পাচত মিনতিহঁতৰ মেছটো পাওঁ। তলৰ পৰা দেখোঁ ওপৰ মহলাৰ খিৰিকী এখনৰ কাষত তিৰোতা এজনীয়ে তলমূৰকৈ একান্তমনে বহি আছে, সম্ভৱ সমুখৰ মেজত কিতাপ।

ওপৰলৈ উঠা চিৰিৰ নামনিতে কোনোবা এজনীক লগ পাই মিনতি

চৌধুৰী কোনটো কমত থাকে সুধিলোঁ। তেওঁ আগ্ৰহেৰে "আহক, দেখুৱাই দিওঁ" বুলি মোক লৈ গ'ল।

"মিনতি কিবা হয়নে কি আপোনাৰ?" তেওঁ কৌতূহলেৰে সোধে।

উত্তৰ দিব নোপাওঁতেই খোটালীটোৰ কাষত থিয় হওঁ।

"মিনতি—" তিৰোতাজনীয়ে মাতে।

মিনতিয়ে মেজখনৰ পৰা ঘূৰি চায় আৰু মোক দেখি গহীনভাবে থিয় হৈ সম্ভাষণ জনায়, "আহক ককাইদেউ, বহক ইয়াতে।"

তিৰোতাজনী বৈ থাকে। অলপ বিৰক্তিৰ সুৰত মিনতিয়ে কয়, "অ' কি লাগে আপোনাক?"

তাই উচাট মৰা ধৰণৰ কিবা এটা কৈ আঁতৰ হয়।

"এইজনী যে!" মিনতিয়ে মন্তব্য কৰে।

"কি হ'ল, বেচেৰীয়ে মোক তোমাৰ খোটালীটো দেখুৱাই দিলে তেওঁ। মাষ্টৰণী চাগে?"

"এহ্ কোন কলৈ গ'ল, কোনে কাৰ খবৰ কৰিলে—এইবিলাক লৈয়ে ব্যস্ত সেইজনী!"

"কি কৰিছিলা মিনতি?"

"পঢ়িছিলোঁ, কি কৰিম আৰু!" তাইৰ মাত অলপ নীৰস, ভাব অলপ নিৰ্বিকাৰ।

"পঢ়িবৰ যদি আৰু দৰ্কাৰ নাই বুলি কওঁ?"

"মই নামানো।"

"সঁচাকৈয়ে কৈছা মিনতি? কিন্তু মই সেই কাৰণেই আহিছোঁ—"

মিনতিয়ে একো সমিধান নিদিয়ে, মাথোন তলমূৰকৈ কিতাপ এখনৰ পাত লুটিয়ায়।

"কোৱা মিনতি—" মই আগ্ৰহেৰে সোধোঁ।

মিনতিয়ে গহীনকৈ চকুহালি তুলি মোৰ ওপৰত থয়, আৰু আকৌ তলমূৰ কৰে। লাহেকৈ কয়, "মই আপোনাক বিয়া কৰাব নোৱাৰোঁ চাগে।"

"কিয়?" মই পতিয়াবলৈ টান পাওঁ। হাঁহিবৰ মন যায়, কিন্তু ভিতৰৰ পৰা হাঁহি নোলায়।

"ৰাতি হৈছে, আপুনি ইয়াত সোমাই থাকিলে আন মাষ্টৰণীবিলাকে কি ভাবিব?" তাই মোক আকৌ আপুনি বুলিবলৈ ধৰিলে।

"কিন্তু সিদিনা যে মোক ল পঢ়াৰ কথা কৈছিলা—তুমি জানো নিজৰ কথা ভাবিয়ে কোৱা নাছিলা ?" মই সোধোঁ।

টেঙা হাঁহি এটাৰে তাই কয়, "সিদিনা কৈছিলোঁ, আজি আৰু নকওঁ। মই এতিয়া বিয়াৰ কথা ভবা নাই। নিজৰ ঘৰৰ সমস্যাবোৰহে চিন্তা কৰিছোঁ।"

"তোমাৰ সমস্যা জানো মোৰো সমস্যা নহব ?"

"আঃ মই নোৱাৰোঁ এতিয়া আপোনাক বিয়া কৰাব, নুবুজে কিয় ?"

"বিয়া নকৰাবাইনে কি ?" মই টানকৈ প্ৰশ্ন কৰোঁ।

"তাৰ সমিধান আপোনাক কিয় ?"

"প্ৰবীণ ককাইদেৱেৰাক দিবানে কি ?" মোৰ মুখৰ পৰা অকস্মাৎ ওলাই যায়। কথাষাৰ কৈ লাজো পাওঁ নিজৰ দুৰ্বলতা প্ৰকাশ কৰা বুলি।

মোৰ কথাষাৰত তাই উচাপ খাই উঠে। তেনেহলে মোৰ সন্দেহ একেবাৰে অমূলক নহয়। ভাবটোৱে অলপ তৃপ্তি দিয়ে! দুৰ্বল মুহূৰ্ত্তত নিজৰ পৰাভৱ আৰু লাঞ্ছনাৰ কথা পাগুলিয়াই আৰু লোকক তাৰ বাবে দায়ী কৰি তৃপ্তি পোৱা যায়। এইটো অনুভূতিশীল মানুহৰ স্বভাৱ। কৰ্মত আস্থা থকা টান মানুহে হয়তো ইমানকৈ উপলব্ধি নকৰে আৰু কৰিলে কিবা এটা পন্থা হাতত লৈ মনৰ গেলা ভাববোৰ বাহিৰলৈ উলিয়াই দিয়ে। মই পাগুলিয়াবলৈ ধৰিলোঁ মোৰ পৰাভৱৰ কথা, উপযাচি আহি যিটো সমিধান পালোঁ তাৰ জালখিনি।

মোৰ বিমোৰ অৱস্থা দেখি তাইৰ পুতৌ উপজিল হবপায়। অলপ কৰুণ সুৰত তাই ক'লে, "আপুনি দুখ নাপাব ককাইদেউ, আৰু আপুনিতো মোক কেতিয়াও ভাল পোৱা নাই, মৰম কৰা নাই। আগ্ৰহ মোৰ ফালৰ পৰাহে। আপুনি সঁচাকৈ ভাল পাইছিল নীলিমাক। নীলিমাক নাপালে, সেইবুলিয়ে যে হাতৰ সমুখত যিজনী পাব সেইজনীৰে অভাব পূৰ কৰিব—".

"নীলিমাক মোৰ পৰা আঁতৰাই নিয়া কাৰণে তোমাৰ শলাগ লৈছো।"

"আপুনি ঠাট্টা কৰিছে।"

"ঠাট্টা অকণো কৰা নাই, অন্তৰৰ পৰা কৈছোঁ। তুমি প্ৰবীণক সুধিবা, নীলিমা ইয়াত থকা স্বত্বেও মই ইমানদিনে খন্তেকৰ কাৰণেও দেখা দিয়া নাই।"

"কিয় দেখা দিয়া নাই তাৰ যুক্তি হয়তো মই বুজিব নোৱাৰোঁ। সি যি নহওক, সিদিনালৈকে মই আপোনাৰ কথা ভাবি আছিলোঁ। পিচত দেখিলোঁ আপোনাক বিশ্বাস কৰিব নোৱাৰি—আপোনাৰ থিৰতা নাই।"

মিনতিৰ মন্তব্যত মই সঁচাকৈয়ে আচৰিত হওঁ। মোৰ প্ৰকৃতি সম্বন্ধে সঁচা হওক মিছা হওক এনে পোনপতীয়া সিদ্ধান্ত আগেয়ে কোনেও কৰা নাছিল।

কলোঁ, "ধন্যবাদ মিনতি। মোৰ ধাৰ যি নহওক সুজিবলৈ অলপ সক্ষম হ'লা। মই ভাবিছিলোঁ মোৰহে তোমাৰ চৰিত্ৰৰ ওপৰত সিদ্ধান্ত কৰিবৰ অধিকাৰ আছিল। ভুলটো অন্ততঃ ভাগিল। মোৰ প্ৰকৃতি কি ধৰণৰ ময়ো ধৰিব নোৱাৰোঁ, আৰু সেই কাৰণেই হয়তো ইটোত হাত দি সিটোত হাত দি ফুৰিছোঁ, তথাপি মোক তোমাৰ—জোৰাই-জোখায়ে পালাহেঁতেন চাগৈ—" হাঁহিবলৈ চেষ্টা কৰি মই আকৌ তাইৰ মনটো টুকুৰিয়াই চাওঁ।

"মোৰ কথা এৰক। মই ময়েই। কিন্তু আপুনি জানো মোক কম আওকাণ কৰিছে? যেতিয়া মই আপোনাৰ কাৰণে বলিয়া হৈছিলোঁ তেতিয়া আপুনি মোক কৰিছিল উলজ্ঘা। আৰু জানো আপুনি মোক খুৱাব পাৰিব? গম পালোঁ ঘৰৰ মাটিখিনিও কছাৰী-মিকিৰে লৈ ল'লে, চাকৰি-বাকৰিৰ কাৰণে মন-কাণ নকৰে। ৰাজনীতিত লগাহেঁতেনো সময়ত লাভৰ আশা আছিল, পিচে সেইফালেও সেই।"

মোৰ শুনি থাকিবলৈ টান লাগিছিল, অথচ উঠি আহিবৰো মন নাযায়। এই উৎকট পৰাজয়টো হজম কৰি উঠি অহা লাজৰ কথা। অস্বীকাৰ কৰিবৰ উপায় নাই যে মিনতিক মই অন্তৰৰ তলিৰ পৰা ভাল পোৱা নাছিলোঁ। যেতিয়া ভাবিছিলোঁ মই তাইক ভাল পাওঁ, তেতিয়াও মনৰ তলিৰ পৰা কিহবাই ঠাট্টাৰ সুৰত যেন মোক সুধিছিল—কি কৰিছা তুমি, অভিনয় কৰিছা? এনেস্থলত তাইৰ অভিযোগৰ প্ৰতিবিধান কৰিবলৈ মোৰ হাতত বল নাই, কিয়নো বিবেক দুৰ্বল বিবেক থকা দুৰ্বল মানুহৰ লেঠা বহুতো। এওঁলোকে নিজৰ দুৰ্গতিবিলাক হজম কৰিবহে পাৰে।

আহিবলৈ বুলি থিয় দিলোঁ। ছোৱালীজনীলৈ পুতৌ উপজিল। নিজৰ পৰাভৱৰ ভাব তল পেলাই পুতৌ ওলাই আহিল। হয়তো তাই মোৰ প্ৰস্তাৱ উলাই কৰা কাৰণে বৰ ক্ষতি হোৱা যেন নালাগিল, হয়তো তাইৰ প্ৰতি মোৰ দুৰ্বলতা সঁচাকৈয়ে আছিল। "উঠো মিনতি," কোমলকৈ কলোঁ।

তাই নামাতিলে। আকৌ কলোঁ অলপমান হাঁহি, "প্ৰবীণৰ সৈতে তোমাৰ বিয়া হলে মই অকণো বেয়া নাপাওঁ। সঁচা কথা কবলৈ গ'লে মই গৌৰীপুৰত থাকোঁতেই তোমাৰ কাৰণে প্ৰবীণক ফুচুলাম বুলি থিৰ কৰিছিলোঁ! তাক তোমাৰ কথা কৈয়ে অলপ বাস্তববাদী কৰিবলৈ চেষ্টা কৰিম বুলি ভাবিছিলোঁ।"

"প্ৰবীণ ককাইদেউক যে মই বিয়া কৰাম এনে ভাব আপোনাৰ কিয় হ'ল?"

মই তাইৰ প্ৰশ্নটো আওকাণ কৰি কওঁ, "মোৰ মাথোন এটা লেঠা আকৌ বাঢ়িব পাৰে।"

"কি লেঠা ?"

"প্ৰবীণে তাৰ ভনীয়েক ৰমলাৰ কাৰণে মোক আমনি দি আছে, এতিয়া চাগৈ আৰু বেছিকৈ দিব।"

"ভালহে।" তাইৰ মুখত কৌতুকৰ হাঁহি বিৰিঙিল।

"হয়নে ?" মোৰ খং উঠিব খোজে। বিশেষ আৰু একো নকৈ ওলাই আহোঁ।

বেছি ৰাতি হোৱা নাছিল। তথাপি বাটত মানুহ তুমুহ পাতলিছে। মনৰ বিৰুক্তি পাতলাবলৈ বুলি ক্লাবলৈ গৈ তাছত বহিলোঁ। অলপ সময় খেলি ভাল নলগাত কাষতে থকা ৰেডিওতো খুলি গান শুনিবলৈ ধৰিলোঁ। গানো সেই কদৰ্য্য, ডিঙি চেপি গোৱা কোনোবা এজনীৰ আৰ্তনাদ। আৰ্তনাদ তল পেলাই আকৌ পটভূমিৰ অৰ্কেষ্ট্ৰাৰ কোৰ্হাল। ইয়াৰ কাৰণেও মানুহে সময় নষ্ট কৰে !

মন থিৰ কৰিব নোৱাৰিলে চিন্তাই বেছিকৈ উথল-মাথল লগায়। শ্বিলঙৰ আশেপাশে এই সময়তে ফুৰিছিলোঁ যথেষ্ট, উম্‌লাঙ্কাৰ পৰা উম্‌প্লিঙলৈ, কাকিয়াদ তৈয়াৰ কৰা উম্‌জিজোৰ পৰা বৰপানীৰ সিপাৰে ওপৰৰ পাখ্‌লাও আদি খাচীয়া গাঁৱলৈ চিন্তাৰ তাড়নাতেই অনাই-বনাই ফুৰা হ'ল। লাভ হয়তো হ'ল, খাচীয়া লোকৰ জীৱনধাৰাৰ আভাস অলপ পালোঁ। মিনতিৰ ওচৰৰ পৰা উফৰি আহি কি কৰা উচিত কি অনুচিত গুণাগঁথা কৰিয়ে এদিন দুপৰীয়া গুই টোপনি নহাত পুলিচ বজাৰৰ চিনেমা ঘৰত মেটিনি চাবলৈ সোমালোঁ। চিনেমা বৰ কম চাওঁ ; ৰোমাঞ্চময় প্ৰেমকাহিনী বা ধনীৰ দুলালীৰ মইমতীয়া জীৱনৰ ছবিয়ে মোৰ চঞ্চল চিন্তাশীল মন বান্ধি ৰাখিব নোৱাৰে।

কিন্তু এই ৰোমাঞ্চপূৰ্ণ চিনেমাবিলাকৰো একোখনে মনত একোটা সাঁচ ৰাখিব খোজে। সিদিনা হয়তো অকলশৰীয়া পন্থাহীন জীৱনটোৰ অনুভৱত মন কৰুণ হৈ আছিল, হয়তো দায়িত্বহীন মুকলিমূৰীয়া দিনবিলাকৰ প্ৰভাৱত মনত কাব্যিকতাৰ আঁচ লাগিছিল, মুঠৰ ওপৰত পুৰণি সংস্কৃত উপন্যাস কাদম্বৰীৰ আলমত গঢ় লোৱা হিন্দী কথাছবিখন যথেষ্ট আকৰ্ষণীয় লাগিল। তাত বিধন জগত—সেইখনত মানুহ সশৰীৰে স্বৰ্গলৈ যায়, দেৱতা মৰ্ত্ত্যলৈ

নামি আহে, চৰাইয়ে মানুহৰ ভাষাত কথা কয়। কাদম্বৰীৰ যি সোন্দৰ্য্য সি সককালি শুনা সাধুকথাৰ সোন্দৰ্য্য।

নায়িকা এগৰাকী স্বৰ্গলৈ উৰি গৈছে, শুকুলা ঘন ডাৱৰৰ মাজেদি। তেওঁৰ নাম মনত নাই, কিন্তু বনমালাই সেই চৰিত্ৰৰ ৰূপ দিছিল। এৰা, নায়িকা ওপৰলৈ উঠি গৈছে শুকুলা ডাৱৰ ঠেলি ঠেলি। তেওঁৰ বুকুৰ পৰা ওপৰখিনি দেখা যায়। বনমালাৰ কোমল ভাবপ্ৰকাশী চকুজুৰিয়ে আকাশ ধিয়াইছে। বগা শৰীৰত লাবণ্য। আনফালৰ পৰা ডাৱৰৰ ফাকেদি গাত জোনাক উপচিছে। আটাইকেইটা বস্তু লগ লাগি যি এটি চিত্ৰৰ সৃষ্টি হৈছিল তাক সতকাই পাহৰিব নোৱাৰি। পটভূমিৰ মৃদু সঙ্গীতে চিত্ৰটো সম্পূৰ্ণ কৰিছিল আৰু গোটেই অভিজ্ঞতা-খিনিত কাব্যৰ উপলব্ধি লাভ কৰিছিলোঁ। এই পৰীৰ দেশৰ সপোন ভাঙিলে 'কোনোবাই লাহেকৈ মোৰ বাহুত টান এটা দি। ঘূৰি চাই মোৰ সোঁফালে এজন মানুহ এৰি সিফালে দেখোঁ কা-ড্ৰুপ, তাইৰ চকুত হাঁহি, কোলাত তামোলৰ মোনা।

ময়ো হাঁহি সম্ভাষণ জনালোঁ আৰু হাত মেলি তামোল এখন খুজিলোঁ, কিন্তু কিয় জানো তাইৰ অৱস্থিতিয়ে মনটো পোহৰাব নোৱাৰিলে। মোৰ মনৰ নৈত যি গভীৰ সোঁত বৈছে তাত যেন তাই ওপৰে ওপৰে উটি যোৱা জাঁজি, তলি নাপায়গৈ। ছবিখন যি আগ্ৰহেৰে চাইছিলোঁ তাতো যেন আউল লাগিল। চকু পৰ্দাত থাকিলেও মনত ভাব এটি খেলালে। ভাবটো এৰি দিয়া মনৰ অলস কল্পনাৰ বিলাসো হ'ব পাৰে, হয়তো অৱচেতনে ঠেলি ওপৰলৈ পঠিয়াই দিয়া এটি সিদ্ধান্তই।

সমুখত পৰ্দাত দেখা ছবি যেনে অবাস্তৱ, জীৱনৰ সুখ-দুখৰ লগত খাপ নোখোৱা, তেনেকৈ কা-ড্ৰুপৰ সান্নিধ্যতো অৰ্থ বিচাৰি নোপোৱা হ'লোঁ।

ছবিখন শেষ হ'ল। তেতিয়া সাঁজ ভাগি এন্ধাৰ নামিছে। কা-ড্ৰুপে লাহেকৈ মোৰ হাতখনত টান দিলে। তাইৰ লগত যাবলৈ মন নথকা স্বত্বেও কিয় গ'লোঁ? তাই নিব খুজিলে, আগ্ৰহেৰেই মোক মাতিলে। তাইৰ তপত সক হাতখনিত আশ্বাসৰ সংকেত নিশ্চয় আছিল, কিন্তু মোৰ অৱচেতনৰ ইঙ্গিত কিয় আওকাণ কৰিলোঁ ক'ব নোৱাৰোঁ। ঢিলা সুৰত অৱশ্যে কৈছিলোঁ, "নগলে নহয়নে কা-ড্ৰুপ?"

তাই মাথোন চিনেমাত শুনা গান একাকি আওঁৱাই হাতখনত টান এটা দিছিল। মোক গেবোগেধো কৰা যেন দেখি দুষ্টামিৰ হাঁহিৰে মন্তব্য কৰিছিল, "চাহ ইমূটাৰখং-প্ৰেমৰ জুয়ে পোৰে।"

প্ৰেম? টেঙা হাঁহি এটা মাৰি আগ বাঢ়িলোঁ। কিন্তু তাইৰ

আত্মনির্ভৰশীল বন্ধুতাই কাৰো গাত লতাৰ দৰে হালি নপৰে, তাইৰ সজীৱতাই মোক আঁতৰাইহে আনিলে। মোৰ উদ্দেশ্যহীন নিষ্প্ৰাণ জীৱনৰ লয়ে তাইৰ সজীৱ অভাৱহীন জীৱনৰ ছন্দৰ লগত তাল মিলাব নোৱাৰে। তাইৰ গতি আৰু মোৰ গতিৰ প্ৰকৃতি স্বকীয়া।

তাইক সুধিলোঁ, "তুমি ইমান সজীৱ কেনেকৈ হ'ব পৰা, কা-ড্ৰপ ?"

"কি কৈছে বুজি পোৱা নাই—"

"ইমান ফূৰ্ত্তি কৰি কেনেকৈ থাকিব পাৰা ?"

"আমাৰ সাধাৰণ মানুহৰ সুখ-দুখ কি ?"

"নহয়, কোৱাচোন—"

তাই খন্তেক ভাবিলে, ভাবি লাহে লাহে ক'লে, "পৰিয়ালৰ ভিতৰতে সক জীয়েক বুলি ঘৰ এটা পাইছিলোঁ, লগতে বেমাৰী বুঢ়ী আই। ককাই-ভাই যি আছিল বিয়া কৰাই দিহাদিহি গৈছে। পাণ-তামোলৰ দোকান এখন আছে, তাতে আই বহে, ময়ো বহোঁ, দুই-এপইচা পাওঁ ; কিন্তু কৈছোঁ নহয়, বুঢ়ীৰ বাৰ মাহত তেৰটা নৰিয়া, দোকান মাজে মাজে অচল হয়। তাৰ পিচত—"

"তাৰ পিচত কি, কা-ড্ৰপ ?"

"আপুনি জানেই চাগৈ মোৰ মানুহ এজন আছিল—"

মোৰ ফজলৰ কথা মনত পৰে, সোধোঁ, "এতিয়া নাইনে কি ?"

তাই কওঁ নকওঁকৈ ক'লে, "না—নাই বুলিলেই হয় এতিয়া। তেওঁ আগে টকা-পইচাৰে অলপ সহায় কৰিছিল।"

তাই আৰু নকয়। মোৰো সুধিবৰ মন নাযায়। সুধিবৰে বা কিটো আছে, তথাপিযে তাই মনটো টান কৰি ৰাখিব পাৰিছে।

ঘৰ পালত তাই ওপৰৰ নীলা গৰম কাপোৰখন সোলোকাই থৈ চাহ একাপৰ ব্যৱস্থা কৰে, মুখত গুণ্‌গুণ্ সুৰ। চাহকাপ দি হাঁহি তাই মন্তব্য কৰে, "জীয়াই থাকিবইতো লাগিব, কান্দি বহি থাকিলে কোনে খুৱাব ?"

সহজ সত্য। এইখিনিৰ কাৰণেও আমি দৰ্শন অধ্যয়ন কৰোঁ, মহাপুৰুষৰ জীৱন বিশ্লেষণ কৰোঁ। বাহিৰত এন্ধাৰ, শীতল বতাহত সৰলৰ চিৰলি-চিৰলি পাতৰ কম্পন। তাই অকস্মাৎ সোধে, "আপোনাৰ বন্ধুৰ বোলে বিয়া ?"

সেইবিলাক কথা কিছু সময় মনলৈ অহা নাছিল। প্ৰশ্নটোৱে খোঁচ মাৰি দিয়া যেন লাগিল। একো নকৈ অকণমান হাঁহিলোঁ। কাপ-পিলেটজোৰ চপাই নি তাই নিজকে নিজে ক'লে, "ওঁ, কালি তেওঁক ঘৰৰ কাষতে লগ পাইছিলোঁ—" তাই মোলৈ অৰ্থপূৰ্ণ দৃষ্টিৰে চায়।

লেইকৰ পাৰৰ সেই অপ্ৰিয় ঘটনাৰ কথা মোৰ মনত পৰে। সি নিশ্চয়

তাৰ পাচত তাইৰ তালৈ অহা নাই।

"মই মাত লগালত ভেবেঁ ক'লে।"

মিনতিক লগ পাই সিদিনা মোৰ যি সন্দেহ হৈছিল সি সঁচাই ভেনেহলে, সিহঁত দুয়োৰে বিয়া হ'বই। সি যি নহওক ভাল বাতৰিটো দিছেঁহি কা-ভ্ৰূপক!

"আপুনি ইয়াত চাকৰি কৰে, নহয়?" তাই সোধে।

"উঁহোঃ—"

"ব্যৱসায়?"

"একো নকৰোঁ।"

"কিবাতো কৰে নিশ্চয়?" তাই তথাপি সোধে।

মনৰ তলিৰ সিদ্ধান্ত তাইৰ প্ৰশ্নৰ জাউৰিত যেন ওপৰলৈ স্পষ্ট হৈ ওলাই আহে। যিটোৰ কাৰণে খপজপাই ফুৰিছিলোঁ সেইটো যেন হাতৰ ওচৰ চাপিছে। মোৰ কৰ্মক্ষেত্ৰ যে গাঁৱত, হয়তো খেতিবাতি আৰু সামাজিক কামত এই সিদ্ধান্ত লাভ কৰিলোঁ। কওঁ, "কৰিম, কিবা এটা কৰিম।"

কথাষাৰ সম্ভৱ অলপ জোৰেৰে কৈছিলোঁ, তাই উচাপ খোৱাৰ দৰে মূৰ তুলি চালে। মই হাঁহিলোঁ। তামোল এখন মুখত ভৰাই উঠিব খোজোঁ। তাই কয়, "বহকচোন, কিবা খাই যাওক, ভোক লগা নাই জানো?"

তাইৰ ব্যৱহাৰৰ কাৰণে চকুৰে শলাগ জনাওঁ, হাতখন জোকাৰি ওলাই আহোঁ। মনটো বহুতো পাতল লাগে। ঘূৰিপকি লাবান পাওঁতে অলপ ৰাতি হয়। ভাগিব খোজা বজাৰত মাছ সস্তা হয় দেখি লাবান বজাৰৰ পৰা মূৰ এটা লওঁ।

মূৰটো দেখি বাইদেৱে সোধে, "কিমান ল'লেও? ইমান ডাঙৰ মূৰটোনো কিয় আনিলি?"

"মনটোত অলপ সকাহ পালোঁ, সেইকাৰণেই আনিলোঁ।"

"কি সকাহ পালি?" বাইদেউ আচৰিত হয়।

"পিচত ক'ম বাক, খাই বৈ উঠি।"

"জানো কি ক'ব খুজিছ।"

তেওঁ মূৰটো লৈ তাৰ ব্যৱস্থা কৰাত লাগে। মই কাপোৰকানি সলো-কাওঁ। বাপুৱে আহি কয়, "মামা, সাধু এটা কোৱাচোন। ভাল চাই ক'বা কিন্তু।"

"তোৰ শুৱৰ হোৱা নাই?"

"উঁহোঃ ভাতেই খোৱা নাই। মাছৰ মূৰ—" তাই মুখ ভেঙুচাই হাঁহে।

"আহ বাৰু।" তাইক বিছনালৈ লৈ যাওঁ আৰু কাদম্বৰীৰ সাধুটো ক'বলৈ ধৰোঁ।

ভাতৰ পাতত বহি বাইদেউক কওঁ, "মই যাম হবপায়ও।"

"কলৈ?"

"ঘৰলৈ।"

"কিয়, আৰু কি মনত খেলালে?"

কওঁ নকওঁকৈ কেইদিনমান আগেয়ে মিনতিৰ লগত হোৱা কথা-বতৰাৰ আভাস দিওঁ, "মিনতিৰ লগত নহব বাইদেউ।"

"কি নহয়? বিয়া?"

"উঁ।"

"জানো কিথন কৰ তইহে জান। যি মন যায় কৰ, মই আৰু ক'বলৈ এৰিছোঁ।"

"মিনতিয়ে মোক নামঞ্জুৰ কৰিলে," হাঁহি কওঁ।

"তাৰ মানে?"

চমুকৈ কথাখিনি তেওঁক কওঁ। প্ৰবীণৰ লগত যে তাইৰ বিয়া হবৰ সম্ভাৱনা আছে তাৰো সঙ্কেত দিওঁ। তেওঁ শুনি মিনতিৰ ওপৰত আশীৰ্বাদ বৰ্ষণ কৰে। মই তৃপ্তি পাওঁ মাইকী মানুহৰ কথা-বতৰা দেখি।

"সেইজনী যে বচকীজনী, নিলাজৰ দৰে উপযাচি আহিছিল, তাইৰ ভেমটো!"

"কেলেইনো খং খাইছ, দুদিন আগলৈ দেখোন মিনতিৰ প্ৰশংসাত এশমুখীয়া হৈছিলি!"

"সেইবুলি আৰু ইমানখিনি ফিটাহি!"

মাইকী মানুহে মাইকী মানুহৰ ওপৰতকৰা মন্তব্যত হাত দিয়া যুগুত নহয়। মোৰ ফালৰ পৰা মিনতিক মই জগৰীয়া নকৰোঁ। প্ৰত্যেকৰে ৰুচি অভিৰুচি আছে, তাৰ ফলাফলো আছে। এইবিলাক লৈয়ে জীৱন। তাত আৰু অভিযোগ কৰিবৰ কি যুক্তি আছে?

বাইদেউক কওঁ, "বুজিছ বাইদেউ, তয়ো যদি এইদৰে বি-এ পাছ কৰিলিহেঁতেন তেতিয়া হলে তয়ো চাগে নিজৰ ইচ্ছামতেহে দৰা বাছি ললিহেঁতেন।"

"যা যা, বি-এ পাছ নকৰিলেইবা। সংসাৰত আৰু মানুহ নাইনে!"

"দিন-কাল একেদৰে নাথাকেও বাইদেউ। বাণু ডাঙৰ হলে তায়ো বেছিকৈ পঢ়িব লাগিব, তেহে তাইক বিয়া দিবলৈ উজু হব।"

বাইদেউক বুজাবলৈ টান। যেতিয়াৰ যিটো সিদ্ধান্ত :তাৰ লৰচৰ নহয়। মুখেৰে ভোৰভোৰাই তেওঁ তামোল কটাত লাগে।

—অন্ত—